● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত


গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

দয়া এনে এক ভাষা যাক কলাই শুনে আৰু অন্ধই দেখা পায়।



মাৰ্ক টোৱেইন
*আমেৰিকাৰ লেখক*

www.dainikagradoot.in

৭ কৰ'নাৰ প্ৰভাৱত ২৯ কোটি শিশু শিক্ষাৰ পৰা বঞ্চিত
১৫ নিউজিলেণ্ডৰ সাফল্যত ভাৰতৰ অৱদান
৪ বিনামূলীয়া খাদ্য আৰু কৰ্মসংস্কৃতিৰ বিপদ ঘন্টা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৬তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২৫ কাতি ১৪২৮ ভাস্কৰাব্দ ১২ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 12 November 2021 মূল্য ঃ ৯.০০ টকা

■ এনে আগ্ৰাসন কেতিয়াও মানি লোৱা নহ'ব ঃ বৈদেশিক মন্ত্ৰণালয় ■ অৰুণাচলত চীনা গাঁও স্থাপনৰ মাৰ্কিন প্ৰতিবেদনত প্ৰতিক্ৰিয়া ভাৰতৰ ■ বেইজিঙক অসন্তুষ্টিৰ বাৰ্তা দি অহা হৈছে

# চীনৰ বেদখল স্বীকাৰ কৰি সষ্টম দিল্লী

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১১ নৱেম্বৰ ঃ** অৰুণাচল প্ৰদেশত ভাৰতৰ ভূমিত চীনা গাঁও স্থাপন সম্পৰ্কীয় মাৰ্কিন প্ৰতিৰক্ষা দপ্তৰৰ প্ৰতিবেদনৰ পাছত সষ্টম হৈছে ভাৰত চৰকাৰ। চুবুৰীয়া চীনে দশকৰ পাছত দশক ধৰি ভাৰতীয় ভূমি অবৈধভাৱে দখল কৰা বুলি ভাৰতৰ বৈদেশিক মন্ত্ৰণালয়ে স্বীকাৰ কৰিলেও একে সময়তে ইয়াক মানি লোৱা নহ'ব বুলি বেইজিঙক সকীয়াই দিছে। অৰুণাচল প্ৰদেশৰ ভাৰত-চীন সীমান্তত অৰুণাচল প্ৰদেশৰ ভূমিত চীনে বৃহৎ গাঁও স্থাপন কৰা বুলি শেহতীয়াভাৱে মাৰ্কিন প্ৰতিৰক্ষা দপ্তৰৰ প্ৰতিবেদনত প্ৰকাশ পোৱাৰ পাছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ মুখপাত্ৰ অৰিন্দম বাগ্‌চীয়ে আজি এই সম্পৰ্কত কয়, 'চীনে বিগত কে'বা বছৰ ধৰি সীমান্ত সংলগ্ন অঞ্চলত নিৰ্মাণ কাৰ্য চলাই আহিছে। বিগত কে'বা দশক ধৰি চীনে অবৈধভাৱে দখল কৰি ৰখা ভাৰতৰ ভূমিতো নিৰ্মাণ কাৰ্য অব্যাহত ৰাখিছে। আমাৰ ভূমি এইদৰে বেদখল কৰা কাৰ্য ভাৰতে কেতিয়াও মানি লোৱা নাই। তদুপৰি চীনৰ অযুক্তিকৰ দাবীকো ভাৰতে গ্ৰহণ কৰা নাই।' তেওঁ কয় যে ভাৰতে এনে অসন্তুষ্টিৰ বাৰ্তা সদায় বেইজিঙক দি আহিছে। বিগত বহু বছৰ ধৰি সীমান্ত অঞ্চলত চীনৰ ১০ পৃষ্ঠাত চাওক

## অনৈতিকতাৰ শিপা

**দেশ-কাল-সমাজ**

ড° দীনেশ বৈশ্য



তুমি যদি মাথোঁ এবছৰৰ বাবে পৰিকল্পনা কৰা, তেনেহ'লে ধানৰ খেতি কৰা, যদি মাত্ৰ ১০ বছৰৰ বাবে পৰিকল্পনা কৰা, তেনেহ'লে গছ ৰোপণ কৰা, যদি তুমি এশ বছৰৰ বাবে পৰিকল্পনা কৰা, তেনেহ'লে মানুহক সুশিক্ষা প্ৰদান কৰা। এইটো হ'ল চীনা দাৰ্শনিক কনফুচিয়াছৰ উক্তি।

এই কথাটো মোৰ প্ৰায়ে মনলৈ আহে— এজন শিক্ষক হিচাপে যেতিয়া এটা ভাল শিক্ষা ব্যৱস্থাৰ কথা ভাবো, ১০ পৃষ্ঠাত চাওক



■ ষট পূজাৰ পৰা অহা ভক্তৰ অট'ৰ স'তে ট্ৰাকৰ মুখামুখি সংঘৰ্ষ

২৫ মিটাৰ আঁতৰলৈ চোঁচৰাই নিলে ■ ৰাজপথত ছিন্নভিন্ন মৃতদেহ

## পাথাৰকান্দিত ভয়ংকৰ দুৰ্ঘটনাত শিশুসহ ১০জনৰ থিতাতে মৃত্যু

**বিশেষ সংবাদদাতা**
**গুৱাহাটী, ১১ নৱেম্বৰ ঃ** কৰিমগঞ্জ জিলাত আজি পুৱা সংঘটিত হ'ল এক অতি শোকাৱহ দুৰ্ঘটনা। ট্ৰাক আৰু অট'ৰিা'ৰ মুখামুখি সংঘৰ্ষত শিশুসহ ১০জন লোকৰ থিতাতে মৃত্যু হয়। নিহতসকলৰ ভিতৰত আছে পাঁচগৰাকী মহিলা, তিনিজন পুৰুষ আৰু দুটি শিশু। আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখন জব্দ কৰিলেও চালকজনে পলায়ন কৰিবলৈ সক্ষম হয়। এই ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হৈছে পাথাৰকান্দি বিধানসভা সমষ্টিৰ অন্তৰ্গত বৈঠাখালত।

বৈঠাখালৰ ছলগৈ অঞ্চলত অনুষ্ঠিত ষট পূজাত অংশ লৈ ভক্তৰ দল এটাই আজি পুৱা এখন অট'ৰে নিজগৃহলৈ উভতিছিল। অসম-ত্ৰিপুৰা সংযোগী আঠ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কৰিমগঞ্জৰ পৰা ত্ৰিপুৰা অভিমুখে যোৱা এন এল-০১ ডি-০০৮৮ নম্বৰৰ চিমেণ্টভৰ্তি ট্ৰাকখনে অট'খনক ১০ পৃষ্ঠাত চাওক

## চীনৰ বিৰুদ্ধে কঠোৰ হ'বলৈ মোদীক আহ্বান ড° স্বামীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ নৱেম্বৰ ঃ** চীনৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰে নৰম স্থিতি গ্ৰহণ কৰিছে বুলি আজি মন্তব্য কৰিছে বিজেপিৰ জ্যেষ্ঠ নেতা ১০ পৃষ্ঠাত চাওক

■ আলফাৰে আলোচনা-অন্যান্য চুক্তিসমূহ ৰূপায়ণৰ কামো অগ্ৰসৰ

## আধাৰ নহয়, অসমত নাগৰিকত্বৰ প্ৰমাণ হ'ব এনআৰচিহে ঃ মুখ্যমন্ত্ৰী



**অগ্ৰদূত প্ৰতিবেদক**
**নতুন দিল্লী, ১১ নৱেম্বৰ ঃ** আধাৰ নাগৰিকত্বৰ প্ৰমাণ নহয়। অসমত নাগৰিকত্বৰ প্ৰমাণ উপলব্ধ হ'ব এনআৰচিৰ পৰা। এনআৰচি উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণত চূড়ান্ত পৰ্যায়ত আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ইয়াত সাংবাদিকৰ আগত এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতত এজন বিদেশী নাগৰিকেও আধাৰ বনাব পাৰে। যিকোনো লোকে ভাৰতত আধাৰৰ অধিকাৰী হ'ব পাৰে। ইয়াত কোনো বাধা নাই বুলিও মুখ্যমন্ত্ৰী শৰ্মাই কয়। যিকোনো এটা আধাৰ কেন্দ্ৰলৈ গ'লেই আধাৰ কাৰ্ড প্ৰস্তুত কৰিব পাৰি বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে আইনতো আছে যে আধাৰ মানে নাগৰিকত্বৰ প্ৰমাণপত্ৰ নহয়। ইপিনে, মুখ্যমন্ত্ৰীয়ে লগতে সদৰী কৰে যে অসমত পাঁচখন নতুন সৈনিক স্কুল স্থাপনৰ অনুমোদন দিবলৈ ছয় পৃষ্ঠাত চাওক

## ৰূপহীহাটত তদন্তৰ বাবে যোৱা আৰক্ষীক লাঠি-ইটাৰে আক্ৰমণ

মহিলাসহ তিনি আক্ৰমণকাৰীক আটক

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/ৰূপহীহাট/চামগুৰি, ১১ নৱেম্বৰ ঃ** নগাঁও জিলাৰ ৰূপহীহাটত আজি দুষ্কৃতিকাৰীৰ দলে আৰক্ষীক আক্ৰমণ কৰে। সৌভাগ্যক্ৰমে দুষ্কৃতিকাৰীৰ হাতৰ পৰা গুৰুতৰভাৱে ছয় পৃষ্ঠাত চাওক

## দুই কিশোৰ ভ্ৰাতৃয়ে হত্যা কৰিলে শিশুক, পুখুৰীত উদ্ধাৰ মৃতদেহ

স্পষ্ট হোৱা নাই উদ্দেশ্য

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১১ নৱেম্বৰ ঃ** এটি শিশুৰ হত্যাকাণ্ডই আজি বাগ্‌সা জিলাৰ শিমলাবাৰীত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। দুজন কিশোৰ ভ্ৰাতৃয়ে শিশুটিক হত্যা কৰাৰ অভিযোগ ১০ পৃষ্ঠাত চাওক

আলোচনাৰ অন্তত দুদিনৰ সময় ল'লৈ ৫৫টা চাকমা পৰিয়ালে ■ উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ

## সাময়িকভাৱে স্থগিত লামডিঙৰ হস্তীৰ বাসস্থলী থেদংনলাৰ উচ্ছেদ

**অগ্ৰদূত বাৰ্তা**
**কাকী, ১১ নৱেম্বৰ ঃ** স্থানীয় লোক আৰু প্ৰশাসনৰ মাজত হোৱা আলোচনাৰ ভিত্তিত সাময়িকভাৱে স্থগিত ৰখা হ'ল লামডিং সংৰক্ষিত বনাঞ্চলৰ তৃতীয় দিনাৰ উচ্ছেদ অভিযান। স্থানীয় লোকৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই হোজাই জিলা প্ৰশাসনে আজি বনাঞ্চলখনৰ থেদংনলাৰ উচ্ছেদ অভিযান দুদিনৰ বাবে স্থগিত ৰাখে। লগতে থেদংনলাৰ ৫৫টা চাকমা পৰিয়ালক চৰকাৰী ভূমিৰ ডেকাবস্তিলৈ স্থানান্তৰৰ সিদ্ধান্ত লোৱা হয়। আজি থেদংনলাৰ বাসিন্দাসকলে কোনোপধ্যে নিজৰ ঘৰ-বাৰী এৰি নাযায় ছয় পৃষ্ঠাত চাওক




*ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ বাতিলৰ দাবীত এছএফআইৰ সত্যাগ্ৰহ।*

## বিমানকোঠত অসমীয়া সাজ-পাৰ নিষিদ্ধ? অস্বীকাৰ আদানি গ্ৰুপৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ নৱেম্বৰ ঃ** বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠত নিয়োজিত তথা আদানি গ্ৰুপৰ কৰ্মচাৰী, বিশেষকৈ অসমীয়া মহিলা কৰ্মচাৰীয়ে পৰম্পৰাগত সাজ-পাৰ মেখেলা-চাদৰ পিন্ধিব নোৱাৰে বুলি কোনো ধৰণৰ নিৰ্দেশনা দিয়া হোৱা নাই। বৰঝাৰ বিমানকোঠ পৰিচালনাত নিয়োজিত কোনো অসমীয়া মহিলাই মেখেলা-চাদৰ পিন্ধিব নোৱাৰিব বুলি আদানি গ্ৰুপে ফটোৱা জাৰি কৰা বুলি অভিযোগ তুলি প্ৰকাশিত বাতৰি অস্বীকাৰ কৰি এই মন্তব্য কৰে বিমানকোঠৰ পৰিচালনাৰ দায়িত্বভাৰ লাভ কৰা আদানি গ্ৰুপৰ মুখ্য বিমানকোঠ বিষয়া উৎপল বাদল বৰুৱাই।

উল্লেখ্য যে শেহতীয়াকৈ আদানি গ্ৰুপে অসমীয়া মহিলা কৰ্মচাৰীক ১০ পৃষ্ঠাত চাওক

■ তিনিশ শতাংশ অতিৰিক্ত কৰ সংগ্ৰহ কৰিছে বিজেপিয়ে ■ কংগ্ৰেছৰ কাৰ্যকালৰ ন টকা আবকাৰী শুল্ক সম্প্ৰতি ৩২ টকালৈ বৃদ্ধি ■ জোকে তেজ শোহাদি জনতাক শুহিছে ঃ ৰিপুন

## আন্তৰ্জাতিক মূল্য অনুসৰি ৬০-৬৫ টকাহে হ'ব লাগে পেট্ৰ'লৰ দাম



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ নৱেম্বৰ ঃ** দেশৰ ৩০টা বিধানসভা সমষ্টিত অনুষ্ঠিত উপ-নিৰ্বাচনত অসমক বাদ দি আন আন ৰাজ্যসমূহৰ সাধাৰণ জনতাই বিজেপিক নস্যাৎ কৰাৰ পাছতে পেট্ৰ'ল আৰু ডিজেলৰ ক্ষেত্ৰত কিছু পৰিমাণে আবকাৰী শুল্ক হ্ৰাস কৰি ইন্ধনৰ মূল্য হ্ৰাস কৰা বুলি কৈ বিজেপিয়ে বাঃ বাঃ ল'বলৈ চেষ্টা কৰিছে। আজি এই মন্তব্য কৰে প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা সাংসদ ৰিপুন বৰাই। প্ৰতিবিধ সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ ফলত সাধাৰণ জনতাই সন্মুখীন হোৱা ভয়াৱহ সমস্যাসমূহ আজি ৰাজীৱ ভৱনত এক সংবাদমেলৰ জৰিয়তে চৰকাৰৰ দৃষ্টিগোচৰ কৰি শাসকীয় বিজেপিৰ বিৰুদ্ধে তেওঁ সৰৱ হৈ পৰে। বৰাই কয় যে চলিত বৰ্ষৰ ১০ মাহত অৰ্থাৎ পহিলা জানুৱাৰীৰ পৰা যোৱা ২৪ অক্টোবৰলৈ ৯৬ বাৰ পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধি কৰিছে। ১০ পৃষ্ঠাত চাওক



*শপতগ্ৰহণ কৰিলে পাঁচ নৱ-নিৰ্বাচিত শাসক পক্ষৰ বিধায়কে, বিধানসভা কক্ষত বৃহস্পতিবাৰে।*

## শপত ল'লে নৱ-নিৰ্বাচিত পাঁচ বিধায়কে


সময়ত আহি নাপালে সুশান্তই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ নৱেম্বৰ ঃ** সদ্যসমাপ্ত ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনত জয়ী শাসকীয় মিত্ৰগোষ্ঠীৰ বিজেপি আৰু ইউপিপিএলৰ বিধায়কসকলে আজি শপতগ্ৰহণ কৰে। মৰিয়নী সমষ্টিৰ পৰা পঞ্চমবাৰলৈ নিৰ্বাচিত হোৱা বিজেপিৰ ৰূপজ্যোতি কুৰ্মী, থাওৰা আৰু ভৱনীপুৰৰ পৰা দ্বিতীয়বাৰলৈ নিৰ্বাচিত হোৱা ক্ৰমে সুশান্ত বৰগোহাঁই আৰু ফণীধৰ তালুকদাৰ, ইউপিপিএলৰ পৰা গোঁসাইগাঁও আৰু তামুলপুৰৰ পৰা প্ৰথমবাৰলৈ নিৰ্বাচিত হোৱা জিৰণ বসুমতাৰী আৰু জলেন দৈমাৰীক আজি শপতবাক্য পাঠ কৰায় বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। ছয় পৃষ্ঠাত চাওক

## মেঘালয়ৰ মাজেদি বাংলাদেশলৈ অসমৰ গৰুৰ সৰবৰাহ অব্যাহত

**বিশেষ সংবাদদাতা**
**নগাঁও, ১১ নৱেম্বৰ ঃ** ৰাজ্যত গো সুৰক্ষা আইন বলৱৎ হোৱাৰ পাছতো নগাঁও আৰু ইয়াৰ প্ৰতিৰেশী জিলাসমূহৰ পৰা ঘাইপথৰেই বহিঃৰাজ্যৰ উপৰি প্ৰতিৰেশী ৰাষ্ট্ৰ বাংলাদেশলৈ গৰুৰ চোৰাং সৰবৰাহ অব্যাহত আছে। এই চোৰাং সৰবৰাহকাৰী চক্ৰই নগাঁও জিলাৰ মাজেৰে কে বাটাও ৰাজ্যিক পথ আৰু চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথক নিৰাপদ কৰিড'ৰ হিচাপে ব্যৱহাৰ কৰি মেঘালয় হৈ বাংলাদেশলৈ অবৈধভাৱে সৰবৰাহ কৰে গৰু। নগাঁও আৰক্ষীয়ে যোৱা নিশা এক অভিযান চলাই ৰহাৰ ওচৰৰ ১০ পৃষ্ঠাত চাওক




| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩০° | ১৯° |
| ডিব্ৰুগড় | ২৯° | ১৬° |
| দিল্লী | ২৬° | ১৭° |
| কলকাতা | ৩১° | ২২° |
| মুম্বাই | ৩৪° | ২৩° |
| চেন্নাই | ২৬° | ২৩° |
| বাংগালুৰু | ২১° | ১৭° |
| শ্বিলং | ২২° | ১০° |

*১১ নৱেম্বৰ, ২০২১*

## চেঙা তেল



*অইন কথাত হওক নহওক, মোৰ কমিছনটো পুৰাপুৰি উলিয়াই লোৱাৰ ক্ষেত্ৰত মই কিন্তু কঠোৰ!*

■ পাত হালধীয়া হোৱা অচিন ৰোগত আক্ৰান্ত জলকীয়া-স্কোৱাচ


## খৰাং-অচিন ৰোগত দিশহাৰা কৃষক



**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ১১ নৱেম্বৰ ঃ** বতৰৰ ব্যাপক পৰিৱৰ্তন আৰু অচিন ৰোগৰ ফলত চামগুৰি ৰাজহ চক্ৰৰ অধীনস্থ কেতবোৰ অঞ্চলৰ খেতিয়ক দিশহাৰা হৈ পৰিছে। কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে দিহা-পৰামৰ্শ নিদিয়া আৰু ভূতৰ ওপৰত দানহ পৰাদি দেখা দিয়া খৰাঙে এইবাৰ চামগুৰিৰ খাৰিফ শস্যৰ কৃষকক বাৰুকৈয়ে বিপাঙত পেলাইছে। কেৱল খেতিৰ ওপৰতে নিৰ্ভৰশীল হৈ পৰিয়াল পোহপাল দিয়াৰ লগতে নগৰ, চহৰৰ লোকক শাক-পাচলিৰ যোগান ধৰা খেতিয়কৰ পথাৰত এইবাৰ হোৱা নাই পূৰ্বৰ দৰে পাচলিৰ উৎপাদন। চামগুৰিৰ কনুৱামাৰীৰ খেতিয়কৰ খৰাঙৰ ফলত ফুলকবি, বন্ধাকবিৰ ছয় পৃষ্ঠাত চাওক

পৃথিৱীৰ পৰা ১৫০ আলোকবৰ্ষ আঁতৰত ■ নস্যাৎ প্ৰাণৰ সম্ভাৱনা

## সৌৰজগতৰ বাহিৰত 'মহাপৃথিৱী'! যমজ গ্ৰহৰ কীৰ্তি দেখি বিস্মিত বিজ্ঞানী



■ নিউজ ব্যুৰ'
**নিউ য়ৰ্ক, ১১ নৱেম্বৰ ঃ** বিশ্ব ব্ৰহ্মাণ্ডত আমাৰ সৌৰজগতৰ বাহিৰতো পৃথিৱী সদৃশ গ্ৰহ থকাৰ সন্দেহত দীৰ্ঘদিনৰ পৰাই অনুসন্ধান চলাই আছে বিজ্ঞানীসকলে। এই অন্বেষণৰ সময়তে শেহতীয়াকৈ বিজ্ঞানীয়ে সন্ধান পাইছে এনে এক নক্ষত্ৰৰ জগতৰ, য'ত আছে দুটাকৈ 'ছুপাৰ আৰ্থ' বা মহাপৃথিৱী। এই আৱিষ্কাৰত স্বাভাৱিকতে বিজ্ঞানীসকল উত্তেজিত হৈ পৰিছে। আশা কৰা হৈছে যে ১০ পৃষ্ঠাত চাওক

■ কাৰো পুতৌৰে নহয়, সসন্মানেৰে জীয়াই থাকিব বিচাৰে সজল-বাবলু-শংকৰ-বিজয়হঁতে

## আমাক উপযুক্ত কাম দিয়ক, ভিক্ষা নহয়



### মহানগৰীৰ পদপথৰ বাসিন্দাৰ অকথিত কাহিনী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ নৱেম্বৰ ঃ** বিচিত্ৰ এই জীৱন! কাৰোবাৰ বাবে যদি আশীৰ্বাদ, আন কাৰোবাৰ বাবে যেন অভিশাপ। উশাহ লৈ থকাটোৱেই যদি জীয়াই থকা হয় তেনেহ'লে সকলোৰে বাবে জীৱন আশীৰ্বাদ; কিন্তু প্ৰকৃততে সকলোৰে বাবে ই জানো আশীৰ্বাদ? পদপথত মুকলি আকাশৰ তলত বহি এন্ধাৰ নিশা এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি থাকে মহানগৰীৰ পদপথৰ বাসিন্দা সজল, হৰেন্দ্ৰ, বিজয়হঁতে। এইসকল লোকে জীৱনক লৈ অভিযোগ কৰিব নে সন্তুষ্টি লভিব সেই কথাই প্ৰায়েই তেওঁলোকৰ আলোচনাত ঠাই পায়। ইয়াৰ বিপৰীতে এনে গভীৰ বিষয়বস্তুক লৈ মূৰ নঘমায় বাবলু, শংকৰৰ দৰে পদপথৰ বাসিন্দাই। তেওঁলোকৰ মত— উশাহ লৈ থকালৈকে যেনেদৰে পাৰা তেনেকৈ উদ্‌যাপন কৰা জীৱন।


পদপথত আছে অলেখ কাহিনী। এনে এটা কাহিনীৰ বাস্তৱ চৰিত্ৰ হৈছে বাবলু মিশ্ৰ। ৩৪ বছৰীয়া পদপথৰ বাসিন্দা বাবলু এজন সতেজ যুৱক। এসময়ত ভূতনাথ শ্মশানত শৱদেহ দাহৰ কাম কৰি ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১২ নৱেম্বৰ, ২০২১ শুকুবাৰ পৃষ্ঠা তিনি

## বিজ্ঞাপনতেই আবদ্ধ বিজেপি চৰকাৰৰ স্বচ্ছ ভাৰত অভিযান

**চৰকাৰে পাঁচ বছৰত বিজ্ঞাপন, হৰ্ডিঙৰ নামত খৰচ কৰিলে সাত কোটি ৫৭ লাখৰো অধিক টকা**

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ১১ নৱেম্বৰ ঃ** পৰিৱৰ্তনকামী বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ স্বচ্ছ ভাৰত অভিযানৰ নামত বিজ্ঞাপন আৰু বেনাৰ, হৰ্ডিঙতে আবদ্ধ হৈ কোটি কোটি ছয় পৃষ্ঠাত চাওক



সোঁতৰ বিপৰীতে

■ ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ সম্প্ৰসাৰণৰ সপক্ষে বিধায়ক লিম্বু

# বৰছলাৰ ৩৯টা চৰ-চাপৰিত হ'ব উচ্ছেদ

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ১১ নৱেম্বৰ ঃ** তেজপুৰৰ পৰা ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ সমীপলৈকে ব্ৰহ্মপুত্ৰৰ খহনীয়া অব্যাহত আছে। ইয়াৰ বাবে যথেষ্ট সমস্যাৰ উদ্ভৱ হোৱা বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শমালৈ পত্ৰ প্ৰেৰণ কৰিছিল বৰছলাৰ বিধায়ক গণেশ কুমাৰ লিম্বুৱে। যোৱা ২৯ অক্টোবৰত প্ৰেৰিত বিধায়কজনৰ এই পত্ৰ লাভৰ পাছতেই দুই নৱেম্বৰত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে লাভ কৰা পত্ৰখনৰ বিপৰীতে ব্যৱস্থা গ্ৰহণৰ আশ্বাসৰে বিধায়ক লিম্বুৱেও উত্তৰ লাভ কৰিছে। উল্লেখ্য যে বিধায়কজনে ওৰাং ৰাষ্ট্ৰীয় উদ্যান চৰ-চাপৰিৰ কাষত অৱস্থিত আৰু তেজপুৰৰ পৰা ইয়াৰ মাজৰ দীঘলীয়া অঞ্চলত হোৱা ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ বাবে পৰৱৰ্তী সময়ত এনেবোৰ অঞ্চল বহুসংখ্যক প্ৰব্ৰজিত আৰু আন লোকে দখল কৰা বুলিও উল্লেখ কৰিছিল। এনে কাৰণতে ওৰাং ৰাষ্ট্ৰীয় উদ্যানলৈ চোৰাং ছয় পৃষ্ঠাত চাওক



মাজুলিত ৰাসৰ বাবে মুখা প্ৰস্তুত ব্যস্ত শিল্পী, বৃহস্পতিবাৰে।

■ নলবাৰী কৃষি বিভাগত ব্যাপক অনিয়ম

## নিবিদা অবিহনে কৃষক ভৱনৰ ৰং কৰিবলৈ দিয়াক লৈ প্ৰতিক্ৰিয়া

বিশেষ সংবাদদাতা
**নলবাৰী, ১১ নৱেম্বৰ ঃ** নলবাৰী জিলা কৃষি বিভাগত পুনৰ দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি জিলা কৃষি বিষয়া মধুৰাম পাটিৰীৰ পৃষ্ঠপোষকতাত চলিছে এনে দুৰ্নীতি-অনিয়ম। শেহতীয়াভাৱে কৃষি আৰু ইয়াৰ লগত জড়িত প্ৰস্তুতকৰণ উদ্যোগীসকলক সকাহ আৰু সহায় কৰাৰ বাবে চলি থকা পাঁচ বছৰীয়া কৃষি সহজাত সামগ্ৰী প্ৰস্তুতকৰণ প্ৰকল্প (এপাৰ্ট)ত জিলা কৃষি বিষয়াই ব্যাপক অনিয়ম সংঘটিত কৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে নলবাৰী জিলাত চলি থকা 'এপাৰ্ট' প্ৰকল্পটো পৰিচালনা কৰাৰ বাবে কোনো বিষয়া-কৰ্মচাৰী নথকাত জিলা কৃষি বিষয়া প্ৰকল্পটোত স্বেচ্ছাচাৰিতাৰে কাম-কাজ সম্পাদন কৰি আহিছে। ইপিনে, জিলা কৃষি বিষয়া মধুৰাম পাটিৰীয়ে শেহতীয়াকৈ কোনো ধৰণৰ নিবিদা আহ্বান নকৰাকৈ অন্য এটা চৰকাৰী বিভাগৰ কৰ্মচাৰীৰ পত্নীক নলবাৰী 'কৃষক ভৱন'ত নতুনকৈ ৰং কৰিবলৈ দিয়াক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিবিদা আহ্বান নকৰাকৈ ঘনিষ্ঠ ঠিকাদাৰক 'কৃষক ভৱন'ৰ ৰঙৰ কাম কৰিবলৈ দিয়াত অন্য ঠিকাদাৰ জাঙুৰ খাই উঠি বিষয়টোৰ ক্ষেত্ৰত উপায়ুক্তৰ হস্তক্ষেপ দাবী কৰিছে। আনহাতে, 'এপাৰ্ট'ৰ নামত নলবাৰীত অনিয়ম সংঘটিত হোৱাৰ অভিযোগে ক্ষুব্ধ কৰি তুলিছে জিলাখনৰ কৃষক আৰু উদ্যোগীসকলক। উল্লেখ্য যে জিলা কৃষি বিষয়াৰ বাবেই পঞ্জাৱৰ এটা সংস্থাই ছয় পৃষ্ঠাত চাওক

## চাৰিঙত মুখা শিল্পক জীয়াই ৰখাৰ কঠোৰ সংগ্ৰাম

■পাঁচ বাৰকৈ শ্ৰেষ্ঠ মুখ্য শিল্পীৰ বঁটা প্ৰাপক নাথৰ যাদুকৰী হাতৰ পৰশত সৃষ্টি হৈছে জীৱন্তৰূপী অলেখ মুখা



অগ্ৰদূত বাৰ্তা
**গৌৰীসাগৰ, ১১ নৱেম্বৰ ঃ** কাম বা বৃত্তিৰ কোনো সৰু-বৰ নাই। মাথো বিশ্বাস আৰু একাগ্ৰতাৰে লাগি থাকিলে যিকোনো কামৰে সাফল্যৰ বাট মুকলি হয়। এনে আপ্তবাক্যক সঁচা প্ৰমাণিত কৰি চাৰিঙৰ দিপাংক নাথ নামৰ এজন স্নাতক ডিগ্ৰীধাৰী যুৱকে শ্ৰীমন্ত শংকৰ গুৰুৰ মহান সৃষ্টি মুখা শিল্পক জীয়াই ৰখাৰ কঠোৰ সংগ্ৰামে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শংকৰী সংস্কৃতি ভাওনাৰ অন্যতম মহান অলংকাৰ মুখ্য শিল্পকলৈ নতুন চাম প্ৰজন্মৰ মাজত অনিহা আৰু অজ্ঞতাৰে বাতাবৰণ সৃষ্টি হোৱাৰ সময়ত চাৰিং তেলিয়াল গাঁৱৰ প্ৰয়াত বিতুল নাথৰ পুত্ৰ দিপাংক নাথে চৰকাৰী চাকৰিৰ আশা ত্যাগ কৰি ২০১২ত জড়িত হৈ পৰে মুখা শিল্পক জীয়াই ৰখাৰ কঠোৰ সংগ্ৰামত। আত্ম বিশ্বাসক মূলধন হিচাপে লৈ জৰাবাৰী সত্ৰত প্ৰবীণ মুখা শিল্পী প্ৰদীপ হাজৰিকাৰ ওচৰত প্ৰাথমিক পৰ্যায়ৰ প্ৰশিক্ষণলৈ তেলিয়াল গাঁওস্থিত নিজ গৃহত মুখা শিল্পৰ কঠোৰ সংগ্ৰাম চলাই নিয়ে। আত্ম বিশ্বাস আৰু ছয় পৃষ্ঠাত চাওক

## শিল্পী কল্পনা কলিতালৈ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ আইদেউ সন্দিকৈ বঁটা



অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ১১ নৱেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতি যে ২০২১ৰ আইদেউ সন্দিকৈ বঁটা প্ৰবীণ কণ্ঠ, মঞ্চ আৰু চলচ্চিত্ৰ শিল্পী কল্পনা কলিতালৈ আগবঢ়োৱা হৈছে। আজি সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথ আৰু সম্পাদিকা ড° থুনু কলিতাই এক বিবৃত্তিত এই বিষয়ে ঘোষণা কৰিছে। উল্লেখ্য যে, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু নটসূৰ্য ফণী শৰ্মাৰ স'তে শিশু শিল্পী হিচাপে অভিনয় কৰিছিল এইগৰাকী তেজপুৰীয়া শিল্পী কলিতাই। ৰাজ্যখনৰ শিল্প-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা জীৱনজোৰা অৱদানৰ বাবে বিশিষ্ট অভিনেত্ৰী ছয় পৃষ্ঠাত চাওক

## বাৰেচহৰীয়া ভাওনাৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্য কৰা যুৱকে খুজিলে ক্ষমা

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ১১ নৱেম্বৰ ঃ** জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা কমিটীক মৌলবাদী শক্তিৰে পৰিপুষ্ট বুলি বিতৰ্কিত মন্তব্য কৰি জামুগুৰিহাটৰ ৰাইজৰ ৰোষত পৰা অৰূপ শইকীয়াই আজি তেওঁ কৰা ভুলৰ অনুশোচনা কৰি ৰাজহুৱাভাৱে ক্ষমা ভিক্ষা মাগে। দিনৰ দুই বজাত এই উদ্দেশ্যে জামুগুৰিহাটৰ বাপুজী ভৱনত বিভিন্ন দল-সংগঠনৰ উপস্থিতিত অনুষ্ঠিত সভাত শইকীয়াই জামুগুৰিয়া ৰাইজৰ আৱেগ-অনুভূতিত আঘাত হনা কাৰ্যৰ পৰা বিৰত থকাৰ প্ৰতিশ্ৰুতি আগবঢ়াই ক্ষমা ভিক্ষা মাগে। জামুগুৰিহাটৰ কুৰিৰো অধিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপস্থিতিত অনুষ্ঠিত ৰাজহুৱা সভাখনত সভাপতিত্ব কৰে প্ৰবীণ সমাজকৰ্মী বংশী বৰাই। উক্ত সভাত বিভিন্নজনে বক্তব্য আগবঢ়োৱাৰ অন্তত অৰূপ শইকীয়াই ছয় পৃষ্ঠাত চাওক


## চিৰাঙৰ বিজনীত মহিলাক ডেগাৰেৰে হানি হত্যা ঃ গ্ৰেপ্তাৰ

অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ১১ নৱেম্বৰ ঃ** চিৰাঙৰ বিজনী চহৰৰ নিকটৱৰ্তী দুই নম্বৰ ভেটাগাঁৱত এক হত্যাকাণ্ডৰ ঘটনা সংঘটিত হয়। আজি বিয়লি স্থানীয় ৰিংকু নাৰ্জাৰী নামৰ এজন যুৱকে অতৰ্কিতে ডেগাৰেৰে হানি হত্যা কৰে দুই নম্বৰ ভেটাগাঁও নিবাসী অনিমা সৰকাৰ (৪৮) নামৰ এগৰাকী মহিলাক। উক্ত ঘটনাৰ পাছতে মহিলাগৰাকীক ভেটাগাঁও সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। পাছত ঘটনাস্থলীত বিজনী থানাৰ আৰক্ষী উপস্থিত হৈ অভিযুক্ত ৰিংকুক গ্ৰেপ্তাৰ কৰে। হত্যাকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই। উক্ত ঘটনা সন্দৰ্ভত সদৌ বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনে উক্ত স্থানত থকা চুলাইৰ ঘাটিৰ পৰা কাজিয়াৰ সূত্ৰপাতত এনে হত্যাকাণ্ড হোৱা বুলি অভিযোগ উত্থাপন কৰে। এই সংক্ৰান্তত সংগঠনটোৱে ইতিপূৰ্বে আবকাৰী বিভাগত ছয় পৃষ্ঠাত চাওক

## দয়াং নৈত গা ধুবলৈ গৈ সলিল সমাধি ভ্ৰাতৃ-ভগ্নীৰ

অগ্ৰদূত বাৰ্তা
**ডংকামোকাম, ১১ নৱেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি থানাৰ অন্তৰ্গত ৰাতিজুৰৰ ছিলভেটাত আজি দিনৰ এক বজাত দুই ভ্ৰাতৃ-ভগ্নীৰ সলিল সমাধি ঘটে। জিলাখনৰ দয়াং নৈত ধুবলৈ গৈ পৱন কুমাৰ সিঙৰ পুত্ৰ ৰবি কুমাৰ সিং (১৪)ৰ লগত ভগ্নী আদিত্য কুমাৰীক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি খেৰণি আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও তেওঁৰ মৃত্যু হয়। উল্লেখ্য যে ষট্ পূজা উপলক্ষে গুৱাহাটীৰ পৰা ৰাতিজুৰৰ ছিলভেটাৰ মোমায়েকৰ ঘৰলৈ আহিছিল সিং পৰিয়ালটো।

## কুজীয়া নৈত সম্পন্ন হ'ল সমূহীয়া মাছ ধৰা পৰ্ব



অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ১১ নৱেম্বৰ ঃ** চিৰাং জিলাৰ বৈখুনগাঁৱৰ কুজীয়া নৈত আজি সম্পন্ন হ'ল সমূহীয়া মাছ ধৰা পৰ্ব। নৈখনৰ জলসিঞ্চন প্ৰকল্পৰ শ্লুইচ গেটৰ বান্ধ এৰাৰ পাছতে জাতি-বৰ্ণ নিৰ্বিশেষে সহস্ৰাধিক পুৰুষ-মহিলাই সমূহীয়াভাৱে মাছ ধৰে। উল্লেখ্য যে প্ৰতি বছৰৰ একোটা দিনত অঞ্চলটোত এই মাছ ধৰা পৰ্ব অনুষ্ঠিত হয়। প্ৰতি বছৰে ষট পূজাৰ ছয় পৃষ্ঠাত চাওক

## কাৰ্বি আংলঙত বন্দুকসহ গ্ৰেপ্তাৰ এক

বিশেষ সংবাদদাতা
**বকলীয়াঘাট, ১১ নৱেম্বৰ ঃ** অসম-নগালেণ্ড সীমান্তৱৰ্তী লাহৰীজানত আজি আৰক্ষীয়ে বন্দুকসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। বোকাজান মহকুমা আৰক্ষীয়ে সীমান্তৱৰ্তী লাহৰীজানত দুৰ্বৃত্তই বন্দুক বিক্ৰীৰ বাবে অনাৰ তথ্য লাভ কৰে। লাহৰীজান ছানডে বজাৰত অভিযান চলাই এটা এছ বি বি এল বন্দুকসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱকজন হাওৰাঘাট চাৰথে ৰংহাং গাঁৱৰ হেমাৰী ইংতি (৩৭) বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে বন্দুক বিক্ৰীৰ বাবে আহোতে কালিও জিলাখনৰ ডেনগাঁও বজাৰৰ পৰা আৰক্ষীয়ে বন্দুকসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰে।

## ভুৱা পৰিচয়েৰে বালিপৰাৰ যুৱতীক বিবাহ


**গ্ৰেপ্তাৰ অভয়াপুৰীৰ যুৱক**

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ১১ নৱেম্বৰ ঃ** শোণিতপুৰৰ চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত বালিপৰাৰ এগৰাকী যুৱতীক ভুৱা পৰিচয় প্ৰদান কৰি বিয়া পতা এক প্ৰৱঞ্চকক চাৰিদুৱাৰ আৰক্ষীয়ে কৌশলৰে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে নিজকে ৰাজু বৰা বুলি পৰিচয় দিয়া যুৱকজনে আনকি সেই ছয় পৃষ্ঠাত চাওক

■ প্ৰায় ১৯ হেজাৰ টকাৰ লগতে তীৰ খেলত ব্যৱহৃত সামগ্ৰী জব্দ

## নগাঁৱত পুনৰ গ্ৰেপ্তাৰ দুই তীৰ ব্যৱসায়ী

বিশেষ সংবাদদাতা
**নগাঁও, ১১ নৱেম্বৰ ঃ** নগাঁৱত আৰক্ষীৰ অভিযান অব্যাহত থাকিলেও বন্ধ কৰিব পৰা নাই তীৰ-জুৱা আদি অসামাজিক কাৰ্যকলাপ। যোৱা নিশা নগাঁও আৰক্ষীয়ে পুনৰ দুজন তীৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নগাঁও চহৰৰ হয়বৰগাঁও আৰক্ষী চকীৰ অন্তৰ্গত খুটিকটিয়াত যোৱা নিশা নগাঁৱৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাৰ নেতৃত্বত হয়বৰগাঁও আৰক্ষীৰ দল এটাই অভিযান চলায়। এই অভিযানতে আৰক্ষীয়ে সহদেৱ কলিতা আৰু হৰেন্দ্ৰ সূত্ৰধৰ নামৰ দুজন তীৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। তেওঁলোকৰ জিম্মাৰ পৰা আৰক্ষীয়ে নগদ ১৮ হেজাৰ নশ টকা আৰু তীৰ খেলত ব্যৱহৃত বিভিন্ন সামগ্ৰী জব্দ কৰে। উল্লেখ্য যে যোৱা ছয় নৱেম্বৰতো নগাঁও আৰক্ষীয়ে গবৈমাৰী আৰু নাৰমাৰীৰ পৰা ছয় পৃষ্ঠাত চাওক




■ ৰাজআলিৰ ভিৰত হেৰাল পুৰতি নিশাৰ টিলিঙা দিয়া গৰুগাড়ীখন

## ইতিহাসৰ পথত চহা খেতিয়কৰ বুকুৰ আপোন 'চৈ-ৰথ'



■ জয়ন্ত কুমাৰ শৰ্মা
**কলিয়াবৰ ১১ নৱেম্বৰ ঃ** গ্ৰাম্য জীৱনৰ 'চৈ ৰথ'খন আজি ইতিহাস হোৱাৰ পথত। আজিৰ ৰাজআলিৰ ভিৰত হেৰাইছে চহা খেতিয়কৰ বুকুৰ আপোন পুৱতি নিশাৰ নিস্তব্ধতা ভাঙি পথৰুৱা আলিৰে আগবঢ় টিলিঙা লগোৱা গৰুৰ গাড়ীখন। এয়া উত্তৰাধুনিকতাবাদৰ সময়। এতিয়া চৈ দিয়া গৰুগাড়ীখনত নাহে সপোনৰ কইনাজনী। কোনো সদাগৰে বনিজলৈ নিনিয়ে শিঙাল বলধহালে টালি নিয়া গাড়ীখন। গৰুৰ পিঠিত নবহে হালোৱা এছাৰিৰ সাৰোপ সাৰোপ কোব। এতিয়া আলিবাটত চলে ৰং-বিৰঙী বাহন। খেতিয়কৰ বুকুৰ আপোন ওখ ওখ লোহাৰ পাটি লগোৱা কাঠৰ চকাৰ মৰাপাটৰ ৰছীৰে নঙলা বন্ধা, শলমাৰি-যুঁৱলীৰ গৰুগাড়ীখন আজি বিলুপ্তিৰ পথত। আজিৰ গ্ৰাম্যপথত গৰুগাড়ীখন নচলে। পথৰুৱা আলিত নব'হে চকাত লগোৱা লোহাৰ পাটিৰ সাঁচ। ই যেন হেৰাই গ'ল গাঁৱৰ পথৰুৱা আলিটোৰ পৰা। আজি গৰুগাড়ী বিলুপ্তপ্ৰায়। এটা সময় আছিল, তেতিয়া গৰু গাড়ী অসমৰ গ্ৰাম্য জীৱনৰ বাবে কেৱল সম্পদেই নাছিল ই আছিল গৌৰৱৰ প্ৰতীকো। কিন্তু ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ২৫ কাতি ১৪২৮ ভাস্কৰাব্দ ১২ নৱেম্বৰ ২০২১



## অৱধাৰিত প্ৰক্ৰিয়া

সমাজৰ অগ্ৰগতিত পৰিৱৰ্তনৰ ভূমিকা যিদৰে অপৰিসীম, তেনেদৰেই মানুহৰ জীৱনতো পৰিৱৰ্তনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ; কিন্তু কিছু সংখ্যকে পৰিৱৰ্তনক স্বীকাৰ কৰি ল'ব নোখোজে। মানুহকে ধৰি সকলো প্ৰাণীৰেই শৈশৱ, কৈশোৰ, যৌৱন, বাৰ্ধক্য আদি অৱধাৰিত। গতিকে কোনোবাই চিৰকালেই যৌৱনত্ব অটুট ৰাখিব পাৰিব বুলি কোৱাটো মূৰ্খামি মাত্ৰ। আনহাতে, যিসকলে সময়ৰ পৰিৱৰ্তনৰ লগে লগে দৈহিক ৰূপান্তৰক হাঁহি মুখে আদৰি লয়, সেইসকলে মানসিক অশান্তি ভোগ কৰিব লগা নহয় আৰু সুখত দিন কটাব পাৰে। দৈহিক ৰূপান্তৰক অৱধাৰিত ভাবি লৈ যিমানে ইয়াক সহজভাৱে ল'ব জানে, তেওঁলোকেই বুধিয়ক, শান্তিপ্ৰয়াসী আৰু সুখী।

মানুহৰ জীৱনতেই যে এনে পৰিৱৰ্তন ঘটে, সি নহয়; সমাজ জীৱনৰো প্ৰতিটো খোজতেই ৰূপান্তৰ দেখিবলৈ পোৱা যায়। দৰাচলতে চিৰন্তন, চৰম সত্য, শাশ্বত বুলি কোনো কথা নাই। এসময়ৰ সত্যৰ ধাৰণা পৰৱৰ্তী কালত পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে ক'ব পাৰি যে এসময়ৰ স্বামীৰ মৃত্যুৰ পাছত চিতা জুইত জাহ যোৱাটোৱেই পৱিত্ৰ কৰ্ম হিচাপে বিবেচিত হৈছিল। তেনেদৰেই বাল্য বিবাহ অৱধাৰিত আছিল; কিন্তু এতিয়া সেইবোৰ পথেৰে যোৱাজনক কোনোবাই সত্য পথেৰে যোৱা বুলি ক'বনে? অস্পৃশ্যতা, জাতিভেদ আদিয়েই এসময়ত পৰম সত্য আছিল; কিন্তু আজি? সৌ সিদিনালৈকে ভ্ৰূণ হত্যাৰ দৰে কাৰ্য মহাপাপ আছিল; কিন্তু আজিৰ পৃথিৱীত তেনে ধাৰণা আছেনে? প্ৰকাশ্যে এতিয়া জন্ম নিৰোধক ব্যৱহাৰ কৰিবলৈ প্ৰচাৰ চলোৱা হৈছে। গতিকে সময়ৰ লগে লগে মানুহৰ ধ্যান-ধাৰণা, মূল্যবোধ আদিৰো পৰিৱৰ্তন ঘটিছে।

এই পৰিৱৰ্তনবোৰ সকলো সমাজতেই হোৱা দেখিবলৈ পোৱা যায়; কিন্তু কিছুমানৰ দৃষ্টিত পৰিৱৰ্তন অসহনীয়। তেওঁলোকৰ মতে অতীতৰ জীৱন ধাৰা এতিয়াও অব্যাহত থাকিব লাগে; কিন্তু কোনো সমাজতেই তেনে ধৰণৰ অপৰিৱৰ্তনীয় অৱস্থা দেখিবলৈ পোৱা নাযায়। এতিয়া আমাৰ জীৱনৰ এনে এটা দিশ আছেনে, যিটো অপৰিৱৰ্তিত হৈ আছে! ঢাৰি-পাটি-পিৰা এৰি এতিয়া চকী-মেজ ব্যৱহাৰ কৰিবলৈ লৈছো। খোজকাঢ়ি অথবা গৰু-গাড়ীৰে যোৱাৰ সলনি ৰেলগাড়ী, বিমানত পৰিভ্ৰমণ কৰিছো। এনেদৰেই খোৱা খাদ্যৰো আমূল পৰিৱৰ্তন ঘটিছে। পুৱাই এতিয়া চাহকাপ নহ'লে নচলে যদিও এশ বছৰমানৰ আগলৈকে চাহ খোৱাৰ কথা ভাবিবই পৰা নাছিল। আমাৰ জ্ঞাতে বা অজ্ঞাতে চাৰিওফালৰ সমাজখনত এই ধৰণৰ পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা গৈছে। আমাৰ সমাজখনতেই কেৱল নহয়, সকলো সমাজতেই এই ধৰণৰ পৰিৱৰ্তন ঘটিছে; কিন্তু এই পৰিৱৰ্তনকো সহ্য কৰিব নোৱাৰা এচাম আছে। তেওঁলোকৰ মতে, এই পৰিৱৰ্তনে আমাৰ ঐতিহ্যক শেষ কৰিব; কিন্তু ঐতিহ্যক ৰক্ষা কৰিবলৈ গৈ কোনোৱে গুহাবাসী হ'বলৈ নিবিচাৰে। এসময়ত গুহাৰ সলনি আমি খেৰৰ ঘৰ সাজিছিলো; কিন্তু এতিয়া সুযোগ পালে পকীঘৰো সাজো। পকীঘৰ যে পশ্চিমীয়া সভ্যতাই আমালৈ আনি দিছে, সেই কথা সঁচা নহয়। খ্ৰীষ্টপূৰ্ব কে'বা শতিকাৰো আগতে অজন্তা, ইলোৰাত নগৰীয়া সভ্যতাৰ নিদৰ্শন পোৱা যায়। পুৰ মানেই যিহেতু নগৰ, সেয়েহে প্ৰাগজ্যোতিপুৰতো সভ্যতাৰ চানেকী আছে। দ' পৰ্বতীয়াৰ ভাস্কৰ্যই প্ৰাচীন অসমৰ নগৰীয়া সভ্যতাকেই দাঙি ধৰে। ৰামায়ণৰ কালতেই অযোধ্যা নগৰৰ নিদৰ্শন পোৱা যায়। ব্ৰিটিছৰ আগমনৰ আগতেই কুটুবমিনাৰ, তাজমহল আদি নিৰ্মাণ কৰা হৈছিল। ভাৰতবৰ্ষৰ প্ৰতিখন সমাজৰেই ভিন ভিন খাদ্য সম্ভাৰ আছিল। ব্ৰিটিছৰ আগমনৰ পাছত কেতবোৰ ক্ষেত্ৰত আমাৰ যিদৰে পৰিৱৰ্তন ঘটিছে, ইংৰাজৰ সমাজতো ভালেখিনি পৰিৱৰ্তন ঘটা দেখা গৈছে। অসমৰ চাহ কাপৰ অবিহনে ইংৰাজ সমাজ এতিয়া এদিনৰ বাবেও চলিব নোৱৰা অৱস্থাত পৰিছে। সমাজে যিদৰে নতুনক আদৰি লৈছে, তেনেদৰেই অতীতৰ পৰম্পৰাৰ পম খেদিও মানুহ ধাৱমান হৈছে। মূৰকত দেখা যাব যে ন-পুৰণিৰ মাজত সংঘাত নাই; ইটো-আনটোৰ পৰিপূৰকহে; কিন্তু সময়ৰ পৰিৱৰ্তনক স্বীকাৰ কৰি ল'ব নোখোজাসকলে পদে পদে দুখ-যাতনা ভোগা দেখা যায়।


# বিনামূলীয়া খাদ্য আৰু কৰ্মসংস্কৃতিৰ বিপদ ঘন্টা

## চৰকাৰে সাহায্যবোৰ দিয়ক কৰ্মসংস্থান সৃষ্টিৰ বাবে



'**কৰ্মই** আমাৰ ধৰ্ম', 'কৰ্মই সফল জীৱনৰ ছাবি-কাঠি', 'মানুহৰ কৰ্মতহে অধিকাৰ, ফলাফল ওপৰৱজনাৰ হাতত'— কৰ্ম সম্পৰ্কীয় এনে বহুতো সোণসেৰীয়া বাণী আছে। কৰ্মৰ যোগেদিহে মানুহ (আৰু আন জীৱ) জীয়াই থাকিব পাৰে বুলি বহুকালৰ আগতেই মানুহে বুজি পাইছিল। বিজ্ঞানৰ মতে কৰ্মৰ সংজ্ঞা অৱশ্যে কিছু বেলেগ— এটা বলে কোনো বস্তুৰ ওপৰত ক্ৰিয়া কৰিলে যদি বস্তুটো স্থানান্তৰিত হয়, তেন্তে বলে কৰ্ম বা কাৰ্য কৰিছে বুলি কোৱা হয়। বৃহৎ শিল এটা ঠেলি লৰচৰ কৰিব নোৱৰা মানে কৰ্মশূন্য, শক্তি খৰচ অৱশ্যেই হ'ব। শাস্ত্ৰৰ ভাষাত কৰ্ম, অকৰ্ম, সকৰ্ম, বিকৰ্ম ধৰণৰ বহু ভাগ আছে। আনহাতে, বিজ্ঞানৰ ভাষাত 'দৰকাৰী', 'অদৰকাৰী' ধৰণৰ ভাগো আছে। শক্তি প্ৰয়োগ হ'লে তিনিটা ভাগত ভাগ হয়— দৰকাৰী, অদৰকাৰী আৰু অকাৰ্যকৰী শক্তি। শৰীৰৰ তেজ চলাচল এবিধ কৰ্ম, ৰসায়ন বিজ্ঞানৰ ভাষাত এয়া 'অদৰকাৰী'; কিন্তু জীৱ বিজ্ঞানৰ ভাষাত এয়া 'অতি দৰকাৰী' কৰ্ম। আধুনিক জগতত ভাল ফল পোৱা কৰ্মই সকলোতকৈ দৰকাৰী।

চাৰে তিনি হেজাৰ বছৰতকৈও অধিক পুৰণি যজুৰ্বেদত যোড়শ অধ্যায়ত অন্ততঃ ৫৮ বিধমান বিভিন্ন কৰ্ম বা বৃত্তিৰ কথা উল্লেখ কৰা হৈছে। তক্ষা (কাঠ মিস্ত্ৰি), কুম্ভকাৰ (কুমাৰ), কৰ্মকাৰ (কমাৰ), নিষাদ (চিকাৰী), শ্বপতি (কুকুৰ পালক), অশ্বপালক, ৰথ নিৰ্মাতা, ধনু নিৰ্মাতা আদি বৃত্তিধাৰীসকলৰ উল্লেখেৰে এইসকলক শ্ৰদ্ধাৰে যজমানে স্তুতি কৰিছে আৰু কৰ্মত প্ৰবৃত্ত হ'বলৈ সকলোকে আহ্বান জনাইছে। আৰম্ভণিতে চতুৰ্বৰ্ণৰ বিভাগ কৰা হৈছিল গুণ আৰু কৰ্মৰ আধাৰত। যিজনে যি কৰ্ম কৰাৰ যোগ্যতা আছে, সেইজনে সেই কৰ্ম কৰি তেনেদৰে বৰ্ণও লাভ কৰিব। মগজুৰ চৰ্চা কৰি বেদাধ্যয়ন, শাস্ত্ৰ ৰচনা, যাগ-যজ্ঞ, শিক্ষা প্ৰদান আদি কৰাৰ যাৰ ক্ষমতা আছে, তেওঁ সেই মতেই কৰ্ম কৰি ব্ৰাহ্মণ হ'ব। যিসকলৰ শাৰীৰিক শক্তি বেছি, যুদ্ধ কৰাৰ যাৰ ক্ষমতা আছে, তেওঁলোক ক্ষত্ৰিয় হ'ব যদিহে ৰাজ্য ৰক্ষাৰ কাম কৰে। এওঁলোকৰ মাজৰ যোগ্যজন ৰজাও হ'ব। সেইদৰে খেতি-বাতি, বিভিন্ন বৃত্তি, বণিজ আদি ক্ষমতানুসাৰে সেই কৰ্ম কৰাসকল বৈশ্য হ'ব। এই তিনিবিধ কাম কৰিব নোৱৰাসকলে তিনি বৰ্ণৰ সেৱা কৰি শূদ্ৰ হ'ব। এইবোৰ ক্ষেত্ৰত জাতিগত বৰ্ণৰ কথা নাছিল, পাছলৈ অৱশ্যে সুবিধা লাভ কৰাৰ বিষয়টো মুখ্য হ'ল, যাৰ ফলত বৰ্ণভেদ মানে জাতিভেদ বুজোৱা হ'ল, সমাজৰ মাজত মনোমালিন্য বাঢ়িল। এচামে আৰামত জীৱন যাপন কৰাৰ বিপৰীতে আন এচামে উদয়াস্ত শাৰীৰিক পৰিশ্ৰম কৰিও অৱহেলিত হৈ ৰ'ল। সামাজিক বৈষম্য অহাৰ বহু কাৰণৰ ভিতৰত কৰ্মৰ প্ৰতি অনীহা আৰু ইয়াৰ যোগেদি এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক ঠগি শোষণ কৰাৰ বাট মুকলি হোৱাও এটা। কমকৈ কাম কৰি বা একেবাৰে সুফলদায়ক কাম নকৰি অধিক সম্পদ গোটোৱাৰ মানসিকতাই দুৰ্নীতিৰ জন্ম দিলে। এনে দুৰ্নীতি আধুনিক কালৰহে ফচল বুলি ক'ব নোৱাৰি, প্ৰাচীন কালৰ একে ধৰণৰ দুৰ্নীতিৰ কথা পূৰ্বতে



**দৃষ্টিপাত**

**ড° খৰ্গেশ্বৰ ভূঞা**

লিখা হৈছিল। সৰল সিদ্ধান্তটো হ'ল আধুনিক কালত ভাৰতকে ধৰি বিভিন্ন দেশত ছানি ধৰা দুৰ্নীতিৰ আঁৰত আছে মানুহৰ কৰ্মবিমুখতা।

ইন্দ্ৰপ্ৰস্থত যুধিষ্ঠিৰ প্ৰথম ৰজা হোৱাৰ সময়ত নাৰদে আহি বুজাইছিল ৰাজ্যৰ সমৃদ্ধিৰ মুখ্য কাৰক হ'ল চতুৰ্বৰ্ণই নিজ নিজ কাম সততা আৰু সৰ্বশক্তিৰে সম্পন্ন কৰাটো। প্ৰজাক নিজৰ নিজৰ কামবোৰ কৰিবলৈ ৰজাই সুবিধা দিব লাগিব আৰু তেনে পৰিৱেশৰো সৃষ্টি কৰিব লাগিব। নাৰদৰ কথা হ'ল— কৃষি হৈছে ৰাজ্যৰ সমৃদ্ধিৰ মূল উৎস। অন্য ৰাজ্যৰ পৰা লুটি নিয়া ধনেৰে ৰাজভঁৰাল অৱশ্যেই সমৃদ্ধ কৰিব পাৰি, পিছে কম কষ্টতে পোৱা পৰৰ আৰ্জিত ধনবোৰে মানুহক কৰ্মবিমুখ কৰে। কৃষি-কাৰ্যৰ বাবে জলসিঞ্চন আৰু আন সুবিধা ৰজাই কৰিব লাগিব। বৈশ্যক বেহা-বেপাৰ কৰিবৰ বাবে যাতায়াতৰ সুচলতা, বাট-পথত ডকাইতৰ পৰা সুৰক্ষা, দীঘলীয়া পথত বিশ্ৰামৰ ব্যৱস্থা ইত্যাদিবোৰ ৰজাই কৰিব লাগিব। সেইদৰে ব্ৰাহ্মণকো যাগ-যজ্ঞ কৰিবলৈ সুবিধা দিব লাগিব, কাৰণ প্ৰাচীন কালত যাগ-যজ্ঞবোৰ ফলপ্ৰসূ বুলি ভবা হৈছিল।

সকলো ধৰ্মই দান-দক্ষিণাৰ ওপৰত গুৰুত্ব দিছিল। সমৰ্থৱানসকলে দুখীয়াক দান দি জীয়াই থকাৰ সুবিধা দিব লাগে। পিছে মানুহে দানৰ ওপৰত নিৰ্ভৰ নকৰি যিমান পাৰে কৰ্মৰ ওপৰতহে বিশ্বাস ৰাখিব লাগে। আহোম ৰজাই 'ধোদৰ আলি' নিৰ্মাণ কৰোৱাৰ কাহিনী বিখ্যাত। ৰজাই ধোদসকলক ভৰণ-পোষণ দিয়াৰ ব্যৱস্থা কৰিছিল। প্ৰথমে আচল ধোদে ৰেছন পাইছিল যদিও লাহে লাহে ধোদৰ সংখ্যা বাঢ়িবলৈ ধৰিলে, কাৰণ বিনা কামত খাবলৈ-পিন্ধিবলৈ পালে কষ্ট কৰাৰ কি দৰকাৰ! এসময়ত ভৰণ-পোষণ দিব লগা ধোদৰ সংখ্যা যথেষ্ট বেছি হৈ পৰিল। তেতিয়া ৰজাই আচল ধোদক বিচাৰি উলিয়াবলৈ সকলোকে এটা ঘৰৰ ভিতৰত সুমুৱাই জুই লগাই দিলে। দুজনৰ বাদে বাকী সকলো ধোদ দৌৰি-ঢাপৰি ঘৰৰ ভিতৰৰ পৰা ওলাই আহিল প্ৰাণৰ ভয়ত। জুই লগা ঘৰৰ পৰা ধোদ দুজন তেতিয়াও শুয়েই আছিল। গাত জুইৰ তাপ লগাত এজনে ক'লে— 'পি পু', আনজনে নিদ্ৰাজড়িত মাতেৰে উত্তৰ দিলে— 'সি শু'। এওঁলোক ইমানেই এলেহুৱা আছিল যে 'পিঠি পুৰিছে' আৰু 'সিকাতিকৈ শুই থাক' শব্দকেইটা সম্পূৰ্ণকৈ উচ্চাৰণ কৰাৰ এলাহত 'পি পু', 'সি শু' বুলিছে। ৰজাই বুজিলে— এই দুটাহে আচল ধোদ, বাকীখিনিয়ে বিনাকৰ্ম আৰু বিনামূলীয়াকৈ চাউল আৰু ভৰণ-পোষণ পাই 'ঘোঁৰা দেখি খোৰা হোৱা'ৰ দৰে ধোদ হৈছেহি। সেইসকলক ধৰি আনি ৰজাই এটা আলি বন্ধালে, সেইটোৰ নামেই হ'লগৈ 'ধোদৰ আলি'।

বিনামূলীয়াকৈ আৰু কৰ্ম নকৰাকৈ দিয়া ৰজাঘৰীয়া অনুদানে প্ৰজাক কেনেদৰে এলেহুৱা কৰি তোলে, সেয়া আহোমৰ স্বৰ্গদেউৰ ব্যৱহাৰিক পৰীক্ষাৰে প্ৰমাণ কৰিব পাৰি। 'সকলো আছিল, সকলো আছে' তথাপি দুখীয়া দেশৰ প্ৰায় নিম্নস্থানত থকা এখন বিদেশী ৰাষ্ট্ৰৰ উদাহৰণ লোৱা যাওক। উত্তৰ আমেৰিকাৰ উত্তৰ ফালে সাগৰৰ পাৰত থকা ভেনিজুৱেলা আছিল এসময়ৰ সমৃদ্ধ দেশ। প্ৰাকৃতিক সৌন্দৰ্য, মোটামুটিভাৱে উৰ্বৰ ভূমি, নদী আৰু আন জলাশয় থকা দেশখন কৰ্মী জনসাধাৰণে নিজৰ পৰিশ্ৰমেৰে ভালদৰেই গঢ়ি তুলিছিল। ১৯৪০ত দেশখনত খনিজ তেল আৱিষ্কৃত হোৱাৰ পাছত তেল ৰপ্তানি কৰা দেশ হিচাপে ভেনিজুৱেলাই আগশাৰীত স্থান পালে। পিছে হাতলৈ পইচা আহিলে এচাম মানুহ বেহিচাপী হোৱাৰ দৰে দেশখনৰো তেনে হ'ল। খাদ্য, যাতায়াত, চিকিৎসাকে ধৰি সকলোবোৰ বিনামূলীয়া কৰা হ'ল। চাকৰিয়ালসকলে সকলো ধৰণৰ অতিৰিক্ত সুবিধা পালে, কৰ-কাটলৰ ব্যৱস্থা নোহোৱা হ'ল। খনিজ তেলৰ ধনেৰে চহকী হোৱা চৰকাৰে ৰাইজক বিনামূলীয়াকৈ সকলো দিয়াত নাগৰিকসকল লাহে লাহে অকৰ্মণ্য হৈ পৰিল। খেতি-বাতি আৰু অন্য সকলো ধৰণৰ কষ্টকৰ কাম কোনোৱে নকৰা হ'ল। ঘৰুৱা উৎপাদন বুলিবলৈ একো নাইকিয়া হ'ল। হঠাতে আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য বেছিকৈ কমি যোৱাত দেশখনৰ অৰ্থনীতি দ্ৰুতভাৱে শোচনীয় হৈ পৰিল। ভূতৰ ওপৰত দানহ পৰাদি কৰ'না মহামাৰীয়েও অৰ্থনীতিত বেয়াকৈ আঘাত হানিলে। থোৰতে ক'বলৈ হ'লে কুৰি বছৰমানতে এখন সমৃদ্ধিশালী দেশ ভিক্ষাৰীলৈ পৰিণত হ'ল। দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোকৰ শতাংশ প্ৰায় ৭৭ হ'ল, অৰ্থাৎ ২.৯ কোটিমান জনসংখ্যাৰ দেশখনৰ ২.২ কোটিমান মানুহৰেই খাবলৈ নোপোৱা অৱস্থা। বাকীখিনিৰো বেছিভাগেই যেনে-তেনে চলি থকাহে। হিংসা, দ্বেষ, ব্যভিচাৰ, চুৰি-ডকাইতি আদি ভৰি পৰিল; পৰ্যটন ব্যৱস্থাও ভাঙি পৰিল। দেশৰ শোচনীয় অৱস্থাৰ কে'বাটাও কাৰকৰ কথা অৰ্থনীতিবিদসকলে বিশ্লেষণ কৰিছে যদিও বিনামূলীয়া সামগ্ৰী আৰু সা-সুবিধাৰ যোগানে মানুহক অকৰ্মণ্য কৰি পেলোৱাই হৈছে মূল কাৰণ।

ইয়াৰ বিপৰীতে 'কৰ্মই ধৰ্ম' কৰি উন্নতিৰ শিখৰলৈ আগবঢ়াৰ আন এটা

> **সকলো ধৰ্মই দান-দক্ষিণশৰ ওপৰত গুৰুত্ব দিছিল। সমৰ্থৱানসকলে দুখীয়াক দান দি জীয়াই থকাৰ সুবিধা দিব লাগে। পিছে মানুহে দানৰ ওপৰত নিৰ্ভৰ নকৰি যিমান পাৰে কৰ্মৰ ওপৰতহে বিশ্বাস ৰাখিব লাগে।**

উদাহৰণ লোৱা যাওক। দ্বিতীয় মহাযুদ্ধত জাপানৰ নাগাচাকি আৰু হিৰোচিমা নগৰত 'ফেটমেন' আৰু 'লিট্‌ল বয়' নামৰ পাৰমাণৱিক বোমা পতন হোৱাৰ ফলত লাখৰো অধিক মানুহৰ মৃত্যু হোৱাৰ লগতে বহু লাখ পংগু হ'ল। সেই সময়ত হোৱা খাদ্যৰ নাটনিৰ জোৰা মাৰিবলৈ বিদেশৰ পৰা খাদ্য আমদানি কৰাৰ দাবী উঠিল। পিছে চৰকাৰ আঁকোৰগোজ, দেশৰ জনতাৰ খাদ্য দেশে নিজেই উৎপাদন কৰিব লাগিব। জাপানৰ ৰাইজৰো আত্মসন্মানবোধ প্ৰবল। পৰৰ উৎপাদনেৰে পেট পূৰণ কৰাতকৈ মৃত্যুৱেই শ্ৰেয়। আনটো বিকল্প হ'ল পংগু দেহাৰেই খাদ্য উপাৰ্জন কৰিব লাগিব, ৰাইজে সেইটো বিকল্পকে বাছি ল'লে। সোনকালেই খাদ্যবস্তুৰ ক্ষেত্ৰত দেশখন স্বনিৰ্ভৰশীল হোৱাৰ লগতে বিদেশলৈও ৰপ্তানি কৰিব পৰা হ'লগৈ। দ্বিতীয় মহাসমৰত বিধ্বস্ত হোৱা জাপান আৰু জাৰ্মানী (এইখন প্ৰথম মহাসমৰতো বিধ্বস্ত হৈছিল) কিছু বছৰৰ ভিতৰতেই আত্মনিৰ্ভৰশীল হৈ উঠিল। চৰকাৰ জনতাৰেই হ'লেও এইবোৰ দেশৰ জনতাই চৰকাৰে এনেয়ে বস্তু লোৱাৰ অভ্যাস নকৰে। জাপানৰ ক্ষেত্ৰত আত্মসন্মান (বিশেষকৈ পৰনিৰ্ভৰশীল হোৱাতকৈ) বিসৰ্জন দিয়াতকৈ মৃত্যুৱেই শ্ৰেয় বুলি ভাবে।

বাতৰিত প্ৰকাশ পোৱা মতে ক'ভিডৰ সময়ত ভাৰত চৰকাৰে যোগান ধৰা বিনামূলীয়া চাউল বন্ধ হ'ব। ওপৰৰ আলোচনাখিনিৰ পৰিপ্ৰেক্ষিতত ক'ব লাগিব যে সিদ্ধান্তটো ভাল হৈছে। অসমত আগৰে পৰা ৫/২/১ টকাত চাউল দিয়া চলি আছিল। বানপানীৰ সময়তো দিয়ে। মাজতে এনেকুৱা মানুহো লগ পোৱা গৈছিল, যিসকলৰ ঘৰত বিনামূলীয়া চাউলৰ উভৈনদী হৈছিল, বেছিভাগ বিক্ৰীও কৰা হৈছিল। বিদেশৰ সকলো ভাল আৰু আমাৰ দেশৰবোৰ বেয়া, তেনে কথা হ'ব নোৱাৰে। সেইদৰে জাপানত বোমা বিস্ফোৰণৰ পাছত পংগু লোকেও খেতি-বাতিত লগাৰ দৰে অসমৰ মানুহৰ পৰা প্ৰাকৃতিক দুৰ্যোগৰ (যেনে বানপানীৰ সময়ত) বলি হৈ খেতি কৰাৰ আশা কৰিব নোৱাৰিলেও হকে-বিহকে চৰকাৰী সা-সুবিধাবোৰ নোলোৱাৰ মানসিকতা আৰু বিনা পৰিশ্ৰমে ফল আশা নকৰাৰ আত্মসন্মানবোধখিনি থকাৰ দৰকাৰ। ভোটৰ স্বাৰ্থতেই হওক বা জনপ্ৰিয়তাৰ আশাতেই হওক, চৰকাৰে বিভিন্ন অনুদানৰ পোহাৰ মেলিছে। এইবোৰ ব্যৱস্থাই অসমীয়াক বিশেষভাৱে কৰ্মবিমুখ কৰি তোলাটো ইতিমধ্যেই প্ৰকট হৈ পৰিছে। এনে ব্যৱস্থা দীৰ্ঘকালৰ বাবে চলিলে অসমখন ভেনিজুৱেলা হোৱাটো চাবলৈ বেছি অপেক্ষা কৰিব নালাগে। এই ক্ষেত্ৰত অৱশ্যে পাৰ্থক্য এটা আছে। অসমৰ এচাম লোক কৰ্মবিমুখ হৈ পৰমুখাপেক্ষী হৈছে আৰু পৈতৃক মাটি-বাৰীবোৰ বহিৰাগত তথা কৰ্মীসকলক বিক্ৰী কৰি আত্মধ্বংসৰ ফালে আগবাঢ়িছে। অসমতেই আন এচামে সকলোবোৰ হস্তগত কৰি এদনীয়া ৰাজত্বৰ ফালে গতি কৰিছে। ভগৱান বিশ্বাসীসকলৰ মতে সুকৰ্ম কৰাসকলৰ প্ৰতি ভগৱানেও চকু মেলি চায়। একে ধৰণে চৰকাৰেও কৰ্মী আৰু বণিক গোষ্ঠীৰ প্ৰতি কৃপা দৃষ্টি দিয়াৰ বাবে বিনামূলীয়া সামগ্ৰী যোগানেৰে অকৰ্মণ্য আৰু ধোদ কৰি পেলোৱা চামৰ ধ্বংস অনিবাৰ্য হৈ পৰিছে।

চৰকাৰে সাহায্যবোৰ দিয়ক কৰ্মসংস্থান সৃষ্টিৰ বাবে। এইবোৰ সৃষ্টিৰ উপায় বিশেষজ্ঞসকলে দিয়েই আছে, চৰকাৰে কামত লগোৱাটোহে কথা।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*

## বৃদ্ধাশ্ৰম আৰু বৃদ্ধৰ জীৱন গাথা

**যান্ত্ৰিক** জীৱনশৈলীৰ ব্যতিব্যস্ততাত তিল তিলকৈ মৃত্যু ঘটিব ধৰিছে তেজ-মঙহৰ সম্পৰ্ক,সম্বন্ধ আৰু সমবেদনাবোৰ। ভৌতিক সুখ আৰু ব্যক্তিগত স্বাচ্ছন্দ্যৰ লোভত বৰ্তমান সৰহ সংখ্যক মানুহ মগ্ন হৈ পৰিছে। মানুহ ধাৱমান হৈছে এক অলীক সপোন পূৰণৰ আশাত। সততা আৰু বিশ্বাসহে সমাজৰ বান্ধোন। দুয়োটাৰে যেন অপমৃত্যু ঘটি আছে। তাৰেই উদাহৰণ দিবলৈ গৈ গুৱাহাটীৰ চন্দন নগৰৰ বৃদ্ধ দম্পতীৰ নৃশংস হত্যাকাণ্ডৰ ঘটনাটো উল্লেখ কৰিলো, যিটো শুনিলেই কঁপাই তুলিব আপোনাৰো হৃদয়। মানুহৰ চিৰন্তন বিশ্বাস, আত্মীয়তা আৰু মানৱতাক পদাঘাত কৰি যোৱা ২৬ অক্টোবৰত কেৱল ধন-সোণ আৰু সম্পত্তিৰ লালসাতে এই হত্যাকাণ্ড সংঘটিত কৰিছে এজন বিশ্বাসঘাতকে। মহানগৰ আৰক্ষী আৰু ক্ৰাইম ব্ৰাঞ্চে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে আকাশ চৌধুৰীক যিজনে প্ৰায় ১৮ বছৰ ধৰি নিহত দম্পতীৰ পৰিচৰ্যাকাৰী হিচাপে নিয়োজিত হৈছিল। মানুহৰ লগত জীৱ-জন্তু থাকিলেও এটা সময়ত মালিকৰ প্ৰতি মৰম তথা শ্ৰদ্ধা দেখুৱায়। সেই মানুহ ইমান নিষ্ঠুৰ কেনেকৈ হ'ব পাৰে?

এই পৃথিৱীৰ পৰা বিশ্বাস নাইকিয়া হ'ল নেকি? বিশ্বাসক মানুহেই হত্যা কৰিলে কেনেকৈ বৰ্তি থাকিব সমাজখন? বিশ্বাসক সাৰথি কৰি মানুহৰ স'তে মানুহৰ সম্পৰ্ক গঢ়ি উঠে। এই বিশ্বাসৰ ওপৰতে বৰ্তি থাকে সামাজিক বান্ধোন। বাৰ্ধক্য সকলোৰে বাবে অনাকাংক্ষিত; কিন্তু অপৰিহাৰ্য্য। বাৰ্ধক্য জীৱনৰ সন্ধিয়া পৰত প্ৰকৃতিয়ে দিয়া শেষ উপহাৰ। জীৱনৰ জমা-খৰচৰ হিচাপ-নিকাচ কৰি থাকোতেই কেতিয়ানো বাৰ্ধক্যই জুমুৰি ধৰেহি আমিচোন গমেই নাপাওঁ। বাৰ্ধক্যক সহনশীল আৰু সুন্দৰ কৰি তোলাৰ দায়িত্ব সমাজৰ।



দুই কান্ধত উঠাই তীৰ্থ ভ্ৰমণ কৰোৱা শ্ৰৱণ কুমাৰৰ দেশত মানৱতাৰ অপমৃত্যু ঘটি আছে, যিটো খুবেই দুৰ্ভাগ্যজনক। এখন আধুনিক সভ্য পৃথিৱীত বাৰ্ধক্য এক ব্যক্তিগত বা পাৰিবাৰিক সমস্যা নহয়, ই এক সামাজিক সমস্যাহে। দেশৰ বয়োজ্যেষ্ঠ নাগৰিকৰ হিতৰ বাবে তেওঁলোকৰ সুৰক্ষাৰ বাবে ২০০৭তে কেন্দ্ৰীয় চৰকাৰে পিতৃ-মাতৃ আৰু জ্যেষ্ঠজনৰ ভৰণ পোষণ বিধেয়ক গ্ৰহণ কৰিছে। এই আইনৰ অধীনত বয়োজ্যেষ্ঠসকলক ভৰণ পোষণৰ দায়িত্ব লোৱাটো আৰু তেওঁলোকৰ সেৱা শুশ্ৰূষা আৰু পৰিচৰ্যা কৰাটো প্ৰত্যেক সন্তানৰ বাবে বাধ্যতামূলক।

নিঃসংগ বাৰ্ধক্যৰ সমস্যাটোৱে সমাজখনত ভয়াবহ ৰূপ লৈছে। বহুতৰে সন্তান-সন্ততি লগত নাথাকে। জীৱিকাৰ বাবে তেওঁলোকে দূৰ-দূৰণিত থাকিবলগীয়া হয়। বৃদ্ধ মাক-বাপেকক বহুতে লগত লৈ যাওঁ বুলিও লৈ যাব নোৱাৰে। কাৰণ, বৃদ্ধাৱস্থাত তেওঁলোকে নিজৰ ঘৰখন এৰি যাব নিবিচাৰে। অথচ, বাৰ্ধক্যত উপনীত মানুহে মৃত্যুতকৈয়ো অধিক ভয় কৰে বাৰ্ধক্যৰ যন্ত্ৰণাত। অতি নিৰ্দয়ভাৱে বাৰ্ধক্যই তেওঁলোকৰ পৰা কাঢ়ি লৈ যায় স্বাধীনতা, শাৰীৰিক আৰু মানসিক শক্তি আৰু শান্তি। এক কথাত কাঢ়ি লৈ যায় এটা এটাকৈ অংগ-প্ৰত্যংগৰ শক্তি। মানসিক চাপত বহুতেই হেৰুৱাবলগীয়া হয় স্মৃতি শক্তি।

বৃদ্ধাৱস্থাত আপোনজন কাষত নাথাকিলে তেওঁৰ দুৰাৱস্থাৰ কথা কৈ শেষ কৰিব নোৱাৰি। আকৌ বিশ্বাস কৰো বুলিও কৰেনো কাক? কাৰ ভৰষাত এৰি থৈ যাব বৃদ্ধ পিতৃ-মাতৃক। এইবোৰ ঘটনা দেখি ভাবিবলৈ বাধ্য হৈছো যে বৃদ্ধাশ্ৰম বৃদ্ধসকলৰ বাবে উত্তম আশ্ৰয়স্থল। অন্তত তেওঁলোকে লগে-ভাগে থাকি ইজনে সিজনৰ দুখ-শোক পতিয়াব পাৰিব। আশ্ৰমত তেওঁলোকক চোৱা-চিতাৰ বাবেও মানুহ আছে। ঘৰত অকলে থকাতকৈ, মনৰ শোক-দুখ মনতে চেপি ধৰি ৰখাতকৈ একেলগে থকাটোকে ময়ো সমৰ্থন কৰো। সমাজখনৰ প্ৰতি প্ৰত্যেকৰে এটি দায়িত্ব আছে। প্ৰতিজন মানুহকে এটা যন্ত্ৰণাহীন, সন্তুষ্টি আৰু আৰামদায়ক মৃত্যুৰ অভিমুখে আগবঢ়াই লৈ যোৱাটো আৰু অপঘাত মৃত্যুৰ পৰা বচাই ৰখাটো এখন সভ্য সমাজৰ নৈতিক দায়িত্ব। বাৰ্ধক্য স্বাভাৱিক সমস্যাতকৈ অধিক ভয়াবহ হৈ উঠিছে, সেই কথা যেন চন্দন নগৰৰ ঘটনাটোৱে আমাক দেখুৱাই দিলে।

**ৰমিছা বেগম**

*ফোন ঃ ৮৬৩৮১৪৬৫৪৬*

## কেৱল বয়সৰ জোৰতে সমাজৰ পৰা হক বিচৰা উচিতনে?

**অভিমত**

'**দৈনিক** অগ্ৰদূত'ৰ ন নৱেম্বৰ সংখ্যাৰ নিয়মীয়া স্তম্ভ 'সপোন-কল্পনা-বাস্তৱ'ত সঞ্জীৱ সভাপণ্ডিতে শেহতীয়াকৈ গুৱাহাটীত ঘটা বৃদ্ধ দম্পতী ননীগোপাল বৰুৱা আৰু মীনা বৰুৱাৰ হত্যা সম্পৰ্কত যি অন্তৰ্দৃষ্টি আলোকপাত কৰি আমালৈ লেখনি আগবঢ়াইছে আমি পঢ়ি তৌবা তৌবা মানিছো। এনে দৃষ্টিভংগী তেওঁৰ পৰাহে সম্ভৱ।

লেখাটিৰ দুটামান বাক্য পুনৰ উল্লেখ কৰিছোঁ। 'সমাজৰ কাৰণে একো নকৰাকৈ, কেৱল বয়সৰ জোৰতে সমাজৰ পৰা পূৰা হক বিচৰাৰ কোনো যুক্তিযুক্ততা নাই। বয়সৰ দোহাই দি কাৰো পৰা মৰম, শ্ৰদ্ধা আদায় কৰিব নোৱাৰি। কৰ্ম জীৱন কালৰে পৰা সমাজৰ হিতৰ কাৰণে সুদূৰপ্ৰসাৰী আৰু গুণগত কাম নকৰা মানুহে বাৰ্দ্ধক্যকালত সমাজৰ পৰা ভাল ব্যৱহাৰ পাবলৈ আশা নকৰাই ভাল' ইত্যাদি।

আমিও লক্ষ্য কৰোঁ, অন্ততঃ চৰকাৰী চাকৰি জীৱনৰ পৰা অৱসৰ পোৱাৰ লগে লগে অৱসৰীসকলে ভাবে গোটেই পৃথিৱীখন সত্যযুগৰ দৰে হওঁক, আন মানুহ বা কৰ্মচাৰীসকল ধৰ্ম যুধিষ্ঠিৰৰ দৰে হওঁক, অন্ততঃ তেওঁৰ পেঞ্চন সম্পৰ্কীয় কাম-কাজেই এপইচা ক'তো নিদিয়াকৈ তড়িৎগতিৰে নিয়াৰিকৈ ওলাই আহক। কিন্তু তুমি তোমাৰ কাৰ্যকালত আন নাগৰিকৰ কাম নিয়াৰিকৈ কৰিছিলানে? ভু ল'লে গম পাব লঘিষ্ঠ কেইজনমানৰ বাদে গৰিষ্ঠ সংখ্যকৰ এই ক্ষেত্ৰত মনোভাৱ। সেয়ে আমাৰ আয়ে কৈ থকাৰ দৰে— লোকে যি কৰিলে তুমি ভালপোৱা লোককো কৰিবা সেই। নিজৰখিনি বেয়াকৈ কৰি লোকৰ পৰা ভাল কিয় আশা কৰা?

**দেৱেন শইকীয়া,** মৰিকলং, নগাঁও

ফোন ঃ ৯৪৩৫২ ০৯৮৮২

## বিদ্যালয় পৰিচালনাত ৬৫ বছৰ সময়সীমা

**যোৱা** ২৭ অক্টোবৰৰ 'দৈনিক অগ্ৰদূত'ৰ প্ৰথম পৃষ্ঠাত বিশিষ্ট সাহিত্যিক, সমালোচক, গৱেষক, ড° দয়ানন্দ পাঠকৰ লেখাটো পঢ়ি ভাল লাগিল। আৰু এই সন্দৰ্ভত আমিও দুষাৰ লিখিবলৈ ল'লো। পাঠকে কোৱাৰ লেখিয়াকৈ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতি অৰ্থাৎ এছ এম ডি চি হেনো চৰকাৰে গঠন কৰি দিয়ে। চৰকাৰৰ দৃষ্টিভংগী এই ক্ষেত্ৰত সঁচাকৈ ইতিবাচক যদিও সম্পাদক যিহেতু বিদ্যালয় প্ৰধান বা অধ্যক্ষজন হয় ইয়াত আমাৰ ক'বলগীয়া নাই; কিন্তু সভাপতি, উপ-সভাপতি সমন্বিতে পূৰ্ণাংগ সমিতিখন চৰকাৰে নিৰ্ধাৰণ কৰা নীতি-নিয়ম অনুসৰি বিদ্যালয়ৰ অন্তৰ্গত গাঁওবাসীৰ বা অঞ্চলবাসীৰ বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত ৰাজহুৱা সভাৰ দ্বাৰা নিৰ্বাচন কৰিবলৈ চৰকাৰে অনুমতি প্ৰদান কৰিলে বিদ্যালয়ৰ বিকাশ সাধনৰ ক্ষেত্ৰত ইতিবাচক ফলাফল অৰ্জন হ'লহেঁতেন বুলি বিদ্যালয় হিতাকাংক্ষীসকলে অভিমত ব্যক্ত কৰিছে। তদুপৰি সমিতিখনত অভিভাৱক সদস্য প্ৰতিনিধি, শিক্ষক সদস্য প্ৰতিনিধিৰ, উপৰি যিহেতু ৰাইজৰ যৎপৰোনাস্তি প্ৰচেষ্টাত ঠন ধৰি উঠা অনুষ্ঠান, উক্ত অনুষ্ঠানৰ স'তে স্বাভাৱিকতে ৰাইজৰ আন্তৰিকতা নিবিড়ভাৱে সাঙোৰ খাই থকাটোৰ প্ৰতি লক্ষ্যৰে ৰাইজৰ মাজৰ পৰাও তিনিজন বা পাঁচজন সদস্য প্ৰতিনিধি অন্তৰ্ভুক্ত হ'ব লাগিছিল। কিন্তু সেইটো হৈ উঠা দেখা নগ'ল। আনফালে এছ এম ডি চিৰ সভাপতি বা উপ-সভাপতিৰ ক্ষেত্ৰত চৰকাৰে কিয় বয়সৰ সীমা ৬৫ বছৰ থিৰাং কৰিলে আমি জ্ঞাত হ'ব নোৱাৰিলো। এই নীতি-নিয়মে দক্ষ ব্যক্তিক সভাপতি পদত নিয়োগৰ ক্ষেত্ৰত ৰাইজক অসুবিধাত পেলাইছে। ড° পাঠকে কোৱাৰ দৰে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ পৰিচালনা সমিতিৰ ক্ষেত্ৰত বয়সৰ সীমা নিৰ্ধাৰণ কৰা হোৱা নাই, কিন্তু উচ্চ মাধ্যমিক বা উচ্চতৰ মাধ্যমিক বিদ্যালয় সমিতি গঠনৰ ক্ষেত্ৰত কিয় বয়সৰ সময়সীমা নিৰ্ধাৰণ কৰা হ'ল আমি নাজানিলো। সাধাৰণতে শৈক্ষিক পৰিৱেশৰ পৰা যথেষ্ট অভিজ্ঞতা বা পৰিপক্কতা অৰ্জন কৰা ব্যক্তিক এছ এম ডি চিৰ সভাপতি পদত অধিষ্ঠিত কৰিব পাৰিলে বিদ্যালয়ৰ সৰ্বতো দিশতে উত্তৰণ সাধন হ'ব বুলি ৰাইজে উপলব্ধি কৰিছে। জ্ঞান-গৰিমা আৰ্জিত বিশিষ্ট শিক্ষাবিদসকল বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে সাধাৰণতে ৬৫ বছৰ বয়সত। গতিকে শৈক্ষিক পৰিৱেশ অৰ্থাৎ বিদ্যালয়ৰ সুদক্ষ পৰিচালক শিক্ষক শিল্পী হিচাপে নিয়োগ কৰিবলৈ উক্ত ব্যক্তিসৰক ৰাইজে সুবিধা প্ৰদান কৰিব নোৱাৰে। সেয়েহে চৰকাৰে উক্ত বিষয় সন্দৰ্ভত চিন্তা-চৰ্চা কৰি সম্প্ৰতি প্ৰচলিত নীতি বিবেচনা কৰিব বুলি আমি আশা কৰিলো।

**কিৰণ চন্দ্ৰ দাস**


অভয়পুৰ, গেৰুৱা

### ঘোষণা

জীৱন কালতে কিংবদন্তিত পৰিণত হোৱা পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ জীৱনৰ বহু নজনা কথা কাইলৈ প্ৰকাশ পাব 'দৈনিক অগ্ৰদূত'ৰ বিশেষ পৃষ্ঠাত। যুগজয়ী এই মহান সাহিত্যিকগৰাকীৰ ওপৰত আলোকপাত কৰি লিখিছে তেওঁৰ জীয়ৰী অহল্যা গগৈয়ে।

**খোলা মঞ্চ**

## অসমীয়াৰ বৰ্ণাঢ্য সাজ-পাৰবোৰ হেৰাই যাব নেকি?




**একোটা** জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত কাৰিকৰী দক্ষতা আৰু শিল্প চেতনাৰ প্ৰকাশ ঘটে বস্তুগত সমল ঘৰ-বাৰী, সা-সঁজুলি, আ-অলংকাৰ আৰু সাজ-পোছাকৰ জৰিয়তে। সমলসমূহত ব্যৱহৃত নিজ নিজ বৈশিষ্ট্যপূৰ্ণ আৰ্হি আৰু কলাগত কৌশলে একোটা জাতি-জনগোষ্ঠীৰ পৰিচয়ো বহন কৰে। অসমৰ পৰ্বতে-ভৈয়ামে বাস কৰা বিভিন্ন জাতি জনগোষ্ঠীৰ সুকীয়া পৰম্পৰাৰ কলাগত আৰ্হিৰে তৈয়াৰ কৰা বস্তুগত সমল সাজ-পোছাকে লোক জীৱনত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। অসমীয়া নাৰীয়ে পৰিধান কৰা জাতীয় সাজ মেখেলা-চাদৰৰ কাৰিকৰী দিশ অত্যন্ত সুন্দৰ আকৰ্ষণীয় আৰু স্বকীয় আৰ্হিৰ বাবে ই বিখ্যাত। অসমৰ শুৱালকুছিত তৈয়াৰ কৰা পাট-মুগাৰ কাপোৰ অসমীয়া নাৰীৰ বিবাহ অনুষ্ঠানত পৰিধান কৰা এক অনন্য সুন্দৰ পোছাক। ইয়াৰ কলাগত আৰ্হিয়ে পিন্ধোতা মহিল াগৰাকীক দূৰৈৰ পৰা ৰং-বিৰঙৰ বুটা বছা পখিলা এজনীৰ দৰে দেখি। আধুনিক জীৱন ধাৰণৰ লগত খাপ খুৱাই সকলোৱে পিন্ধিব পৰাকৈ বিভিন্ন আকৰ্ষণীয় ডিজাইনেৰে তৈয়াৰ কৰা মেখেলা চাদৰ বৰ্তমান বজাৰত সহজতে পাব পৰা হৈছে। জাতীয় উৎসৱ বিহুত বিহুৱতীয়ে মুগাৰ সাজ পৰিধান কৰি ঢোলৰ ছেৱে ছেৱে নাচ নচাতো এক প্ৰকাৰ পৰম্পৰা আছিল যদিও বৰ্তমান ইয়াৰ অত্যধিক মূল্যবৃদ্ধি আৰু উৎপাদন কৰা কেঁচা সামগ্ৰীৰ উৎপাদন হ্ৰাসৰ বাবে চাহিদা অনুপাতে উপলব্ধ কম হোৱাত মুগাৰ সাজপাৰৰ সলনি অন্য মেখেলা চাদৰ পিন্ধিয়েই বিহুৱতীয়ে বিহুনাচ নাচে। পাট-মুগাৰ উপৰি অসমীয়া শিপিনীয়ে তাঁতশালত বৈ লোৱা কপাহী মেখেলা চাদৰ অসমীয়া মহিলাই দৈনন্দিন জীৱনৰ সাজপাৰ হিচাপে ব্যৱহাৰ কৰে। ৰাজহুৱা বা ঘৰুৱা বিভিন্ন ধৰ্মীয় অনুষ্ঠানত আইসকলে জাতীয় সাজ মেখেলা চাদৰ, পুৰুষসকলে চুৰীয়া কামিজ (চোলা) গামোচা পৰিধান কৰে। গামোচা সন্মান আৰু ভালপোৱাৰ প্ৰতীক। সন্মান, ভালপোৱা আৰু জাতীয় জীৱনৰ পৰিচয় বহন কৰা থলুৱাভাৱে তাঁতশালত তৈয়াৰ কৰা অসমীয়া জাতীয় সাজপাৰে জাতীয় জীৱনৰ অৰ্থনীতিতো অৰিহণা যোগাই আহিছে। স্বকীয় প্ৰতিভাৰে স্ব-নিয়োজনেৰে কৰ্ম সংস্কৃতিত জড়িত হোৱাৰ বাবে এই শিল্প এটা উত্তম মাধ্যম। সকলো দিশতে সম্ভাৱনাৰে উজ্জ্বল অসমীয়াৰ বৰ্ণাঢ্য সাজপাৰ পৰিধানত কিন্তু বৰ্তমান অসমীয়া সমাজত সীমাবদ্ধ ৰূপ এটাহে জিলিকি উঠিছে। ধৰ্মীয় অনুষ্ঠান বা জাতীয় অনুষ্ঠান উৎসৱ পাৰ্বণ (তাতো বিতৰ্ক সৃষ্টিৰে) আদিত পৰিধান কৰাত সীমাবদ্ধ ৰূপ লৈছে। আধুনিকতাৰ পৰশ লাগি অন্যান্য পোছাকৰ প্ৰতি বাঢ়ি অহা আকৰ্ষণৰ বাবে জাতীয় পোছাকযোৰ অসমীয়া মহিলা আৰু পুৰুষৰ বাবে এক প্ৰকাৰ অৱহেলাৰ সমল হৈছে। বহুত ক্ষেত্ৰত ব্যস্ত কৰ্মসূচীৰ বাবে পিন্ধাৰ অসুবিধা দেখুৱাই অসমীয়া পুৰুষ-মহিলাই জাতীয় পোছাকযোৰ পাহৰি পেলাইছে। আমাৰ সাজপাৰৰ আৰ্হি অন্য ৰাজ্যই নকল কৰি তৈয়াৰ কৰাৰ ফলত ইয়াৰ মান হ্ৰাস পাইছে আৰু জাতীয় সাজপাৰৰ প্ৰতি ভাবুকি স্বৰূপ হৈছে।

জাতীয়তাবোধ অসমীয়া জাতিৰ মনৰ পৰা অসচেতনভাৱে হ্ৰাস পাবলৈ ধৰিছে। ই পৰিৱেশ পৰিস্থিতিৰ দোষ বা জাতিগত দোষো হ'ব পাৰে; কিন্তু স্বকীয় পৰিচয় বহন কৰা সমলসমূহ স্বজাতিয়েই অৱহেলা কৰিলে কালৰ বুকুত ইয়াৰ চিন হেৰাই যাবলৈ বেছি সময় নালাগিব।

**পংকজা দাস,** *লেখিকা*

*ফোন ঃ ৮৮৭৬৭৬২৩৮৫*

## ফ্ৰান্সত কৰ'নাৰ পঞ্চম ঢৌ আৰম্ভ, জাৰ্মানীতো সংক্ৰমণৰ অভিলেখ



**নিউজ ব্যুৰ', পেৰিছ, ১১ নৱেম্বৰ ঃ** ফ্ৰান্সত কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পঞ্চমটো ঢৌ আৰম্ভ হ'ল। দেশখনৰ স্বাস্থ্যমন্ত্ৰী অলিভাৰ বেৰনে প্ৰকাশ কৰা অনুসৰি, নতুনকৈ কৰ'নাত আক্ৰান্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে আৰু এইবাৰ সংক্ৰমণৰ গতি অধিক দ্ৰুত হৈছে। কৰ'নাৰ সংক্ৰমণ বৃদ্ধিৰ এই তথ্য ফ্ৰান্সৰ স্বাস্থ্যমন্ত্ৰীয়ে ঘোষণা কৰাৰ পাছত দেশখনত পুনৰ ক'ভিডকেন্দ্ৰিক ত্ৰাস বৃদ্ধি পালে। ইফালে জাৰ্মানীতো কৰ'নাৰ সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত জাৰ্মানীত ৫০ হেজাৰ লোক নতুনকৈ ক'ভিড-১৯ত আক্ৰান্ত হ'ল। ফ্ৰান্সৰ স্বাস্থ্যমন্ত্ৰীয়ে কয় যে কে'বাখনো প্ৰতিবেশী দেশত কৰ'নাৰ সংক্ৰমণৰ পঞ্চমটো ঢৌ দ্ৰুতগতিত বিয়পি পৰিছে আৰু ইয়াৰ দ্বাৰা শেহতীয়াভাৱে ফ্ৰান্সো প্ৰভাৱিত হৈছে। ফ্ৰান্সত যোৱা বুধবাৰে ১১,৮৮৩ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। একেৰাহে দুদিন ধৰি দেশখনত ১০ হেজাৰতকৈ অধিক লোক এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হৈছে। ফ্ৰান্স চৰকাৰে ইতিমধ্যে ৬৫ উৰ্ধ্বৰ বয়সৰ লোকক ক'ভিড সংক্ৰমণৰ প্ৰতি সতৰ্ক হ'বলৈ আহ্বান জনোৱাৰ লগতে এই বয়সৰ লোকসকলক ৰেস্তোৰাঁত প্ৰৱেশৰ ক্ষেত্ৰত ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক গ্ৰহণৰ প্ৰমাণপত্ৰ প্ৰদৰ্শন বাধ্যতামূলক ঘোষণা কৰিছে।

## উভয় পক্ষ সন্মত নহ'লে অযোধ্যা প্ৰসংগত ন্যায়ালয়ৰ ৰায় সঠিক নাছিল ঃ চিদাম্বৰম



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ নৱেম্বৰ ঃ** অযোধ্যাৰ গোচৰত উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ সন্দৰ্ভত কংগ্ৰেছ নেতা ছলমান খুৰ্শিদে ৰচনা কৰা সদ্য প্ৰকাশিত গ্ৰন্থৰ উন্মোচনী অনুষ্ঠানত অংশ লৈ বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিলে কংগ্ৰেছ নেতা পি চিদাম্বৰমে। কংগ্ৰেছ নেতাজনে উক্ত অনুষ্ঠানত অংশ লৈ কয় যে অযোধ্যা প্ৰসংগত উভয় পক্ষই উচ্চতম ন্যায়ালয়ৰ ৰায় স্বীকাৰ কৰা হেতুকে ই সঠিক ৰায়ত পৰিণত হৈছে। কিন্তু যদিহে উভয় পক্ষই এই ৰায় মানি নল'লেহেঁতেন তেন্তে এই ৰায় সঠিক নহ'লহেঁতেন। চিদাম্বৰমে কয়, 'সেই গল্পটো ১৯৯২ বৰ্ষত আৰম্ভ হৈছিল আৰু ঠিক দুবছৰ পূৰ্বে ন নৱেম্বৰ ২০১৯ত সম্পূৰ্ণ অপ্ৰত্যাশিতভাৱে ইয়াৰ অন্ত পৰিছিল। উভয় পক্ষই এই ৰায় গ্ৰহণ কৰিলে, সেয়েহে ই সঠিক ৰায় হ'ল। অন্যথা নহ'লহেঁতেন। ই সঠিক ৰায় নাছিল, কিন্তু উভয় পক্ষই এই ৰায় মানি লৈছিল।'

## আজানৰ ফলত ৰোগীৰ ৰক্তচাপ বৃদ্ধি পায়, নিদ্ৰাভংগ হয় ঃ অভিযোগ সাংসদ প্ৰজ্ঞাৰ



**নিউজ ব্যুৰ', ভূপাল, ১১ নৱেম্বৰ ঃ** মছজিদৰ আজানে নিদ্ৰাত ব্যাঘাত জন্মায়। ৰোগীৰ ৰক্তচাপ বৃদ্ধি কৰে। এই বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিলে বিজেপিৰ সাংসদ সাধ্বী প্ৰজ্ঞা ঠাকুৰে। সামাজিক মাধ্যমৰ জৰিয়তে ইতিমধ্যে বিজেপিৰ সাংসদগৰাকীৰ এই অভিযোগ ভাইৰেল হৈছে। যোৱা মঙলবাৰে ভূপালৰ বেৰাছিয়াত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত প্ৰজ্ঞাই কৈছিল, 'পুৱা ৫-৩০ বজাত বিকট শব্দ হয়। সেই শব্দ ক্ৰমশ বৃদ্ধি পাবলৈ ধৰে। মানুহৰ নিদ্ৰাভংগ হয়। ফলত অনেক ৰোগীৰ সমস্যা হয়। কাৰণ তেওঁলোকৰ ৰক্তচাপ বৃদ্ধি পায়। ঋষি আৰু সাধুসকলেও পুৱা চাৰিটাৰ ব্ৰহ্ম মুহূৰ্তত ধ্যান কৰে। আমাৰ প্ৰথম আৰতিও পুৱা চাৰিটাত কৰা হয়। কিন্তু আৰতিত কোনো শব্দ নহয়।'

## ৮১৯০ কোটি টকাৰ শ্বেয়াৰ বিক্ৰী কৰিলে টেছলাৰ মুৰব্বী মাস্কে



**নিউজ ব্যুৰ', টে'ক্ছ, ১১ নৱেম্বৰ ঃ** বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি তথা টেছলা আৰু স্পেচ এ'ৰ মুৰব্বী এলন মাস্কে কোম্পানীৰ ১.১ বিলিয়ন ডলাৰ অৰ্থাৎ প্ৰায় ৮১৯০ কোটি টকা মূল্যৰ শ্বেয়াৰ বিক্ৰী কৰিলে। উল্লেখ্য যে মাস্কে নিজৰ ১০ শতাংশ শ্বেয়াৰ বিক্ৰী কৰাৰ বাবে টুইটাৰত এক সমীক্ষাৰ জৰিয়তে ৰাইজৰ পৰা মতামত বিচাৰিছিল। মাস্কৰ এই প্ৰস্তাৱৰ প্ৰতি সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে যথেষ্ট সমৰ্থন আগবঢ়াইছিল। ৫৮ শতাংশ লোকে মাস্কক উক্ত পৰিমাণৰ শ্বেয়াৰ বিক্ৰী কৰিবলৈ পৰামৰ্শ দিছিল। সেয়েহে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিজনে নিজৰ কোম্পানীৰ ৮১৯০ কোটি টকাৰ শ্বেয়াৰ বিক্ৰী কৰিলে। বিগত দুদিনত মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ প্ৰায় ৫০ বিলিয়ন ডলাৰ হ্ৰাস পালে।

### শিশুৰ পৰিপুষ্টিৰ পৰা আৰম্ভ কৰি ভৱিষ্যৎ জীৱনত উপাৰ্জনলৈকে নেতিবাচকভাৱে প্ৰভাৱ পৰাৰ শংকা

# কৰ'নাৰ প্ৰভাৱত ২৯ কোটি ভাৰতীয় শিশু হ'ল শিক্ষাৰ পৰা বঞ্চিত

**নিউজ ব্যুৰ' নতুন দিল্লী, ১১ নৱেম্বৰ ঃ** ভাৰতত কৰ'নাৰ সংক্ৰমণৰ ফলত ২৯ কোটি ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন নেতিবাচকভাৱে প্ৰভাৱিত হ'ল। শিক্ষাৰ পৰা বঞ্চিত হোৱা এইসকল ছাত্ৰ-ছাত্ৰীৰ মাজত ১৩ কোটি হৈছে ছাত্ৰী। ইউনেস্কৰ পৰিসংখ্যা অনুসৰি, ভাৰতত বিদ্যালয়ত শিক্ষা লাভৰ পৰা বঞ্চিত হোৱা ছাত্ৰীসকলৰ অৰ্ধেকাংশই পুনৰ বিদ্যালয়লৈ উভতি অহা নাই। কৰ'নাৰ ব্যাপক সংক্ৰমণৰ পাছত বিদ্যালয় পুনৰ মুকলি কৰা হ'ল যদিও এতিয়া প্ৰায় ২৯ কোটি ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ উভতি অহা নাই। এইসকল ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ জীৱন আৰু অধ্যয়ন চিৰদিনৰ বাবে ত্যাগ কৰিলে বুলি ধৰা হৈছে। কৰ'নাৰ ফলত প্ৰাক প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত ১১ কোটিৰো অধিক শিক্ষাৰ্থীয়ে এতিয়াও বিদ্যালয়ৰ পৰা আঁতৰি আছে। অৰ্থাৎ বিশ্বৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ ৭.৫ শতাংশই প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত বিদ্যালয়ৰ শিক্ষা আধৰুৱাকৈ সামৰিলে। কৰ'নাৰ ব্যাপক সংক্ৰমণৰ ফলত বিশ্বজুৰি শিক্ষানুষ্ঠানসমূহ গড়ে প্ৰায় ৪.৫ মাহ বন্ধ আছিল। বিশেষজ্ঞসকলৰ মতে, ইয়াৰ প্ৰভাৱ শিশুৰ পৰিপুষ্টিৰ পৰা আৰম্ভ কৰি ভৱিষ্যৎ জীৱনত উপাৰ্জনলৈকে নেতিবাচকভাৱে পৰাৰ যথেষ্ট শংকা আছে।


২০২০ৰ মাৰ্চত কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পাছতে ভাৰতত বিদ্যালয়সমূহ বন্ধ কৰা হৈছিল। ভাৰতত বিগত প্ৰায় ১৮ মাহ ধৰি সৰহভাগ সময় বিদ্যালয়সমূহ বন্ধ হৈ আছিল। অৱশ্যে এই সময়ছোৱাত




অনলাইনত পঢ়া-শুনা অব্যাহত আছিল। কিন্তু স্মাৰ্টফোনৰ অভাৱ আৰু আৰ্থিক কাৰণত বহু ছাত্ৰ-ছাত্ৰীয়ে অনলাইন শিক্ষা আহৰণ কৰিবলৈ সক্ষম হোৱা নাছিল। বৰ্তমানে দেশৰ বিভিন্ন ৰাজ্যত ক'ভিড বিধি পালনৰে বিদ্যালয়ৰ দুৱাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পুনৰ মুকলি কৰা হৈছে। বিশ্বৰ যিসমূহ দেশত ক'ভিড সংক্ৰমণৰ ফলত সুদীৰ্ঘ দিন বিদ্যালয় বন্ধ ৰখা হৈছিল, সেইসমূহ দেশৰ তালিকাত ভাৰতৰ নামো আছে। মূলতঃ ক'ভিড কালত বিদ্যালয় বন্ধ থকাৰ ফলতে ভাৰতৰ ২৯ কোটি শিশুৰ অধ্যয়ন তথা শিক্ষা জীৱন নেতিবাচকভাৱে প্ৰভাৱিত হ'ল। এইদৰে শিক্ষা জীৱন আধৰুৱা হোৱা শিশুসকলৰ ১৩ কোটি হৈছে মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰী।

ভাৰতৰ আধৰুৱাকৈ বিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰা সৰ্বাধিকসংখ্যক ছাত্ৰ-ছাত্ৰী অৰুণাচল প্ৰদেশত আছে। এইখন ৰাজ্যত বিদ্যালয়ৰ শিক্ষা আধৰুৱাকৈ সমাপ্ত কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হৈছে ৩৪.৩। ত্ৰিপুৰা, অসম, মধ্য প্ৰদেশ, মেঘালয়, নগালেণ্ডতো মাধ্যমিক পৰ্যায়ত বিদ্যালয়লৈ যাবলৈ এৰি শিক্ষা জীৱন আধৰুৱাকৈ সমাপ্ত কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৫ শতাংশৰ অধিক বৃদ্ধি পাইছে। স্কুলীয়া পৰ্যায়ত শিক্ষা আধৰুৱাকৈ সমাপ্ত কৰা ৰাজ্য হিচাপে পঞ্জাৱত সবাতোকৈ কম ১.৬ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰাৰ পৰা বঞ্চিত হৈ আহিছে।

## আমেৰিকাত ৩০ বছৰৰ সৰ্বোচ্চ মূল্যবৃদ্ধি ঃ ভাৰতীয় শ্বেয়াৰ বজাৰো হ'ল প্ৰভাৱিত



**নিউজ ব্যুৰ', মুম্বাই, ১১ নৱেম্বৰ ঃ** আমেৰিকাত মূল্যবৃদ্ধিয়ে আকাশলংঘী ৰূপ ধাৰণ কৰাত ভাৰতীয় পুঁজি বজাৰো প্ৰভাৱিত হ'ল। আজি বোম্বে ষ্টক এ'চেঞ্জ (বি এছ ই)ৰ ছেনছে' ৫০০ পইণ্ট অৱনমিত হোৱাত শ্বেয়াৰ বজাৰৰ সূচাংক ৫৯,৮৮৭ লৈ হ্ৰাস পায়। বেংকিং আৰু প্ৰযুক্তি খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ শ্বেয়াৰ মূল্য আজি যথেষ্ট অৱনমিত হয়। প্ৰকাশিত বাতৰি অনুসৰি, আমেৰিকাত সম্প্ৰতি বিগত ৩০ বছৰৰ পাছত সৰ্বাধিক হাৰত মুদ্ৰাস্ফীতি আৰু মূল্যবৃদ্ধি হৈছে। অক্টোবৰত আমেৰিকাত মূল্যবৃদ্ধিৰ হাৰ আছিল ৬.২ শতাংশ। আমেৰিকাত হোৱা মূল্যবৃদ্ধিয়ে ভাৰতীয় পুঁজি বজাৰক বিশেষভাৱে প্ৰভাৱিত কৰিছে।



## অহা মাহত ভাৰতলৈ আহিব ৰাষ্ট্ৰপতি পুটিন

**নিউজ ব্যুৰ' নতুন দিল্লী, ১১ নৱেম্বৰ ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে অহা ছয় ডিচেম্বৰত ভাৰতলৈ আহিব পাৰে। আন্তৰ্জাতিক শীৰ্ষ সন্মিলন এখনত অংশ ল'বলৈ পুটিনে ভাৰতলৈ অহাৰ কথা। কৰ'নাৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি চলিত বৰ্ষত পুটিনে বিদেশ ভ্ৰমণৰ পৰা আঁতৰি আছে আৰু যদি ছয় ডিচেম্বৰত তেওঁ ভাৰতলৈ আহে, তেন্তে চলিত বৰ্ষত ৰুছ ৰাষ্ট্ৰপতিৰ এইটো দ্বিতীয়টো বিদেশ ভ্ৰমণ হ'ব। এদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব লগা পুটিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰাৰ লগতে একাধিক প্ৰতিৰক্ষা বিষয়ক গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে পুটিনে ২০১৮ত ভাৰতলৈ আহিছিল।

## মৌলবাদীয়ে ধ্বংস কৰা মন্দিৰৰ উদ্বোধন কৰিলে পাকিস্তানৰ মুখ্য ন্যায়াধীশে



**নিউজ ব্যুৰ', লাহোৰ, ১১ নৱেম্বৰ ঃ** পাকিস্তানত প্ৰায়ে সংখ্যালঘুসকল নিৰ্যাতনৰ সন্মুখীন হৈ আহিছে। মৌলবাদীৰ তাণ্ডৱত দেশখনত থকা হিন্দুৰ মন্দিৰসমূহৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। সাধাৰণতে এনেবোৰ ঘটনাক পাকিস্তানৰ চৰকাৰ আৰু স্থানীয় প্ৰশাসনে আওকাণ কৰি আহিছে। কিন্তু এনে পৰিস্থিতিত এক ব্যতিক্ৰমী স্থিতি গ্ৰহণ কৰিলে পাকিস্তানৰ মুখ্য ন্যায়াধীশ গুলজাৰ আহমেদে। মুখ্য ন্যায়াধীশৰ নিৰ্দেশত পুনৰ ভক্তৰ সমাগমত মুখৰ হৈ উঠিল হিন্দুৰ এটা মন্দিৰ। ২০২০ৰ ৩০ ডিচেম্বৰত খাইবাৰ পাখতুনখোৱা প্ৰদেশৰ কৰক জিলাত শতাব্দী প্ৰাচীন শ্ৰীসন্ত পৰমহংসজী মন্দিৰত মৌলবাদীয়ে আক্ৰমণ চলাই মূল্যৱান সা-সামগ্ৰী লুট কৰাৰ লগতে মন্দিৰটো লণ্ডভণ্ড কৰিছিল। এই ঘটনাৰ গোচৰৰ ৰায়ত পাকিস্তানৰ মুখ্য ন্যায়াধীশ গুলজাৰ আহমেদে ঘটনাক গৰিহণা দিয়াৰ লগতে মন্দিৰ পুনৰ নিৰ্মাণৰ বাবে প্ৰশাসনক নিৰ্দেশ দিছিল। পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি নৱনিৰ্মিত মন্দিৰটো উদ্বোধন কৰিলে ন্যায়াধীশ আহমেদে। দীপাৱলীত মন্দিৰৰ পুনৰ মুকলিৰ অনুষ্ঠানত আহমেদে অংশ লৈছিল। উক্ত অনুষ্ঠানত অংশ লৈ মুখ্য ন্যায়াধীশজনে কয় যে পাকিস্তানৰ উচ্চতম ন্যায়ালয়ে সংখ্যালঘুৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত সদায় সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে।

## বিশ্বত ক'ভিড আক্ৰান্তৰ সংখ্যা ২৫ কোটিৰ অধিক হ'ল, ৫০ লাখৰ মৃত্যু



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১১ নৱেম্বৰ ঃ** বিশ্বজুৰি কৰ'নাত আক্ৰান্ত ৰোগীৰ সংখ্যাই ২৫ কোটিৰ সীমা অতিক্ৰম কৰিলে। জনছ হপকিন্স বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা অনুসৰি বিশ্বৰ বিভিন্ন দেশত যোৱা বুধবাৰলৈকে মুঠ ২৫.১৩ কোটি লোক কৰ'নাত আক্ৰান্ত হ'ল। তদুপৰি এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে বৰ্তমানলৈকে বিশ্বজুৰি ৫০.৭ লাখৰো অধিক লোকৰ প্ৰাণ কাঢ়িলে। বৰ্তমানলৈকে বিশ্বত ৭.৩৪ বিলিয়ন লোকে ক'ভিডৰ প্ৰতিষেধক লাভ কৰিলে। বিশ্বৰ ভিতৰতে সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে আমেৰিকা। বৰ্তমানলৈকে আমেৰিকাত ৪৬,৭৮৪,৬৪২ জন লোক কৰ'নাত আক্ৰান্ত আৰু ৭,৫৮,৮৪৩ জন ৰোগীৰ মৃত্যু হ'ল। সংক্ৰমণৰ ক্ষেত্ৰত ভাৰত দ্বিতীয় আৰু ব্ৰাজিল তৃতীয় স্থানত আছে।

## কংগনাই ক'লে ঃ ভাৰতে ২০১৪ত প্ৰকৃত স্বাধীনতা লাভ কৰিলে, বৰুণৰ প্ৰতিক্ৰিয়া ঃ দেশদ্ৰোহী নে বলিয়া ?

**নিউজ ব্যুৰ' মুম্বাই, ১১ নৱেম্বৰ ঃ** বলিউডৰ সদা বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌটে এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত মন্তব্য কৰি ক'লে যে ভাৰতে প্ৰকৃত স্বাধীনতা ২০১৪ত লাভ কৰিছিল। অভিনেত্ৰীগৰাকীৰ এই মন্তব্যৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিজেপিৰ সাংসদ বৰুণ গান্ধীয়ে আজি কয় যে এনে চিন্তাধাৰাক তেওঁ বলিয়ালি নে দেশদ্ৰোহ বুলি অভিহিত কৰিব সেয়া ধৰিব পৰা




নাই। কংগনাই এটা ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাৰ্ষিক অনুষ্ঠানত অংশ লোৱাৰ সময়ত এইদৰে কৈছিল, 'সেয়া স্বাধীনতা নাছিল, ভিক্ষাহে আছিল। আমি আচলতে ২০১৪তহে স্বাধীনতা লাভ কৰিলো।' কংগনাই এই মন্তব্যৰ দ্বাৰা বুজাব বিচাৰিছিল যে ২০১৪ত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰত চৰকাৰ গঠনৰ পাছতহে ভাৰতে প্ৰকৃত স্বাধীনতা অনুভৱ কৰিব পাৰিছে। কংগনাৰ এই মন্তব্যক বহু সামাজিক মাধ্যম ব্যৱহাৰকাৰীৰ লগতে বিজেপি সাংসদ বৰুণেও সমালোচনা কৰিলে। বৰুণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'কেতিয়াবা মহাত্মা গান্ধীৰ বলিদানক আৰু তপস্যাক অপমান, কেতিয়াবা গান্ধীৰ হত্যাকাৰীক প্ৰশংসা আৰু এইবাৰ মংগল পাণ্ডেৰ পৰা ৰাণী লক্ষ্মীবাঈ, ভগত সিং, চন্দ্ৰশেখৰ আজাদ, নেতাজী আৰু আন লক্ষাধিক স্বাধীনতা যুঁজাৰুৰ বলিদানক তিৰস্কাৰ। এনে চিন্তাধাৰাৰ লোকক বলিয়া নে দেশদ্ৰোহী বুলি কম ?'

## পাকিস্তানী যুৱকৰে মালালাৰ বিবাহত হতাশ কিয় তছলিমা ?



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ নৱেম্বৰ ঃ** শান্তিৰ ন'বেলজয়ী মালালা ইউছুফজায়ে এজন পাকিস্তানী নাগৰিকক স্বামীবৰণ কৰাত অসন্তুষ্ট হ'ল বাংলাদেশৰ স্বনিৰ্বাসিত লেখিকা তছলিমা নাছৰিন। টুইট কৰি মালালাৰ বিবাহত হতাশাও প্ৰকাশ কৰিলে বিতৰ্কিত লেখিকাই। যোৱা ন নৱেম্বৰত ব্ৰিটেইনৰ বাৰ্মিংহামত পাৰিবাৰিক পৰিবেশত পাকিস্তানৰ উদ্যোগপতি অচৰ মালিকৰ স'তে মালালাৰ নিকাহ সম্পন্ন হৈছিল। এই বিবাহৰ কথা মালালাই নিজে সামাজিক মাধ্যমৰ জৰিয়তে ৰাজহুৱা কৰিছিল। মালালাৰ বিবাহত সকলোৱে আনন্দ প্ৰকাশ কৰাৰ সময়তে তছলিমাই কয় যে তেওঁ যথেষ্ট হতাশ হ'ল। মালালাই কিয় পাকিস্তানী যুৱকক বিবাহ কৰালে বুলিও সামাজিক মাধ্যমত প্ৰশ্ন উত্থাপন কৰিলে তছলিমাই। এক টুইটত বিতৰ্কিত লেখিকাগৰাকীয়ে কয়, 'মালালাই এজন পাকিস্তানীক বিয়া কৰোৱা বুলি জানিব পাৰি যথেষ্ট হতাশ হ'লো। তেওঁৰ বয়স মাত্ৰ ২৪ বছৰ। মালালাই অ'ফ'ৰ্ড বিশ্ববিদ্যালয়ত পঢ়িছিল। আশা কৰিছিলো তেওঁ এজন সুদৰ্শন আৰু প্ৰগতিশীল ইংৰাজ যুৱকৰ প্ৰেমত পৰিব। ৩০ বছৰ বয়সৰ পূৰ্বে তেওঁ বিয়াৰ কথা নাভাবিব। কিন্তু...।' উল্লেখ্য যে ১৯৯৭ৰ ১২ জুলাইত উত্তৰ-পশ্চিম পাকিস্তানৰ খাইবাৰ পাখতুনখোৱা প্ৰদেশৰ ছয়াট জিলাৰ এক ছুন্নী মুছলমান পৰিয়ালত মালালাৰ জন্ম হৈছিল। ২০১২ত মালালাক বিদ্যালয়লৈ যোৱাৰ পথত তালিবানে গুলীয়াই আক্ৰমণ চলাইছিল। পাছত অনেক বাধা আৰু প্ৰতিকূলতাক নেওচি নাৰীশিক্ষাৰ প্ৰসাৰণত মালালাই সক্ৰিয়তাৰে অংশ লৈছিল আৰু ইয়াৰ স্বীকৃতি হিচাপে ২০১৪ত তেওঁ শান্তিৰ ন'বেল বঁটা লাভ কৰিছিল। সম্প্ৰতি মালালা ইংলণ্ডৰ বাসিন্দা।



## ভাৰততো মুকলি হ'ল পাবজি নিউ ষ্টেট ঃ পাঁচ কোটিৰ অগ্ৰিম পঞ্জীয়ন সম্পন্ন

**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ নৱেম্বৰ ঃ** পাবজি ম'বাইল আৰু বেটেলগ্ৰাউণ্ডছ ম'বাইল ইণ্ডিয়াৰ নিৰ্মাতাই আজি নতুন পাবজি নিউ ষ্টেট নামৰ অনলাইন গে'ম মুকলি কৰিলে। এই নতুন ভিডিঅ' গে'ম এনড্ৰইড আৰু আই অ' এছ উভয় শ্ৰেণীৰ ম'বাইলত খেলিব পাৰিব। এনড্ৰইড ফোন ব্যৱহাৰকাৰীয়ে গুগল প্লে ষ্ট'ৰৰ পৰা আৰু আইফোন ব্যৱহাৰকাৰীয়ে এপেল এপ ষ্ট'ৰৰ পৰা পাবজি নিউ ষ্টেট ডাউনলোড কৰিব পাৰিব। ইতিমধ্যে পাবজি নিউ ষ্টেটৰ অগ্ৰিম পঞ্জীয়নৰ অভিলেখ স্থাপন হৈছে আৰু এতিয়ালৈকে পাঁচ কোটিৰো অধিক স্মাৰ্টফোন ব্যৱহাৰকাৰীয়ে এই নতুন অনলাইন ভিডিঅ' গে'ম খেলাৰ বাবে অগ্ৰিম পঞ্জীয়ন সম্পন্ন কৰিলে।



## ডিঙি-পিঠিৰ বিষত আক্ৰান্ত মুখ্যমন্ত্ৰী থাকৰে চিকিৎসালয়ত হ'ল ভৰ্তি

**নিউজ ব্যুৰ' মুম্বাই, ১১ নৱেম্বৰ ঃ** মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে শাৰীৰিকভাৱে অসুস্থ আৰু সম্প্ৰতি তেওঁ চিকিৎসাধীন হৈ আছে। যোৱা নিশা ডিঙি আৰু পিঠিৰ বিষত আক্ৰান্ত হোৱা মুখ্যমন্ত্ৰীজনক মুম্বাইৰ ৰিলায়েন্স গ্ৰুপৰ হৰকিষণদাস চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। আজি চিকিৎসালয়খনত থাকৰেৰ এক অস্ত্ৰোপচাৰ চিকিৎসকে সম্পন্ন কৰে আৰু তেওঁ কেইদিনমান চিকিৎসালয়ত থাকিব লাগিব বুলি হৰকিষণদাস হাস্পতালৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

## তালিবানৰ ভয়ত পলায়ন আফগান নাগৰিকৰ, দৈনিক পাঁচ হেজাৰ শৰণাৰ্থীৰ অনুপ্ৰৱেশ ইৰানত

**নিউজ ব্যুৰ', কাবুল, ১১ নৱেম্বৰ ঃ** যোৱা আগষ্টত তালিবানে আফগানিস্তান পুনৰ দখল কৰাৰ পাছৰে পৰা দেশখনত অস্থিৰতা অব্যাহত আছে। তালিবানৰ ত্ৰাসত ইতিমধ্যে লাখ লাখ আফগান নাগৰিকে দেশ ত্যাগ কৰিছে। জেহাদীৰ ৰঙা চকুৰ পৰা হাত সাৰিবলৈ স্বদেশৰ পৰা পলাই যাবলৈ বাধ্য হৈছে নিৰীহ আফগান নাগৰিক। নৰউইজিয়ান ৰিফিউজি কাউন্সিল (এন আৰ চি)ৰ সদ্যপ্ৰকাশিত পৰিসংখ্যা অনুসৰি, কেৱল ইৰানতে আশ্ৰয় গ্ৰহণ কৰিলে কমেও তিনি লাখ আফগান নাগৰিকে। আগন্তুক সময়ত অধিকসংখ্যক আফগান নাগৰিকে ইৰানত আশ্ৰয় লোৱাৰ সম্ভাৱনা আছে। এন আৰ চিয়ে লগতে দাবী কৰি কৈছে যে প্ৰতিদিন কমেও চাৰিৰ পৰা পাঁচ হেজাৰ আফগান নাগৰিকে কাটাতাঁৰ পাৰ হৈ ইৰানত অনুপ্ৰৱেশ কৰি আহিছে।



## নেপালত চীনৰ বিনিয়োগৰ তীব্ৰ বিৰোধিতা, চীনহে লাভাৱান্বিত হৈছে



**নিউজ ব্যুৰ', কাঠমাণ্ডু, ১১ নৱেম্বৰ ঃ** চীনে শেহতীয়াভাৱে নেপালত আন্তঃগাঁথনিৰ উন্নয়নত যথেষ্ট ধন বিনিয়োগ কৰিছে। নেপালৰ জলবিদ্যুৎ উৎপাদন প্ৰকল্পতো চীনে ধন বিনিয়োগ কৰিছে। কিন্তু শেহতীয়াভাৱে নেপালৰ কে'বাটাও বিৰোধী দলৰ লগতে সমাজকৰ্মীয়ে চীনৰ বিনিয়োগৰ তীব্ৰ বিৰোধিতা কৰিছে। এইসকল বিৰোধী নেতা আৰু সমাজকৰ্মীৰ অভিযোগ অনুসৰি, চীনে নেপালত ধন বিনিয়োগ কৰি মুনাফা অৰ্জন কৰিছে যদিও নেপালৰ কোনো লাভ হোৱা নাই। চীনে নেপালৰ ছমেলিয়াত জলবিদ্যুৎ প্ৰকল্প এটা নিৰ্মাণ কৰিছে যদিও নিৰ্মাণ কাৰ্য লেহেমীয়া হোৱাৰ ফলত এই প্ৰকল্পটো যথেষ্ট ব্যয়বহুল হৈছে। ৩০ মেগাৱাটৰ উৎপাদন ক্ষমতাৰ ছমেলিয়া জলবিদ্যুৎ প্ৰকল্পটো নেপালৰ সবাতোকৈ ব্যয়বহুল প্ৰকল্প হিচাপে পৰিচিত হৈছে। নেপালক ঋণৰ যোগান ধৰি চীনে এই প্ৰকল্প নিৰ্মাণ কৰিছে যদিও ইয়াৰ জৰিয়তে বেইজিঙে এহাতে মুনাফা অৰ্জন কৰা আৰু নেপালক ঋণগ্ৰস্ত কৰাৰ অভিযোগ দেশখনৰ বিৰোধী দলে উত্থাপন কৰিছে।

## ক'ভিড সংক্ৰমণ ১৩ হেজাৰলৈ বৃদ্ধি , ২৪ ঘণ্টাত মৃত্যু ৩৪০ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ নৱেম্বৰ ঃ** ১১ দিনৰ পাছত দেশৰ দৈনিক ক'ভিড সংক্ৰমণ পুনৰ ১৩ হেজাৰলৈ বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ১৩,০৯১ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। কেৰালাত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত দেশৰ ক'ভিড সংক্ৰমণ পুনৰ ঊৰ্ধ্বমুখী হ'ল। বৰ্তমানলৈকে ভাৰতত তিনি কোটি ৪৪ লাখ এহেজাৰ ৬৭০ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। আক্ৰান্ত বৃদ্ধি পালেও বুধবাৰৰ তুলনাত আজি দেশত কৰ'নাত মৃতকৰ সংখ্যা সামান্য হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত ৩৪০ জন লোকে প্ৰাণ হেৰুৱালে। বৰ্তমানে ভাৰতত এক লাখ ৩৮ হেজাৰ ৫৫৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে। যোৱা ২৪ ঘণ্টাত কেৰালাত চাৰে সাত হেজাৰ, মহাৰাষ্ট্ৰত ১,০৯৪, তামিলনাডুত ৮২৮, পশ্চিমবংগত ৮৫৩ আৰু মিজোৰামত ৫৩১ জন লোক ক'ভিডত সংক্ৰমিত হ'ল।

তেওঁ ক'ত কেনেকৈ কাক দেখা দিয়ে কোনেও নাজানে। তেওঁৰ মহিমা অপাৰ। তেওঁ ভক্তজনক বিপদত উদ্ধাৰ কৰে। যিয়ে ভগৱানক অন্তঃকৰণেৰে ভক্তি কৰে, ভগৱানে তেওঁক তেওঁৰ ছত্ৰছায়াত ৰাখে। মই ক'ত কেনেকৈ ভগৱানক দৰ্শন কৰিলো তাৰ সৰু কাহিনী এটা তলত উল্লেখ কৰিলো। যোৱা ১৯২০ৰ মাৰ্চৰ ঘটনা। আমি মানে মই মোৰ পৰিবাৰ, আমাৰ সৰু ল'ৰা-বোৱাৰী আৰু নাতি আমি আটাইকেইজন ওড়িছাৰ পুৰীলৈ গৈছিলো।

# জয় জগন্নাথ

■ অনিল কুমাৰ দাস



**ভগৱান** দেখিছেনে? দেখা নাই। মই দেখিছো। ভগৱান দয়ালু। কৃপাৰ সাগৰ। তেওঁ ক'ত কেনেকৈ কাক দেখা দিয়ে কোনেও নাজানে। তেওঁৰ মহিমা অপাৰ। তেওঁ ভক্তজনক বিপদত উদ্ধাৰ কৰে। যিয়ে ভগৱানক অন্তঃকৰণেৰে ভক্তি কৰে, ভগৱানে তেওঁক তেওঁৰ ছত্ৰছায়াত ৰাখে। মই ক'ত কেনেকৈ ভগৱানক দৰ্শন কৰিলো তাৰ সৰু কাহিনী এটা তলত উল্লেখ কৰিলো।

যোৱা ১৯২০ৰ মাৰ্চৰ ঘটনা। আমি মানে মই মোৰ পৰিবাৰ, আমাৰ সৰু ল'ৰা-বোৱাৰী আৰু নাতি আমি আটাইকেইজন ওড়িছাৰ পুৰীলৈ গৈছিলো। মোৰ নাতি ল'ৰাটোৰ এবছৰ হোৱা উপলক্ষে তেওঁৰ চুলি মুণ্ডন কৰাবলৈ পুৰীলৈ যোৱাৰ সিদ্ধান্ত লৈছিলো।

আমি ১৯২০ৰ মাৰ্চৰ ১৪ তাৰিখে গুৱাহাটীৰ পৰা ওড়িছাৰ ভূৱনেশ্বৰলৈ গৈ তাৰ পৰা টেৰ্ি এখন লৈ পুৰীলৈ গ'লো। পুৰী গৈ পাওঁতে আমাৰ আবেলি তিনিটামান বাজিছিল। পুৰীত মন্দিৰৰ ওচৰতেই মোৰ ল'ৰাটোৱে অন-লাইনত হোটেল বুক কৰি ৰাখিছিল। সেইমতে আমি গৈ হোটেলত সোমালো। হোটেল পাই মুখ-হাত ধুই কমলা খালো; লগতে নাতিটোকো খাবলৈ দিলো। সিয়ো কমলা কেইটামান খালে, সিয়ে তাক অন্যায় কৰাটো পাছত গম পালো। তাৰ পাছত আমি ভাত পানী খালো, নাতিটোকো খুৱালো। আবেলি চাৰিটা মান বজাত মই আৰু মোৰ পৰিবাৰে আমাৰ স্থায়ী পুৰোহিত (পাণ্ডা) সুদৰ্শন মহাপাত্ৰক লগ ধৰাৰ বাবে জগন্নাথ মন্দিৰৰ ওচৰলৈ গৈ তেওঁক লগ ধৰি পাছদিনাখন মানে ১৫ মাৰ্চত জগন্নাথ দৰ্শন লগতে নাতিটোৰ চুলি মুণ্ডনৰ বিষয়ে কথা পাতি হোটেললৈ গুচি আহিলো। সেইদিনা ক'লৈকো ওলাই নগ'লো। হোটেলতে জিৰণি লৈ থাকিলো। ৰাতি ন মান বজাত ভাত-পানী খাই প্ৰায় ১০মান বজাত শুই থাকিলো। মই আৰু পৰিবাৰ এটা ৰুমত আৰু ল'ৰা-বোৱাৰী-নাতি এন্য এটা ৰুমত। তেতিয়া ৰাতি প্ৰায় দুটামান বাজিছে। হঠাৎ আমাৰ ল'ৰাই আহি আমাক মাতিলে। আমি গৈ দেখো যে নাতিটোৰ অসুখ। প্ৰায় ১১-১২মান বজাৰ পৰা সি অসুখত ভূগিছে। সি বিছনাত ইফাল-সিফাল কৰি ছট্‌ফটাই কান্দি আছে। মাজে মাজে পেটটো তললৈ দি হেঁচামাৰি চিঞৰি কান্দিছে। এবছৰীয়া ল'ৰা। কথা ক'বও নোৱাৰে। খুব কান্দিছে। চাই থকাটোৱেই অসহ্যকৰ। আমি ডাক্তৰৰ খা-খবৰ কৰিলো। কিন্তু ৰাতি দুই বজাত ডাক্তৰ পোৱাটো সম্ভৱ নহয়। উপায়হীন হৈ আমি আটায়ে হাস্পতাললৈ লৈ যোৱাৰ সিদ্ধান্ত লৈ পুৰী হাস্পতাললৈ যাবৰ বাবে হোটেলৰ তললৈ নামি আহিলো। আমি থকা হোটেলৰ পৰা পুৰী হাস্পতাললৈ দূৰত্ব প্ৰায় দুই কিলোমিটাৰমান হ'ব। হোটেলৰ পৰা তললৈ নামি আহি দেখো ৰাস্তাত ৰি'া, অট'ৰি'া বা অন্য বাহন একোৱেই নাই। জনপ্ৰাণী শূন্য ৰাজপথ। চাৰিওফালে নিতাল নিস্তব্ধ। ইফালে-সিফালে চাই কি কৰো, কি নকৰো লাগিল। ইতিমধ্যে প্ৰায় ৰাতি আঢ়ৈ বাজিবৰ হ'ল। নাতিটোৱে অস্থিৰ হৈ কান্দিয়েই আছে। শেষত খোজ কাঢ়িয়েই যাবৰ বাবে গুনা-গঁথা কৰি থাকোতেই হঠাৎ এজন ল'ৰামতীয়া মানুহ আমাৰ ওচৰলৈ আহিল। তেওঁ আমাক কি হৈছে সুধিলে। তেওঁক নাতিটোৰ অসুখৰ কথা কোৱাত তেওঁ ক'লে যে ইমান ৰাতি প্ৰাইভেট ডাক্তৰ পোৱা সম্ভৱ নহ'ব, গতিকে পুৰী হাস্পতাললৈ লৈ যাওক লগতে ক'লে যে ইমান ৰাতি অন্য ভাড়াৰ বাহন একো নাপাব। গতিকে আপোনালোকে বেয়া নাপালে মোৰ সৰু ট্ৰাকখনতেই আপোনালোকক হাস্পতালত থৈ আহিব পাৰো। তেওঁ হেনো সৰু ট্ৰাকখনত 'বিগ বজাৰ'ৰ মাল বস্তু লৈ আহিছিল আৰু প্ৰায় এঘণ্টামান আগতে পুৰী পাইছিল। আমি যিখন হোটেলত আছিলো তাৰ তলতেই তলৰ মহলাত 'বিগ বাজাৰ'। সেয়ে তেওঁ ট্ৰাকখন লৈ তাত ৰৈ আছিল। আমাক দেখি কিবা সমস্যাৰ কথা উপলব্ধি কৰি আমাক সুধিবলৈ আহিছিল। তেওঁৰ গাড়ীখন সৰু মিনি ট্ৰাক। শেষত আমি উপায়হীন হৈ তেওঁৰ লগত ট্ৰাকত সন্মুখৰ ছিটত মই, বোৱাৰী, নাতি, মোৰ পৰিবাৰ কেনেবাকৈ বহিলো। ল'ৰাটোৱে দৰ্জাখনত ধৰি পাওদানিত থিয় হৈয়েই যাব লগা হ'ল। আমাৰ লগত হোটেলৰ কাউণ্টাৰত থকা ল'ৰা দুজনেও সিহঁতৰ স্কুটাৰ লৈ আমাৰ লগত মেডিকেললৈ গ'ল। আটাইৰে সহায়-সহযোগিতাত হাস্পতালত ডাক্তৰক দেখুৱালো। ডাক্তৰে হাস্পতালত ভৰ্তি কৰাই দি চেলাইন আৰম্ভ কৰি দিলে। সৰু ল'ৰা এবছৰ হৈছে মাত্ৰ খুব চিঞৰিছে আৰু ছট্‌ফটাইছে। দেখিলে অন্তৰ ফাটি যাব বিচাৰে। আমাক হাস্পতালত থৈ হোটেলৰ ল'ৰা দুজন গুচি আহিল কিন্তু ট্ৰাকৰ ড্ৰাইভাৰজন আমাৰ লগত প্ৰায় ৰাতিপুৱা ছয় বজালৈ হাস্পতালতে থাকিল। পুৱা ছয় বজাৰ পাছত তেওঁ আমাক ক'লে যে তেওঁ বিগ বাজাৰৰ বস্তুবোৰ নমাব লাগিব, গতিকে তেওঁ যায়গৈ। আমাক ট্ৰাকখনৰে সেইখিনি সহায় কৰি দিয়াৰ বাবে তেওঁক পাঁচশ টকা দিব বিচাৰিছিলো। তেওঁ নল'লে। মই জোৰকৈ দিব বিচৰাত তেওঁ ক'লে— বাবুজী মই আপোনাৰ ল'ৰা বুলি ধৰক। গতিকে মোক পইচা নিদিব। মই নামটো সোধাত ক'লে যে তেওঁৰ নাম 'গণেশ' আৰু ঘৰ ভুৱনেশ্বৰত। সেইখন তেওঁৰ নিজৰ ট্ৰাক।

পাছদিনা পুৱা মানে ১৫ মাৰ্চত সাতমান বজাত চেলাইনটো শেষ হোৱাত ডাক্তৰে ঔষধপাতি দি আমাক হাস্পতালৰ পৰা ৰিলিজ দিলে। ইতিমধ্যে ল'ৰাটো অলপ সুস্থিৰ হৈছিল। হোটেললৈ আহি তাক ঔষধ আদি খুৱাই দিয়াত সি অলপ সুস্থিৰ হৈ টোপনি মাৰিলে। ট্ৰাকৰ ড্ৰাইভাৰ 'গণেশে' হোটেললৈ আহি খা-খবৰ ল'লে।

উপায়বিহীন হৈ মই আৰু পৰিবাৰে প্ৰভু জগন্নাথক দৰ্শন কৰিলো প্ৰায় দিনৰ ১১টামান বজাত লগতে আমাৰ পাণ্ডাজনক আমাৰ বিপদৰ বিষয়ে সবিশেষ বিৱৰি ক'লো। তেওঁ দুখ কৰিলে লগতে প্ৰভু জগন্নাথে দয়া কৰিব বুলি ক'লে। প্ৰভু জগন্নাথক দৰ্শন কৰি আমি হোটেললৈ আহিলো। সেইদিনা দিনত খোৱা লোৱা প্ৰায় নহ'লেই।


মন্দিৰৰ পৰা আহি পুনৰ 'গণেশ'ক হোটেলৰ তলত বিগ বাজাৰৰ ওচৰত লগ পাই মই আৰু পৰিবাৰে তেওঁক জোৰকৈ ছাৰ্ট এটা উপহাৰ দিলো আৰু অলপ মিঠাই কিনি দি ঘৰলৈ নিব দিলো, কাৰণ তেওঁহেনো ট্ৰাকখনৰ বস্তু নমাই চাৰিটামান বজাত ভুৱনেশ্বৰলৈ যাবগৈ। তেওঁৰ সবিশেষ সোধাত ক'লে যে মাক-দেউতাক আছে, ককায়েক-বৌৱেক আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী দুটা, তাৰ পাছত গণেশ-ঘৈণীয়েক আৰু তেওঁলোকৰ ল'ৰা দুজন, তাৰ পাছত ভনীয়েক এজনী কটকত থাকে, বিয়া হৈছে। শেষত সৰু ভায়েক-ঘৈণীয়েক আৰু সিহঁতৰ ছোৱালী দুজনী। দেখাত সাধাৰণ ট্ৰাক ড্ৰাইভাৰ যদিও তেওঁৰ অন্তৰৰ ভক্তি বা উদাৰতাই দেখুৱাই দিলে তেওঁ কিমান মহান। ট্ৰাকখন তেওঁৰ নিজৰ; লগতে অন্য ১৭খন তেনেকুৱা ট্ৰাক তেওঁলোকৰ আছে। সৰু ভায়েকৰ লগত এইবোৰ চোৱা চিতা কৰে। তেওঁ চলোৱা ট্ৰাকখন প্ৰথম ট্ৰাক কাৰণে তেওঁ সেইখন নিজেই চলায়। বাকী ট্ৰাকবোৰ অন্য ড্ৰাইভাৰে চলায়। সবিশেষ জানি তেওঁক ধন্যবাদ দি তেওঁৰ পৰা বিদায় ল'লো।

আবেলি আমি নাতিটোক এজন শিশু বিশেষজ্ঞৰ ওচৰলৈ লৈ গ'লো। তেওঁ প্ৰস্ৰাৱ-পায়খানা পৰীক্ষা কৰাই ঔষধ দিলে। ঔষধ খোৱাৰ পাছতেই নাতিটোৰ দুই-তিনিবাৰমান পনীয়া পায়খানা হ'ল। ডাক্তৰে ভয় কৰিব নালাগে বুলি ক'লে যে ইণ্ডিগেছনৰ বাবেহে এনেকুৱা হৈছে। ভাল পাব। অৱশ্যে ৰাতিলৈ সি যথেষ্ট সকাহ পালে আৰু হাঁহি মাতি অলপ খেলা-ধূলাও কৰিলে। ৰাতি প্ৰায় আঠমান বজাত পাণ্ডাই আমাক মন্দিৰৰ ভোগ দি গ'লহি। লগতে মন্দিৰৰ ওচৰৰ নাপিত এজন আনি নাতি ল'ৰাটোৰ মূৰৰ চুলি অলপ কাটি নি মুণ্ডনৰ নিয়মটো কৰাই দিলে। যিহেতু নাতিটো অসুস্থ গতিকে তেওঁ সেইখিনি কাম তেনেকৈয়ে কৰাব বুলি ক'লে। আমি ৰাতি মন্দিৰৰ ভোগ খালো। পাছদিনা মানে ১৬ মাৰ্চত নাতিটোৱে যথেষ্ট ভাল পালে আৰু আমি সেইদিনাই পুৱা ১০মান বজাত টেৰ্ি এখন লৈ ভুৱনেশ্বৰলৈ গুচি আহিলো। কাৰণ ভুৱনেশ্বৰৰ পৰা আমাৰ বিমানৰ টিকট আছিল ১৮ মাৰ্চত। ভুৱনেশ্বৰতো আমাৰ হোটেল বুক কৰি থোৱা নাছিল। গতিকে অসুবিধা হোৱা নাছিল। ১৬ মাৰ্চত নাতিটোৱে সুস্থ অনুভৱ কৰাত আমাৰো মনবোৰ ভাল লাগিছিল। ১৬ মাৰ্চত পুৰীৰ পৰা আহি থাকোতে লক্ষ্য কৰিছিলো যে পুৰী আৰু ভুৱনেশ্বৰৰ মাজত যি টোলগেট আছে তাত পুৰীৰ পৰা অহা গাড়ীবোৰ আহিব দিছে। কিন্তু ভুৱনেশ্বৰৰ পৰা পুৰীলৈ যোৱা কোনো গাড়ীকেই সৰু বা ডাঙৰ যাব দিয়া নাই। আৰু সেয়া প্ৰশাসনে কৰিছে ক'ভিডৰ বাবে। ইতিমধ্যে ক'ভিডৰ ভয়াৱহতা বৃদ্ধি পাবলৈ ধৰিছিল। আমি যেনে-তেনে ১৬ আৰু ১৭ মাৰ্চত ভুৱনেশ্বৰত থাকি ১৮ মাৰ্চত গুৱাহাটী পালোহি। ইতিমধ্যে নাতিটোৱে সুস্থ হৈ উঠিছিল।

ইয়াৰ মাজতেই ১৭ মাৰ্চৰ আবেলি মই আৰু পৰিবাৰে ভুৱনেশ্বৰত হোটেলৰ পৰা ওলাই 'গণেশ'ৰ ঘৰ ওলালো। তেওঁ আমাক ঘৰৰ ঠিকনা দিছিলে। ভুৱনেশ্বৰৰ ৰেল ষ্টেচনৰ প্ৰায় ওচৰতেই। তেওঁ ঘৰত নাছিল। আমি মিঠাই, বিস্কুট আদিৰে তেওঁৰ ঘৈণীয়েক, মাক আৰু দেউতাকক লগ ধৰি আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো। তেওঁ আমাৰ বিষয়ে ঘৰত সবিশেষ জনাইছিল।

১৮ মাৰ্চত গুৱাহাটী বিমান বন্দৰত উষ্ণতা আদিৰ পৰীক্ষা আৰম্ভ হৈছিল। আমিও যেনে-তেনে আহি ঘৰ পালোহি আৰু ২০ মাৰ্চৰ পৰা সমগ্ৰ দেশতেই তলাবন্ধ আৰম্ভ হৈ গৈছিল। যাহওক প্ৰভু জগন্নাথক দৰ্শন কৰিবলৈ গৈ যিটো বিপদৰ সন্মুখীন হৈছিলো তাক মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। প্ৰকাশ কৰিব খুজিলেও অইনক উপলব্ধি কৰিব নোৱাৰো। যি ভীষণ বিপদৰ সন্মুখীন হৈছিলো তাক ভাবিলে এতিয়াও গাৰ নোম শিয়ৰি উঠে। আৰু সেইখিনি সময়তেই প্ৰভু জগন্নাথে 'গণেশ'ৰ ৰূপত আহি আমাক দেখা দি আমাক বিপদৰ পৰা উদ্ধাৰ কৰিলে। গতিকে ভগৱানে কাক কেতিয়া কেনেকৈ দেখা দিয়ে কোনেও নাজানে। আমি ৮০ৰ দশকৰ পৰাই প্ৰভু জগন্নাথক দৰ্শন কৰি আহিছো। প্ৰতিবাৰেই প্ৰভুক দৰ্শন কৰি প্ৰাৰ্থনা কৰো যাতে প্ৰতি বছৰেই প্ৰভু জগন্নাথে তেওঁৰ চৰণত সেৱা কৰাৰ সুবিধা দিয়ে। সেয়েহে হয়তো আমি বিপদৰ সন্মুখীন হোৱাত প্ৰভু জগন্নাথে 'গণেশ'ৰ ৰূপত আমাক উদ্ধাৰ কৰিলে।

*ফোন ঃ ৯৪৩৫৫৫৫৫৮৬*



# ইছলামত জাত-পাতৰ বিচাৰ নাই ঃ সকলো সমান

আনে ভবাৰ দৰে ইছলাম ধৰ্মত ধনী-দুখীয়া, ক'লা-বগা, জাত-পাতৰ বিচাৰ নাথাকে। বৰঞ্চ এইসকলো সমাজৰ পৰা আঁতৰ কৰিবলৈ আল্লাহ আৰু আল্লাহৰ ৰছুলে নিৰ্দেশ দিছে। যিটো অনুকৰণীয় নহয়, সমাজৰ বাবে হিতকৰ সকলো দিশতে।

■ চাহাবুদ্দিন আহমেদ

**প**ৱিত্ৰ কোৰান শ্বৰীফ হ'ল আল্লাহৰ বাণী। মহান আল্লাহ বা সৃষ্টিকৰ্তাই মানৱৰ প্ৰতি প্ৰেৰণ কৰা নিৰ্দেশৱালীয়ে হ'ল পৱিত্ৰ কোৱানৰ সমষ্টি। আল্লাহৰ বাণী অৰ্থাৎ ঐশ্বৰিক নিৰ্দেশ বা বাণীসমূহ জিব্ৰাইল (আঃ)ৰ দ্বাৰা ইছলামৰ শেষ নবী হজৰত মহম্মদ (ছঃ) লৈ প্ৰেৰণ কৰিছিল। ডিব্ৰাইল (আঃ) আছিল আল্লাহৰ ফিৰিস্তা বা দেৱদূত। আল্লাহৰ নবী হজৰত মহম্মদ (ছঃ)-এ যি সময়ত জন্মলাভ কৰিছিল সেই সময়ৰ আৰৱ সমাজ আছিল অন্ধবিশ্বাসী, বৰ্বৰ, মানৱতাহীন, ব্যাভিচাৰেৰে ভৰা। যাৰ বাবে সৃষ্টিকৰ্তাই হজৰত মহম্মদ (ছঃ)ক ৰছুল বা পয়গম্বৰৰূপে প্ৰেৰণ কৰিছিল। সেয়েহে পৱিত্ৰ কোৱানত সন্নিবিষ্ট আদেশবোৰৰ নামেই হ'ল ইছলাম। আনহাতে, আল্লাহৰ নিৰ্দেশত তেওঁ কোৱা কথাসমূহে হ'ল হাদিছ। এই হাদিছসমূহত আল্লাহৰ ৰছুলে বাৰে বাৰে কৈ গৈছে যে ইছলাম ধৰ্মত সকলো সমান। ইয়াত হীন-পৰ নাই। তেওঁ কৈছে—

'সমগ্ৰ পৃথিৱীবাসী আল্লাহৰ পৰিবাৰ। আল্লাহৰ ওচৰত সেই ব্যক্তি সকলোতকৈ অধিক প্ৰিয়, যিজনে বান্দাৰ লগত ভাল ব্যৱহাৰ কৰে।' (হাদিছ মিছকাত)

আনহাতে, সকলোকে সমান দৃষ্টিৰে চোৱা সন্দৰ্ভত তেওঁ অন্তিম হজৰ সময়ত একলাখ বিশ হেজাৰো অধিক চাহাবী (অনুগামী)ক সম্বোধন কৰি কৈছিল—

'হে, লোকসকল, তোমালোক সকলোৰে পালনকৰ্তা প্ৰভু (ৰব) এজনেই আৰু তোমালোকৰ জন্মদাতা পিতৃ এজনেই। কোনো আৰৱবাসী অনা আৰৱবাসীতকৈ বা কোনো শ্বেতাংগ লোক কৃষ্ণাংগ লোকতকৈ অথবা কৃষ্ণাংগ লোক শ্বেতাংগ লোকতকৈ শ্ৰেষ্ঠ নহয়, একমাত্ৰ শ্ৰেষ্ঠত্ব আছে মাথোঁ সেইজনৰ, যিজনে পৰহেজগাৰ (খোদা ভীৰু, আল্লাহপৰায়ণ) আল্লাহৰ ওচৰত সকলোতকৈ বেছি প্ৰতিষ্ঠিত শ্ৰেষ্ঠ ব্যক্তি সেইজন; তোমালোকৰ মাজত বেছি পৰহেজগাৰ (আল্লাহপৰায়ণ)।' (হাদিছ বাইহাকী)

একেদৰে এজনে-আনজনক সহায় কৰাটো ইছলাম ধৰ্মৰ নিয়ম। এই সন্দৰ্ভত আল্লাহৰ ৰছুলে কৈছে—

'তোমালোকৰ ভিতৰত যিজনে অন্য ভ্ৰাতৃক সহায় কৰিবলৈ সামৰ্থ থাকে তেওঁ সেই কাম অৱশ্যেই কৰিব লাগে।' (হাদিছ মুছলিম)

তদুপৰি ভুল ধাৰণা-পৰচৰ্চা সন্দৰ্ভত আল্লাহৰ ৰছুলে কৈছে—

'ভ্ৰান্ত ধাৰণাৰ পৰা বিৰত থাকিবা। কাৰণ ভ্ৰান্ত ধাৰণা সকলোতকৈ ডাঙৰ মিথ্যাচাৰ হয়। আনৰ দোষ নুখুচৰিবা, আনৰ পাছত লাগি নাথাকিবা, এজনে আনজনক ঈৰ্ষা নকৰিবা, কপটতাৰ আশ্ৰয় নল'বা, বৰঞ্চ হে আল্লাহৰ বান্দা, তোমালোকে আপোচত ভাই ভাই হৈ যোৱা।' (হাদিছ মুছলিম)।

আনক দুখ-কষ্ট নিদিবলৈ হজৰত মহম্মদ (ছঃ)-এ কৈছে—

'আল্লাহৰ বান্দাক (জীৱক) দুখ-কষ্ট নিদিবা।' (হাদিছ আবুদাউদ)

তদুপৰি তেওঁ কৈছে—

'আল্লাহে সেই ব্যক্তিৰ ওপৰত দয়া নকৰে, যিজনে অন্য ব্যক্তিক দয়া নকৰে।' (হাদিছ বুখাৰী মুছলিম)

ইফালে, বহুতে ভবাৰ দৰে ধাৰণা নসাৎ কৰি ইছলাম ধৰ্মৰ শেষ নবীয়ে মূৰ্তিপূজা সন্দৰ্ভতো বক্তব্য ৰাখিছে। এবাৰ একেশ্বৰবাদী নিৰাকাৰ আল্লাহৰ উপাসনা কৰা ইছলাম ধৰ্মৰ লোকসকলে হজৰত মহম্মদ (ছঃ)ক আবেদন কৰিলে যে বহু দেৱবাদী (মূৰ্তি পূজাৰী)ৰ বিৰুদ্ধে আল্লাহৰ ওচৰত অভিশাপ দিয়ক। তেতিয়া পয়গম্বৰ (ছঃ)-এ উত্তৰ দিছিল—

'মই অভিশাপ দিয়াৰ বাবে নহয়, দয়া কৰাৰ কাৰণেহে জন্ম হৈছো।' (হাদিছ মুছলিম)

আনকি আনৰ ধন-সম্পত্তি আত্মসাৎ সন্দৰ্ভত তেওঁ কৈছে—

'এনে প্ৰত্যেকজন মানুহৰ বাবে ধ্বংস নিশ্চিত, যিজনে আনৰ দোষ খোচৰে আৰু পৰনিন্দা কৰে, যিজনে ধন-সম্পত্তি জমা কৰে আৰু বাৰে বাৰে গণি থাকে। সি ধাৰণা কৰে যে ধন-সম্পত্তিয়ে তাক অমৰ ৰাখিব। কেতিয়াও হ'ব নোৱাৰে। সেই ব্যক্তিক চূৰ্ণ-বিচূৰ্ণকাৰী স্থানত নিক্ষেপ কৰা হ'ব। তুমি জানানে সেই চূৰ্ণ-বিচূৰ্ণকাৰীৰ স্থানডোখৰ কি? ই আল্লাহৰ প্ৰজ্বলিত অগ্নি। যি অগ্নিয়ে অন্তৰলৈকে খেদিব। সিহঁতৰ ওপৰত ঢাকনি দি বন্ধ কৰি দিয়া হ'ব। এনে অৱস্থাত সিহঁতৰ জুইৰ ওখ-ওখ স্তম্ভৰে পৰিবেষ্টিত হ'ব।' (আল কোৰান, ১০৪ঃ২-৯)

সেয়েহে আনে ভবাৰ দৰে ইছলাম ধৰ্মত ধনী-দুখীয়া, ক'লা-বগা, জাত-পাতৰ বিচাৰ নাথাকে। বৰঞ্চ এইসকলো সমাজৰ পৰা আঁতৰ কৰিবলৈ আল্লাহ আৰু আল্লাহৰ ৰছুলে নিৰ্দেশ দিছে। যিটো অনুকৰণীয় নহয়, সমাজৰ বাবে হিতকৰ সকলো দিশতে।

*ফোন ঃ ৮৪৮৬২৯৯২৫১*

# চাওতালসকলৰ চহৰাই পৰৱৰ এক চমু অৱলোকন

■ ৰমেশ চন্দ্ৰ চৰেণ

**অসমৰ** খিলঞ্জীয়া জনগোষ্ঠী চাওতালসকল হ'ল প্ৰকৃতিপূজক। প্ৰকৃতিৰূপী উৎস যেনে- পাহাৰ, পৰ্বত, গছ-গছনি, মাটি, পানী, নদ-নদীৰ লগতে প্ৰকৃতিৰ শক্তিক বিশ্বাস কৰি পূজা সেৱা কৰে। পূৰ্বে চাওতালসকলে চিকাৰ কৰি জীৱন নিৰ্বাহ কৰিছিল যদিও সময়ৰ লগে লগে কৃষিবৃত্তিত নিয়োজিত হৈ জীৱন নিৰ্বাহ কৰিবলৈ লয়। সেয়েহে চাওঁতালসকলে কৃষিকৰ্মৰ বাবে উৰ্বৰ ভূমি বিচাৰি হাবি-জংঘলৰে ভৰা পাহাৰ, পৰ্বত, ভৈয়ামত বিচৰণ তথা বসবাস কৰা দেখা যায়। কৃষিকৰ্ম বিশেষকৈ গৰু-ম'হৰ দ্বাৰা কৰা হৈছিল। গৰু ম'হক পঘাৰে বান্ধি বশ কৰি কৃষি কৰ্ম কৰা হয়। সেয়েহে চাওতালসকলৰ ভূমি আৰু কৃষিৰ লগত সম্পৰ্ক থকা কৃষিভিত্তিক পূজা, পাৰ্বণ, উৎসৱ আদি পালন কৰা এক বিশাল সংস্কৃতিৰ গঢ় লৈ উঠা পৰিলক্ষিত হয়। প্ৰকৃতিৰ ঋতু অনুসৰি আৰু কৃষিৰ ওপৰতে ভিত্তি কৰি চাওতালসকলে উৎসৱ-পাৰ্বণসমূহ পালন কৰে। প্ৰকৃতিৰ ঋতুৰ মতে যেনেদৰে 'বাহা উৎসৱ' পালন কৰা হয়। একেদৰে কৃষিক কেন্দ্ৰ কৰিয়েই চহৰাই পৰৱ পালন কৰা হয়। চাওতালসকলৰ এই চহৰাই পৰৱ আহিন কাতি মাহৰ কালীপূজা বা দেৱালীত পালন কৰা হয়। আন কিছুমানৰ মতে পুহ-মাঘ (ডিচেম্বৰ বা জানুৱাৰী) মাহত উৎসৱভাগ পালন কৰাৰ নিয়ম। কৃষিভিত্তিক হোৱা এই চহৰাই উৎসৱ সাধাৰণতে ধান চপোৱাৰ পাছতহে পালন কৰিব লাগে বুলি মত পোষণ কৰে একাংশই। সেয়েহে এই পৰৱক শস্য চপোৱা পৰৱ বুলিও বহুলোকে ক'ব খোজে। দৰাচলতে এই উৎসৱ ব'হাগ বিহু আৰু মাঘ বিহুৰ দৰেই। ব'হাগ বিহুত

## কৃষি ভিত্তিক উৎসৱৰ বিনন্দীয়া সংস্কৃতি

যেনেদৰে গৰুক মাহ- হালধি সানি শিঙত তেল দিয়ে আৰু ভক্তিভাবেৰে গৰু-গাইক চাকি বন্তি ধূপ-ধূনা দি পূজা সেৱা কৰে আৰু গোমাতাৰ বন্দনা কৰা হয়। লগতে বিহুৰ গীত-নৃত্যও কৰা হয়। ঠিক সেইদৰেই আদিবাসী চাওতাল পৰিয়ালৰ লোকেও গৰু-গাইক গা-পা ধুৱাই নতুন পঘাৰে বান্ধে। চহৰাই পৰৱ উপলক্ষে প্ৰায় তিনি চাৰি দিনৰ পূৰ্বেই গৰু গাইৰ বাবে ঘাঁহ পাতৰ ব্যৱস্থা কৰি ৰাখে। চহৰাই পৰৱৰ দিনা সন্ধিয়াভাগত গোহালিত গৰু-গাইক ভক্তিভাবেৰে ধূপ-ধূনা, চাকি-বন্তি দি পূজা সেৱা কৰে। পৰিয়ালৰ লগতে গাঁৱৰ মহিলাসকলেও মিলি 'গাই জাগাই' অৰ্থাৎ গো-বন্দনা কৰে। ডলাত গৰু-গাইক ভাত খাবলৈ দি চুমান কৰে আৰু কাটি ৰখা ঘাঁহেৰে গোটেই ৰাতি ঘাঁহ খাবলৈ দিয়া হয়। এই পৰৱত গীত-নৃত্যও কৰা হয়। উল্লেখ্য যে কৃষি কৰ্মৰ লগত জড়িত সা-সামগ্ৰীকে ধৰি ব্যক্তি বিশেষক সেই দিনটোৰ বাবে পূজনীয় হয়। কৃষি সা-সঁজুলিকো ধুই পখালি চাফ-চিকুণ কৰি তেল-সেন্দূৰ ধূপদীপ দি সেৱা কৰে। আনকি গৰখীয়াকো মূৰত তেল সানি ফণীয়াই দি নতুন বস্ত্ৰ পৰিধান কৰিবলৈ দিয়ে। কনিষ্ঠসকলে বয়োজ্যেষ্ঠ লোকসকলক শ্ৰদ্ধা-ভক্তি জনায়। জ্যেষ্ঠসকলে কনিষ্ঠসকলক মৰম যাচে আৰু আশীৰ্বাদ দিয়ে। বিশেষকৈ জানুৱাৰী পূৰ্ণিমাত সমাপ্তি ঘটা উৎসৱভাগক ঘাইকৈ গৰু-গাইক তিনিদিন ধৰি তেল হালধি সানি খাদ্যৰে আপ্যায়ন কৰে আৰু চুমান কৰি সেৱা কৰা দেখা যায়। এই চহৰাই পৰব যিহেতু খেতি-বাতি চপাই লোৱাৰ পাছত পালন কৰা হয়। সেয়েহে ধানৰ লগতে বিভিন্ন শস্য আদিৰে উভৈনদী হোৱা অতিৰিক্ত পুঁজিৰ বাবে চাওতালসকল অতিকৈ আনন্দিত হয়। বিশিষ্ট লেখক ৰামসুন্দৰ বাস্কেয়ে চাওঁতালী সাহাৰায়ৰ অৰ্থ মূলবীজ বা হিচাপতকৈ অধিক গুণে পোৱা অৰ্থাৎ কৃষি কৰ্মৰ মাধ্যমত পোৱা অতিৰিক্ত পুঁজি বুলি উল্লেখ কৰিছে। সেয়েহে কৃষিৰ বাবেই এইখিনি উন্নতি হোৱা বুলি চাওতালীসকলে সন্তুষ্টি প্ৰকাশ কৰি আহিছে। চহৰাই পালনৰ দিনটোত গো-সেৱাৰ পূজা-পাঠ কৰাৰ উপৰি ঘৰৰ মাংগলিক পৰ্বও সম্পন্ন কৰে চাওতালসকলে। পৰিয়ালৰ লোকে গাঁওবাসীৰ স'তে ভোজ-ভাত খাই আনন্দৰে চহৰাই গীত-নৃত্য কৰে। গীত সমূহক চাওতালী ভাষাত 'চহৰাই চেৰেং' আৰু নৃত্যক 'চহৰাই এনে চেৰেং' বুলি কোৱা হয়। ভোগৰ লগতে গীত-নৃত্যৰ সমাবেশ ঘটা উৎসৱভাগত চাওতালসকল সাধাৰণতে সাদিন ধৰি পালন কৰে। চহৰাইৰ প্ৰথম দিনৰ পৰ্ব'ক উমহিলংক বুলি কোৱা হয়। সেইদিনা পৰিয়ালৰ বিশেষকৈ মহিলাসকলে ঘৰ দুৱাৰ চাফ-চিকুণ কৰাৰ উপৰি চোতালত বিভিন্ন ধৰণৰ গছ, লতা, পাত, ফুল আদিৰ চিত্ৰ অংকন কৰা দেখা যায়। সেই দিনটোতেই সমাজৰ লোকসকলে 'গডটাণ্ডি'ত পূজা সেৱা কৰে। সন্ধিয়াৰ ভাগত গোহালিৰ গৰু গাইক তেল হালধি সানি ধূপদীপ বন্তি দি গৰু গাইক সেৱা কৰি বন্দনা কৰা হয়। লগতে বাদ্য বাজনাৰে গীতো গোৱা দেখা যায়। দ্বিতীয় দিনা দাকাই হিলংক পৰ্ব অৰ্থাৎ ঘৰত নিজৰ ইষ্টদেৱতাক পূজা-পাতল কৰা হয়। বহুলোকে সেইদিনা কঠোৰভাবে ব্ৰত পালন কৰে। পূজাৰ শেষত পৰিয়ালৰ সম্বন্ধীয়সহ পৰিয়ালৰ লোকে 'জম-এঙ' অৰ্থাৎ খোৱা-বোৱা কৰে। তৃতীয় দিনাখন নাঙল, যুঁৱলী, কটাৰী, দা, কোৰ আদিক পৰিষ্কাৰ কৰি ৰখা হয়। আৰু গৰু গাইৰ শিঙত তেল, সেন্দূৰ দি 'চিমোওড়া' অৰ্থাৎ ভক্তিভাবেৰে বন্দনা কৰা হয়। সেইদিনা মাঞ্জহি অৰ্থাৎ সমাজৰ গাঁওবুঢ়াৰ ঘৰৰ নিচেই ওচৰত খঙাল গৰু বা ম'হক ৰছীৰে বান্ধি ডিঙিত পিঠা আৰু নগদ টকা ওলমাই দিয়া হয়। আৰু খঙাল গৰু বা ম'হৰ ওচৰত মাদল, নাগাৰা আদি বজাই বা ভয় খুৱাই জোকাই দিয়া হয়। যিজন সাহসী লোকে গৰু বা ম'হৰ ডিঙিৰ পৰা টকা আৰু পিঠা আঁজুৰি আনিব পাৰে তেওঁক উপযুক্ত সন্মান যাচি পুৰস্কৃত কৰা হয়।



সাধাৰণতে চাওতালী ভাষাত এই পৰ্বক 'খণ্টাও হিলংক বুলি কোৱা হয়। 'জালে হিলংক বুলি কোৱা পৰ্ব'ক চহৰাই পৰৱৰ চতুৰ্থ দিনত পালন কৰা হয়। প্ৰধানত সেইদিনাখন গাঁৱৰ ডেকা- গাভৰুকে ধৰি সকলোৱে মিলি ঘৰে ঘৰে গীত-নৃত্য কৰে। পিঠা-পনা চাহ জলপান আদি খোৱাৰ উপৰি ঘৰত চাউলেৰে বনোৱা সুৰাও পান কৰে আৰু পৰিয়ালৰ কুশল কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।' 'হাকো-কাটকম' বুলি কোৱা চাওতালসকলৰ চহৰাই পৰৱৰ আন এটা পৰ্ব মানি চলা হয়। সেইদিনা গাঁৱৰ ৰাইজে মিলি আনন্দ মনেৰে খাল, বিল, জলাশয় নতুবা নদীত গৈ মাছ মাৰি সকলোৱে মাছ-কেঁকোৰা আদি ভগাই লয়। এই পৰ্বই চাওতালসকলৰ মাজত সহায় সহযোগিতাৰ ভাব মিলা-প্ৰীতিৰ বন্ধন সুদৃঢ় হৈ থকাত সহায় কৰে। চহৰাইৰ 'চাকৰাৎ' পৰ্বও গুৰুত্বপূৰ্ণ। সেইদিনা গাঁৱৰ লোকসকলে জংঘলত চিকাৰ কৰিবলৈ যায়। চিকাৰ কৰি উভতি আহি লক্ষ্যভেদ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। চাওতালী ভাষাত 'বেজহা তুঞ' বুলি কোৱা হয়। ইয়াৰ উপৰি বিভিন্ন ধৰণৰ খেল-ধেমালিৰ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। বিজেতাজনক যথাযোগ্য সন্মানেৰে পুৰস্কৃত কৰা হয়। সদৌ শেষত চাওতালী ভাষাৰ 'ফুটফুটি' নামৰ চহৰাই পৰৱৰ এটা বিশেষ আলোচনা পৰ্ব নীতিভুক্ত হৈ আছে। সেই দিনটো চহৰাই পৰৱৰ অংশবিশেষ হিচাপে ধৰা হৈছে। বিশেষকৈ চহৰাই পৰৱৰ সময়ছোৱাত অনাকাংক্ষিতভাবে কাৰোবাৰ মনত আঘাত দিয়া, হাই-কাজিয়া তথা মনোমালিন্য হোৱা অথবা দোষ-ত্ৰুটি আদি থাকিলে আলোচনা-বিলোচনাৰ মাজেৰে সমাধান কৰি দিয়া হয়। আৰু সকলোকে ভ্ৰাতৃত্ববোধৰ এনাজৰীৰে মৰম-চেনেহ মিলাপ্ৰীতি আৰু শান্তি-সম্প্ৰীতিৰে বান্ধ খাই জীৱন নিৰ্বাহ কৰাৰ আহ্বান জনোৱা হয়। এইদৰেই চাওতালসকলে চহৰাই পৰৱ পালন কৰে।

**ফোন ঃ** ৯৯৫৪৮৩৪৬৪১

# অপৰাধ কিয় হ্ৰাস নাপায়

■ কেশৱ শৰ্মা

**গান্ধীজীৰ** সপোনৰ ৰামৰাজ্য গান্ধীজীৰ উত্তৰ পুৰুষে ধূলিসাৎ কৰিলে। আজি গান্ধীজীৰ দেশক এখন অপৰাধৰ ৰাজ্যতহে গঢ়ি তুলিলে। একালত জীয়াই থকাৰ তাড়নাত সেই শ্ৰেণীৰ মানুহে ৰাতি আনৰ ঘৰৰ পৰা বয়-বস্তু, টকা-পইচা যি পাৰে তাকেই চুৰি কৰি আনি পেটৰ দায় মাৰিবলৈ বাধ্য হৈছিল। ধৰা পৰিলে মাৰ-কিল খাইছিল। কোনো কোনোৱে শাস্তিৰ কাৰণে জীৱনলৈ চুৰিকাৰ্য কৰিবলৈ অসমৰ্থ হৈছিল। এই শ্ৰেণী লোকৰ ভিতৰৰ কিছুমানৰ জীৱনৰ পৰিৱৰ্তনো হৈছিল ভাল মানুহৰ সংগ লাভ কৰাত। আজিৰ চোৰ-ডকাইতৰ ভিতৰৰ বহুতেই বৃত্তিধাৰী লোক। জীৱিকাৰ ভাল সংস্থাপন থকা। আজিৰ চোৰ-ডকাইতবিলাকে ৰাষ্ট্ৰৰ ধন চুৰি কৰে। চুৰি-ডকাইতি কৰা ধন বিত্তীয় প্ৰতিষ্ঠানত নিজৰ আৰু পৰিয়ালৰ অন্যান্য লোকৰ নামত জমা কৰি ৰাখে। ধনৰ পৰিমাণ বৃদ্ধি হ'লে বিদেশৰ বিত্তীয় প্ৰতিষ্ঠানতো ৰখাৰ ব্যৱস্থা আছে। আজিৰ বাহিৰ শুৱনি দগাবাজ ডকাইতহঁতক ধৰা পৰিলে ধনৰ উৎসবোৰৰ সন্ধান কৰিবলৈ সোধ-পোছ কৰা হয় পুলিচৰ জিম্মাত ৰাখি। জেল-জৰিমনা হ'লেও তেওঁলোকক সকলো প্ৰকাৰৰ সুবিধা প্ৰদানেৰে ৰখা হয়, য'ত চৰকাৰী ধন ব্যয় হয় চোৰ-ডকাইতৰ লগত। ডকাইতি কৰি সংগ্ৰহ কৰা ধনৰ পৰিমাণবোৰ ৰাইজে শুনি শুনি বিস্ময় আৰু ক্ষোভত উত্তেজিত হয়, কিন্তু ডকাইতৰ ধনবোৰ ক'ত, কি হয়, তাৰ কথা ৰাইজৰ অজ্ঞাত হৈয়ে থাকে। বৰ্তমান বাহিৰ শুৱনি ডকাইতৰ উৎপাতত চৰকাৰী ধন লুণ্ঠনৰ এখন বজাৰহে যেন হ'ল। বৰ্তমান চোৰ-ডকাইতৰ লক্ষ্য হ'ল চৰকাৰী ধন ব্যক্তিগত সম্পত্তি কৰাৰ প্ৰতিযোগিতা। আগৰ পেটৰ তাড়নাত চুৰি-ডকাইতি কৰা অশিক্ষিত লোকৰ ভিতৰৰ কিছুমানে লাজ-লজ্জাত পৰি অনুতপ্ত হোৱাও দেখা গৈছিল, য'ত আজিৰ উচ্চ শিক্ষিত, মৰ্যাদাৰ আসনত উপবিষ্ট হোৱা লোকৰ বহুতে লাজ-মান সকলো ত্যাগ কৰা দেখা গ'ল। মুখত কাপোৰ বান্ধি লোৱাই লজ্জা নিবাৰণ পদ্ধতিক আঁতৰাই ৰখা হোৱা বুজাব নোৱাৰে।



আমাৰ বোধেৰে আমাৰ দেশৰ আইন ব্যৱস্থা অপৰাধ ৰোধৰ উপযুক্ত নহয়। আমি ক'বলৈ বাধ্য যে আমাৰ আইন ব্যৱস্থাই কেতিয়াবা কেতিয়াবা নিৰপৰাধীক অপৰাধী আৰু অপৰাধীক নিৰপৰাধী সজোৱাৰ উদাহৰণ আছে। আনটো উল্লেখযোগ্য কাৰণ হ'ল আমাৰ বিচাৰ ব্যৱস্থাত অপৰাধী লোকো নিয়োজিত হৈ থকাটো। আকৌ বিচাৰ-ব্যৱস্থা ব্যয়বহুল আৰু দীৰ্ঘ সময় অপেক্ষাৰত থাকিবলগা হোৱা। আগতে চোৰৰ প্ৰতি সকলোৰে ঘৃণা, এলাগী মনোভাৱ উপজিছিল, আজিৰ চোৰ-ডকাইতৰ সংগ দিয়ে মৰ্যাদাৰ আসন অলংকৃত লোকৰো বহুতেই; এনেকি আঁতৰত থাকি সহায়ৰ হাত আগবঢ়োৱা লোকৰো অভাৱ নাই। গতিকে অপৰাধ নিৰ্মূল হোৱা অসম্ভৱ বুলি আমাৰ ধাৰণা।

বাস্তৱ পৰিস্থিতিয়ে প্ৰমাণ কৰে নাথুৰামে গান্ধীজীক হত্যা কৰিছিল আৰু আমি উত্তৰ পুৰুষে গান্ধীজীৰ আদৰ্শক হত্যা কৰিলো।

*ফোন ঃ ৯৪০১৮৭৯৪০৮*

■ নিৰ্মাণ সম্পূৰ্ণ হোৱা ১০ বছৰৰ পাছতো মুকলি নহ'ল হাওৰাঘাটৰ নমাটি স্বাস্থ্য কেন্দ্ৰ

# হাবি-জংঘলৰ মাজত চৰকাৰী চিকিৎসালয়



**বিশেষ সংবাদদাতা**

**নগাঁও, ১১ নৱেম্বৰঃ** নগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমান্তবৰ্তী কাৰ্বি আংলং জিলাৰ হাওৰাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত আহুতলি অঞ্চলৰ নমাটি স্বাস্থ্য কেন্দ্ৰটো বগাহাতীত পৰিণত হৈছে। অতি ভিতৰুৱা এই অঞ্চলটোৰ ৰাইজৰ চিকিৎসা সেৱাৰ সুবিধাৰ্থে বিগত দহ বছৰ পূৰ্বে নিৰ্মাণ কৰা হৈছিল এই চিকিৎসালয়খন। নিৰ্ধাৰিত সময়ত এই চৰকাৰী চিকিৎসালয়খনৰ গৃহ আৰু আন আন্তঃগাঁথনিৰ কাম সম্পূৰ্ণ হৈ উঠে। কিন্তু পৰিতাপৰ বিষয় যে চৰকাৰী মেৰপেচৰ বাবেই বহু প্ৰত্যাশিত এই স্বাস্থ্য কেন্দ্ৰটোৰ দুৱাৰ আজিকোপতি ৰাইজৰ সেৱাৰ বাবে মুকলি কৰা নহ'ল । নিৰ্মাণ সম্পূৰ্ণ হোৱা স্বাস্থ্য কেন্দ্ৰটোত বিদ্যুৎ সংযোগো দিয়া হ'ল। সুদীৰ্ঘ ১০ বছৰ ধৰি এই চিকিৎসালয়খন ৰাইজৰ সেৱাৰ বাবে মুকলি কৰি নিদিয়াত ইগৰাকীবিহীন সম্পত্তিত পৰিণত হয়। ফলত অটব্য হাবি-জংঘলে আৱৰি ধৰিছে স্বাস্থ্য কেন্দ্ৰটো। হাওৰাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত আহুতলি অঞ্চলৰ ন-মাটি স্বাস্থ্য কেন্দ্ৰটো ১০ বছৰ পূৰ্বে নিৰ্মাণ সম্পূৰ্ণ হ'ল যদিও অজ্ঞাত কাৰণত আজিও মুকলি নোহোৱাত ক্ষোভত ফাটি পৰিছে সৰ্বসাধাৰণ ৰাইজ। উল্লেখ্য যে পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলটোত মেলেৰিয়াকে ধৰি বিভিন্ন ৰোগত বহু লোক প্ৰতি বছৰেই আক্ৰান্ত হয়। চিকিৎসা সেৱাৰ কোনো ব্যৱস্থা নথকা অঞ্চলটোৰ উপায়ান্তৰ ৰাইজে ৰোগাক্ৰান্ত লোকৰ চিকিৎসা সেৱাৰ বাবে ঠেলাৰে নগাঁৱৰ চিকিৎসালয়লৈ নিব লাগে। আন বহুতেই ৰোগীক বেজৰ ওচৰলৈ নি জৰা-ফুকাৰ দৰে অন্ধবিশ্বাসৰ সহায় লয় । উল্লেখ যে কাৰ্বি আংলং স্বায়ত্ত পৰিষদ উন্নয়ন পুঁজিৰে এই স্বাস্থ্য কেন্দ্ৰটো নিৰ্মাণ কৰিয়ে দায়িত্ব সামৰিলে বিভাগীয় কৰ্তৃপক্ষই। আনহাতে, নিৰ্বাচনৰ সময়ত বিভিন্ন প্ৰতিশ্ৰুতি প্ৰদান কৰা জনপ্ৰতিনিধিত্বসকলেও পাঁচ বছৰত এবাৰ নিজৰ মুখ দেখা দিয়েই নিজৰ দায়িত্ব সামৰে। ফলত নগাঁও-কাৰ্বি আংলং জিলা সীমান্তৱৰ্তী এইসকল ৰাইজে এক নাৰকীয় জীৱন কটাবলগীয়া হৈছে।

আজি অঞ্চলটোৰ একাংশ লোকে অতি আক্ষেপেৰে কয়, 'স্বাস্থ্য কেন্দ্ৰটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ ১০ বছৰৰ পাছতো মুকলি নকৰি গৰাকী নোহোৱা সম্পত্তিৰ দৰে পেলাই থোৱাটো দুৰ্ভাগ্যজনক। স্বাস্থ্য কেন্দ্ৰটোৰ নামত চৰকাৰী ধনৰ অপচয়হে কৰা হ'ল। হাবি-জংঘলে ছানি ধৰা ঘৰটোত পৰৱৰ্তী সময়ত বিদ্যুৎ সংযোগো দিয়া হ'ল। এতিয়া প্ৰতি মাহে তিনি-চাৰি হেজাৰ টকাৰ বিদ্যুৎ বিল আহে।'

আন এজন লোকে কয়, 'আজিৰ দিনতো আমাৰ মানুহে স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত হৈ থাকিব লগা হোৱাটো পৰিতাপৰ বিষয়। এতিয়া গাঁৱলীয়া বেজেই আমাৰ ত্ৰাণকৰ্তা হৈ পৰিছে। বেজৰ বেজালিত বহু লোকৰ অকাল মৃত্যুও ঘটিছে।'

## নিজৰ লগতে পত্নীৰ প্ৰতিমূৰ্তি পূজা কৰে বিশ্বনাথৰ এটা মন্দিৰৰ পূজাৰীয়ে



অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১১ নৱেম্বৰ ঃ** নিজৰ লগতে নিজৰ সহধৰ্মিণীৰ প্ৰতিমূৰ্তিত পূজা কৰা বিশ্বনাথৰ এটা মন্দিৰক লৈ চৰ্চা হৈছে। যি সময়ত হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ উপাসনা থলীসমূহত ভগৱানক পূজা-আৰাধনা কৰে সেই সময়ত বিশ্বনাথত সংঘটিত হৈছে এক আজৱ ঘটনা। এই মন্দিৰটোত দেৱ-দেৱীৰ লগতে নিজৰ আৰু পত্নীৰ প্ৰতিমূৰ্তিত পূজা কৰে পূজাৰীয়ে। বিশ্বনাথ জিলাৰ পূব চতিয়াৰ ঘিলাধাৰী নৈৰ সমীপত অৱস্থিত শিৱ গংগা ধাম পঞ্চমুখী হনুমান মন্দিৰৰ বাবা ৰাম দাস চন্ত মহাৰাজে নিজৰ লগতে সহধৰ্মিণীৰ প্ৰতিমূৰ্তিত বিগত তিনি বছৰৰ পৰা কৰি আহিছে পূজা। বিগত ১৯ বছৰৰ পৰা ১৫ নম্বৰ ঘাইপথৰ কাষতে থকা মন্দিৰটোত নিজক সমৰ্পিত কৰি এইজন পুৰোহিতে মন্দিৰটোৰ ভিতৰত ১১খনকৈ পূজা থলীত কৰি আহিছে পূজা-পাৰ্বণ। কিন্তু মন্দিৰটোৰ ভিতৰত থকা নিজৰ লগতে সহধৰ্মিণীৰ প্ৰতিমূৰ্তিত পূজা কৰা ঘটনাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। এই সন্দৰ্ভত পুৰোহিতজনে কয়, 'শ্ৰীৰামচন্দ্ৰ আৰু শ্ৰীকৃষ্ণ জীয়াই থকাহেঁতেন এনেদৰেই পূজা কৰিলেহেঁতেন। গতিকে মই নিজকে পূজা কৰো আৰু আপোনালোকেও মোৰ আৰু পত্নীক পূজা কৰিলেও একেই ফলাফল পাব।


## হাউলীত টিনৰ বেৰ দি বন্ধ কৰিলে পথ

### মুকলিৰ দাবীত স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**হাউলী, ১১ নৱেম্বৰ ঃ** হাউলীৰ ৩১ নম্বৰ ঘাইপথ আৰু হাউলী গাঁও সংযোগী বৰনগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত এটি পথত টিনৰ বেৰ দি পথটো বন্ধ কৰাত স্থানীয় ৰাইজে সমস্যাৰ সন্মুখীন হৈছে। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, কেইদিনমান আগতে উক্ত পথটো কুলজিৎ দাসে পৈতৃক সম্পত্তি বুলি দাবী কৰি বেআইনীভাৱে টিনৰ বেৰ নিৰ্মাণ কৰে। বহু বছৰ ধৰি ৰাইজে যাতায়াত কৰি অহা তথা চৰকাৰীভাৱে বহুবাৰ মেৰামতি কৰা পথটো এনেদৰে বন্ধ কৰি দিয়াত স্থানীয় ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, কুলজিৎ দাসক বহুবাৰ পথটো মুকলি কৰি দিবলৈ অনুৰোধ জনোৱাৰ পাছতো নিজৰ পৈতৃক সম্পত্তি বুলি দাবী কৰি তেওঁ নিজৰ মতত অটল হৈ থাকে। ইয়াৰ পাছতে স্থানীয় ৰাইজৰ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ যোৱা আঠ নৱেম্বৰত বৰনগৰ ৰাজহ চক্ৰ বিষয়াক প্ৰদান কৰি কুলজিৎ দাসৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰি পথটো মুকলি কৰি দিয়াৰ বাবে আবেদন জনায়।

## কলিয়াবৰত গাড়ীৰ খুন্দাত পহুৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১১ নৱেম্বৰ ঃ** কলিয়াবৰৰ বৰুৱাচুকত ৩৭ নম্বৰ ঘাইপথত অচিনাক্ত বাহনৰ খুন্দাত এটি হৰিণাৰ মৃত্যু হয়। আজি পুৱতি নিশা বৰুৱাচুক ঘাইপথ অতিক্ৰম কৰাৰ সময়তে এখন তীব্ৰ বেগী বাহনৰ খুন্দাত মাইকী পহুজনীৰ মৃত্যু হয়। পুৱা স্থানীয় লোকসকলে পথৰ দাঁতিত পহুজনীৰ মৃতদেহ প্ৰত্যক্ষ কৰি বন বিভাগক অৱগত কৰে। উল্লেখ্য যে চাৰি বছৰৰ পূৰ্বে হোৱা প্ৰলয়ংকৰী বানপানীৰ সময়তে খাদ্যৰ সন্ধানত কাজিৰঙাৰ পৰা ওলাই অহা পহুৰ এটা জাকে কলিয়াবৰৰ কলঙৰ পাৰৰ হাবিত আশ্ৰয় লৈছিল। তেতিয়াৰে পৰা জনাঞ্চলত পহুৰ জাকটোৱে বিচৰণ কৰি ফুৰিছিল। পহুৰ এটা জাকে খাদ্যৰ সন্ধানত কাষৰীয়া লোকসকলৰ চোতাল-বাৰীত চৰি ফুৰাৰ মাজতে ৰাজপথ অতিক্ৰম কৰোতেই আজি গাড়ীৰ খুন্দাত এই পহুজনীৰ মৃত্যু হয়। তিনিমাহ পূৰ্বে একে স্থানতে গাড়ীৰ খুন্দাত আন এটা পহুৰ মৃত্যু ঘটিছিল। এনেদৰে গাড়ীৰ খুন্দাত পহুৰ মৃত্যু হোৱাত অঞ্চলবাসীয়ে দুখ প্ৰকাশ কৰিছে। ইতিমধ্যে, জখলাবন্ধা খণ্ড বন বিভাগৰ লোকে ঘটনাস্থলীত উপস্থিত হৈ পহুটোৰ মৃতদেহ উদ্ধাৰ কৰে।

## দক্ষিণ খাৰিজা বিজনী হাইস্কুলৰ কৃতী শিক্ষাৰ্থীক বিশেষ বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১১ নৱেম্বৰ ঃ** বাগ্‌সাৰ দক্ষিণ খাৰিজা হাইস্কুলৰ ২০২০-২১ৰ মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰী-ছাত্ৰীসকলক আজি প্ৰদান কৰা হ'ল বিশেষ বঁটা অঞ্চলটোৰ অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া দল বাহাদুৰ ছেত্ৰীয়ে পিতৃ-মাতৃৰ সোঁৱৰণত বঁটা প্ৰদান কৰি আহিছে। এইবেলিও বিদ্যালয়খনৰ পৰা মেট্ৰিক পৰীক্ষাত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত দুগৰাকী শিক্ষাৰ্থীক কিতাপৰ টোপোলা, কলম, মানপত্ৰ আদিৰে বঁটা প্ৰদান কৰা হয়। বিদ্যালয় কৰ্তৃপক্ষৰ পৰাও প্ৰথম বিভাগত উত্তীৰ্ণ মুঠ ১২ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## হোজাইত ৰাইজে জব্দ কৰিলে বালিভৰ্তি ডাম্পাৰ

অগ্ৰদূত বাৰ্তা

**হোজাই, ১১ নৱেম্বৰ ঃ** হোজাই জিলাৰ মোৱাঝাৰ-দেৱস্থান আৰু মোৱাঝাৰ-চামৰালি গড়কাপ্তানী পকী পথছোৱা মেৰামতিৰ মাত্ৰ ছমাহ নৌহওঁতেই অতিৰিক্ত বালি কঢ়িয়াই নিয়াত অতি জৰাজীৰ্ণ হৈ পৰাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ফলত আজি পুৱা ১০ বজাত স্থানীয় ৰাইজে মোৱাঝাৰৰ সুতাৰপুৰত তিনিখনকৈ অতিৰিক্ত বালিভৰ্তি ডাম্পাৰ জব্দ কৰে। ৰাইজে জব্দ কৰা ডাম্পাৰকেইখন হৈছে এ এছ ৩১ চি ০১৪৯, এ এছ ০১ জিচি ০৬৫৯ আৰু নম্বৰ প্লেটবিহীন। ইফালে, ৰাইজে বন বিভাগৰ বিষয়াসকলৰ লগত যোগাযোগ কৰাত কোনো গুৰুত্ব নিদিয়াৰ পাছত হোজাই পৰিবহণ বিভাগৰ প্ৰৱৰ্তক বিষয়া মখলিছুৰ ৰহমানক ৰাইজে খবৰ দিয়ে। মখলিছুৰ ৰহমানক ফোন কৰাৰ পাছত ৰহস্যজনকভাৱে তিনিওখন ডাম্পাৰৰ চালকে গড়কাপ্তানী পথৰ মাজতে ডাম্পাৰ এৰি পলায়ন কৰে। স্থানীয় ৰাইজে খবৰ দিয়া পৰিবহণ বিভাগৰ প্ৰৱৰ্তক বিষয়া বহু সময়ৰ পাছত আহি ঘটনাস্থলীত উপস্থিত হয় যদিও চালক নথকা বাবে ডাম্পাৰসমূহ জব্দ কৰিব নোৱাৰে বুলি কয়। উল্লেখ্য যে হোজাই পৰিবহণ বিভাগ আৰু বন বিভাগে ডাম্পাৰ তিনিখন জব্দ নকৰাত এই বালি ছিণ্ডিকেটৰ লগত বিভাগৰ একাংশ বিষয়া জড়িত হৈ থকাৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। আনহাতে, ডাম্পাৰকেইখন জব্দ কৰি বিপদত পৰিল ৰাইজ। যাৰ বাবে ৰাইজ উত্তেজিত হৈ খবৰ দিয়ে। অৱশেষত ঘটনাস্থলীত উপস্থিত হয় মোৱাঝাৰ আৰক্ষী। ৰাইজে নিজে ২০ হেজাৰ টকা চান্দা তুলি ডাম্পাৰ তিনিখন কেৰেং লগাই মোৱাঝাৰ থানালৈ প্ৰেৰণ কৰে।

## শোণিতপুৰ সাহিত্য সভাৰ জনগোষ্ঠীয় শাখা সাহিত্য সভাৰে মত বিনিময়

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১১ নৱেম্বৰ ঃ** শোণিতপুৰ জিলা সাহিত্য সভাই জিলাখনৰ বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাসমূহ সন্মুখীন হৈ থকা সামূহিক সমস্যা সমূহৰ বিষয়ে আলোচনা কৰি সমাধানৰ পথ প্ৰশস্ত কৰা আৰু সাহিত্য সভাসমূহৰ মাজত সমন্বয় অধিক সুদৃঢ় কৰিবলৈ অহা ১৪ নৱেম্বৰত এক সৌহাৰ্দ্যপূৰ্ণ মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শোণিতপুৰৰ কাৱৈমাৰীস্থিত ফণীধৰ দাস আৰু ১৯৪২ৰ ছহিদ কুমলী দেৱী পুথি ভঁৰাল প্ৰাংগণত দিনৰ একবজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সভাখনত পৌৰোহিত্য কৰিব শোণিতপুৰ জিলা সাহিত্য সভাৰ সভাপতি বাসুদেৱ শৰ্মাই। উল্লেখ্য যে উক্ত সভাখনত বড়ো সাহিত্য সভাৰ সভাপতি অমৃত দৈমাৰী, সম্পাদক জৈলেন বসুমতাৰী, ৰাভা সাহিত্য সভাৰ সভাপতি দ্বিপন কুমাৰ ৰাভা, সম্পাদক সুবল ৰাভা, নেপালী সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি দেৱৰাজ উপাধ্যায়, সম্পাদক ভূবন ছেত্ৰী, চাহ জনগোষ্ঠী সাহিত্য সভাৰ সভাপতি ভোলাৰাম ৰাউতীয়া, সম্পাদক দৌলত ৰাজোৱাৰ, মিছিং সাহিত্য সভাৰ বিনোদ মিলি, দেৱেশ্বৰ পাৱ, চাওতাল সাহিত্য সভাৰ ডম্বৰু চৰেন আৰু বীৰেণ চৰেন উপস্থিত থাকিব বুলি শোণিতপুৰ জিলা সাহিত্য সভাৰ সম্পাদক দুলাল নাথে জনাইছে।

## তামুলপুৰত ড্ৰাগছ-শিশু নিৰ্যাতন বিৰোধী সজাগতা সমদল



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১১ নৱেম্বৰ ঃ** বাগ্‌সা জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আজি তামুলপুৰত ড্ৰাগছ, শিশু নিৰ্যাতন, বাল্য বিবাহ আদিকে ধৰি বহুতো অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে এক সজাগতামূলক সমদল উলিওৱা হয়। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰা উক্ত সজাগতা সমদল আৰম্ভ কৰে তামুলপুৰ মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতাই। সমদলটো আৰম্ভ কৰি আৰক্ষী বিষয়া কলিতাই কয়, 'সম্প্ৰতি ড্ৰাগছৰ কবলত পৰি বহু নৱ প্ৰজন্মৰ জীৱন ধ্বংস হোৱাৰ উপক্ৰম হৈছে। গতিকে সময় থাকোতে আমি জীৱন ধ্বংসকাৰী ড্ৰাগছৰ পৰা দূৰত থাকিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে যাতে পঢ়া-শুনা কৰি নিজকে এজন সচেতন নাগৰিক হিচাপে গঢ়ি তোলাত মনোনিৱেশ কৰে।' কোনো লোকে যদি ড্ৰাগছ বা অইন নিচাযুক্ত সামগ্ৰী বিক্ৰী বা সৰবৰাহ কৰা গম পায় তৎকালেই আৰক্ষীক খবৰ দিবলৈও আহ্বান জনায় আৰক্ষী বিষয়াজনে। আনহাতে, সমাজত শিশু নিৰ্যাতন, নাৰী নিৰ্যাতনৰ ঘটনা বৃদ্ধি পোৱাত উদ্বিগ্নতা প্ৰকাশ কৰি আৰক্ষী বিষয়াজনে কোনো ছাত্ৰীক যদি কোনো লোকে অসৎ ইংগিত বা তেনে ধৰণৰ বেয়া ব্যৱহাৰ কৰে লগে লগে অভিভাৱক বা আৰক্ষীক অৱগত কৰিবলৈও আহ্বান জনায়। এই ক্ষেত্ৰত কোনো ভয় বা শংকা নাই বুলি আৰক্ষী বিষয়াজনে কয়, 'আমি সদায় সকলোকে নিৰাপত্তা দিয়াৰ বাবে সাজু।' প্ৰাক্তন আছু নেতা দমন পাটোৱাৰীয়ে পৰিচালনা কৰা আজিৰ সজাগতা সমদলত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, শংকৰদেৱ বিদ্যা নিকেতন, তামুলপুৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় আদিকে ধৰি তামুলপুৰৰ বিভিন্ন শিক্ষানুষ্ঠানৰ কে'বা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সমদলটো ৰঙিয়া ভূটান আন্তঃৰাষ্ট্ৰীয় পথেৰে গৈ তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত সামৰণি মাৰে।

## বাইহাটা চাৰিআলি বিএড কলেজৰ ৰূপালী জয়ন্তীৰ আয়োজন

অগ্ৰদূত বাৰ্তা

বাইহাটা চাৰিআলি, ১১ নৱেম্বৰ ঃ কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত ১৯৯৪ত স্থাপিত বাইহাটা চাৰিআলি বিএড মহাবিদ্যালয়ৰ অহা ১৩ আৰু ১৪ নৱেম্বৰত দুদিনীয়া বিভিন্ন কাৰ্যসূচীৰে ৰূপালী জয়ন্তীৰ আয়োজন কৰা হৈছে। পুৱা ৯-৩০ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলনৰে আৰম্ভ কৰা হ'ব ৰূপালী জয়ন্তীৰ প্ৰথমদিনাৰ কাৰ্যসূচী। উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি মদন চন্দ্ৰ ডেকাই এই পতাকা উত্তোলন কৰাৰ পাছত মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি মজনুৰ আলী আৰু ফুলেশ্বৰ ধিঙে ক্ৰমে স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণ কৰিব। পুৱা ১১ বজাত পূব কামৰূপ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক নৃপেন্দ্ৰনাথ তালুকদাৰে সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰাৰ পাছত এই মহাবিদ্যালয়ৰে শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক হেমচন্দ্ৰ ডেকাই বিয়লি আলোচনাচক্ৰ মুকলি কৰিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৈৱপ্ৰযুক্তি বিজ্ঞান বিভাগৰ অধ্যাপক মোহন চন্দ্ৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিতব্য এই আলোচনাচক্ৰত ৰাজ্যিক শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সঞ্চালক ড° নিৰদা দেৱী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়ৰ উন্নয়ণ পৰিষদৰ সঞ্চালক ড° বিশ্বজিৎ শৰ্মা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰে শিক্ষা বিভাগৰ অধ্যাপক ড° দুলুমণি গোস্বামীয়ে আলোচকৰূপে অংশ ল'ব। সন্ধিয়া মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক গোবিন্দৰাম কলিতা, পূব কামৰূপ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক নগেন্দ্ৰনাথ কাকতি আৰু সমাজকৰ্মী দেৱেন শৰ্মাই বন্তি প্ৰজ্বলন কৰিব। বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক ৰজনী তালুকদাৰে সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব। আনহাতে, ১৪ নৱেম্বৰৰ পুৱা ১০ বজাত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই স্মৃতিগ্ৰন্থ উন্মোচন আৰু কৰৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ খগেন্দ্ৰনাথ কলিতাই প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ মুকলি কৰিব। মান্দাকাটা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গজেন্দ্ৰ কাকতিৰ সঞ্চালনাত অনুষ্ঠিতব্য এই সমাৰোহত বাইহাটা চাৰিআলি বিএড মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক তথা গোৰেশ্বৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° শৰৎ চন্দ্ৰ ডেকাই আঁত ধৰিব । আনহাতে,অসমৰ মুখ্যমন্ত্ৰী তথা উদ্‌যাপন সমিতিৰ সভাপতি ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি,শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননীগোপাল মহন্ত আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপচাৰ্য ড° হিতেশ ডেকাই বিশিষ্ট অতিথিৰূপে অংশ ল'ব। ১৪ নৱেম্বৰৰ বিয়লি দুই বজাত উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি মদন চন্দ্ৰ ডেকাৰ সভাপতি আয়োজিত মুকলি সভাত সন্ধিয়া দৰং জিলাৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা আৰু হুছেইন আলীয়ে বন্তি প্ৰজ্বলন আৰু উত্তৰ গুৱাহাটীৰ আনন্দৰাম বৰুৱা ভাষা,কলা-সংস্কৃতি সংস্থাৰ সঞ্চালক ড° দিলীপ কুমাৰ কলিতাই সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব। ইয়াত কণ্ঠশিল্পী বৰ্ণালী কলিতাই মুখ্য শিল্পীৰূপে অংশ ল'ব।

**PRESS NOTICE INVITING TENDERS**

No.- BPSTRD/Tech/173/RIDF-XX/2020-21/1

The Executive Engineer, PWRD, Bhawanipur, Patacharkuchi and Sarukhetri Territorial Road Division on behalf of Governor of Assam invites bid from approved and eligible Contractors registered with Assam PWD (Roads) for 1 (One) no of work under RIDF-XX(Balanced Work) in Sarukhetri LAC of Assam amounting to Rs. 85,83554 Lakh. Details may be seen at website www.assamtenders.gov.in from 16-11-2021 to 23-11-2021. Amendment/Addendum to the SBD, if any, and further notifications shall appear in this website and also at the office of the undersigned during office hours.

The Contractor must be registered with the Electronic Tendering System (ETS) of PWD, Assam website www.assamtenders.gov.in.

**Sd/-**
**Executive Engineer, PWRD**
**Bhawanipur, Patacharkuchi and Sarukhetri**
**Territorial Road Division**

Janasanyog/CF/1991/21

**E-TENDER REF No: NIT/E-TENDER/DTE-01/2021-22**

**E-TENDER NOTICE**

The Director of Technical Education Assam invites e-tendering in two bid systems from manufacturers or their authorized dealers for Supply of steel and wooden furniture at 5 (Five) New Polytechnics at Morigaon, Chirang, Udalguri, Hailakandi & Tinsukia, Assam through the e-tendering portal www.assamtenders.gov.in
Detailed Tender Documents are available at www.assamtenders.gov.in
Important Dates :
DATE OF AVAILABILITY OF BIDDING DOCUMENT ON E-PROCUREMENT PORTAL : **12/11/2021**
LAST DATE AND TIME FOR ONLINE BID SUBMISSION : **03/12/21, 14.00 HRS**
LAST DATE AND TIME FOR HARD COPY SUBMISSION: **03/12/21, 14.00 HRS**
TIME AND DATE ON OPENING OF TECHNICAL BIDS : **03/12/21, 14.30 HRS**

**Sd/-**
**The Director of Technical Education, Assam**
**Kahilipara, Guwahati-781019**

Janasanyog/C/7683/21

## বিশ্বনাথত ৰ'দ গোষ্ঠীৰ উদ্যোগত দুখন গ্ৰন্থ উন্মোচন

### য়েছে ঠেংছি দৰ্জীলৈ কথা ৰত্ন ২০২১ সন্মান

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১১ নৱেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিৰ ৰ'দ গোষ্ঠীৰ উদ্যোগত আজি বিশ্বনাথত দুখন কাব্য গ্ৰন্থ উন্মোচন কৰা হয়। জ্যেষ্ঠ সাংবাদিক নিৰঞ্জন হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত কবি ললিত নাথৰ 'ৰ'দৰ ফুল' নামৰ পুথিখন উন্মোচন কৰে কবি ৰূপালী দাসে। সোমেশ্বৰ ওৰাঙৰ 'সেউজ সোণোৱালী সপোনৰ ৰূপ বিচাৰি' নামৰ কাব্য গ্ৰন্থখন উন্মোচন কৰে শিশু সাহিত্যিক শৈলেন্দ্ৰ বৰাই। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ দিয়ে ৰ'দৰ সম্পাদক জয়ন্ত বৰুৱাই। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে ড° মৰমী হাজৰিকা ৰাভাই। সভাখনত কাব্য গ্ৰন্থৰ লেখক ললিত নাথ আৰু সোমেশ্বৰ ওৰাঙে বক্তব্য ৰাখে। ৰাম শইকীয়া, ভূধৰ দাস, বিমান ৰায় বৰুৱা, অতুল দাস, ভুৱন লুইটেল, বৈশাক্ষু ৰয়, ৰুবি শইকীয়া, প্ৰেম বৈষ্ণৱ আদিয়ে অংশগ্ৰহণ কৰে। কবিতা পাঠ কৰে মাধৱী হাজৰিকা, জুথিকা হাজৰিকা, বিশ্বজিৎ সূত, পুৱালী শইকীয়া, ৰুবি শইকীয়াই। অনুষ্ঠানটোৰ আঁত ধৰে খগেন মটকে। ৰ'দ গোষ্ঠীৰ ২০২১ৰ 'কথা ৰত্ন' সন্মান য়েছে ঠেংছি দৰ্জী আৰু ২০২১ৰ 'কাব্য ৰত্ন' সন্মান বিশিষ্ট কবি সমীৰ তাঁতীলৈ আগবঢ়োৱা হৈছে। সভাখনত এই কথা ঘোষণা কৰে ৰ'দ গোষ্ঠীৰ সম্পাদক জয়ন্ত বৰুৱাই।

## সমাজকৰ্মী প্ৰদীপ দত্তৰ মৃত্যুত শোক

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১১ নৱেম্বৰ ঃ** জলসম্পদ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, ধৰ্মপ্ৰাণ ব্যক্তি, সমাজসেৱী, উত্তৰ লখিমপুৰ নগৰৰ সমীপৱৰ্তী তেলিয়াগাঁও নিবাসী প্ৰদীপ দত্ত (৭৪) কালি দিনৰ এক বজাত নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ, বোৱাৰী, ছগৰাকী কন্যা-জোঁৱাই, এজন ভ্ৰাতৃ আৰু বোৱাৰী নাতি-নাতিনী, ভতিজা, ভাগিনকে আদি কৰি বহু গুণমুগ্ধ এৰি গৈছে। সমাজসেৱী, সৰবৰহী, বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ গুৰু দায়িত্ব বহনকাৰী দত্তৰ বিয়োগত ৰাইজ তথা বিভিন্ন সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

**২০১৯-২০ বৰ্ষৰ ৰাষ্ট্ৰীয় যুৱ বঁটা**

ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে, প্ৰতিবছৰৰ দৰে এইবেলিও, ৰাষ্ট্ৰীয় উন্নয়ন তথা সমাজ সেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট সেৱাৰ বাবে পুৰুষ আৰু মহিলা (যুৱ) আৰু স্বেচ্ছাসেৱী সংগঠনসমূহক ২০১৯-২০ বৰ্ষৰ ৰাষ্ট্ৰীয় যুৱ বঁটা প্ৰদান কৰিবলৈ স্থিৰ কৰিছে। যুৱ উন্নয়নৰ কৰ্মক্ষেত্ৰসমূহে স্বাস্থ্য, সংস্কৃতি, গৱেষণা, কলা আৰু সাহিত্য, পৰ্যটন, সমূহীয়া সেৱা, ইত্যাদি দিশ সামৰি লয়।

২০১৯-২০ বৰ্ষৰ ৰাষ্ট্ৰীয় যুৱ বঁটাৰ বাবে 'MyGov' প'ৰ্টেলৰ জৰিয়তে ৫ ৰ পৰা ১৯ নৱেম্বৰ, ২০২১ ৰ ভিতৰত মনোনয়ন বিচৰা হৈছে। এই বঁটা সম্বন্ধীয় বিতং তথ্য ও অন্যান্য নিৰ্দেশাৱলী তলত দিয়া লিংকটো দৰ্শন কৰি আহৰণ কৰিব পৰা যাব।

https://innovate.mygov.in/national-youth-award-2020/

'MyGov' ৰ বাহিৰে অন্য মাধ্যমেৰে দাখিল কৰা আবেদনসমূহ গ্ৰাহ্য নহ'ব।

**সঞ্চালক**
**ক্ৰীড়া আৰু যুৱ কল্যাণ, অসম**
**দিছপুৰ, গুৱাহাটী - ৬**

Janasanyog/D/9130/21

**PRESS NOTICE**

The Superintending Engineer, PWD, Guwahati Building Circle-II, Chandmari, Guwahati-3 on behalf of Governor of Assam invites item rate bids in electronic tendering system for the work "Face lifting works of office building of the Assam Public Service Commission at Jawaharnagar, Khanapara, Guwahati-22" with an approximate value of work of Rs. 86,34,212.00 from APWD registered Class-I (A/B/C)/ Class-II (under this Circle) contractors having experience of similar nature of work. Details of the bids may be seen at e-procurement portal website : www.assamtenders.gov.in and also in the office of the undersigned during office hours. The bidders must be enrolled in www.assamtenders.gov.in for participating in the bidding process.

**Sd/-**
**Superintending Engineer, P.W.D.**
**Guwahati Building Circle-II**
**Chandmari, Guwahati-3**

Janasanyog/C/7718/21

## ■ বেংক কৰ্মচাৰীয়ে গ্ৰাহকক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ

# মাজুলীৰ পঞ্জাৱ নেছনেল বেংকত গ্ৰাহকৰ হাৰাশাস্তি

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১১ নৱেম্বৰ ঃ** মাজুলীৰ পঞ্জাৱ নেছনেল বেংক শাখাসমূহত অত্যধিক ভিৰে জুৰুলা কৰিছে গ্ৰাহকক। অত্যধিক ভিৰৰ বাবে একাংশ গ্ৰাহকে অতি জৰুৰী কামতো শাখাটোলৈ যাবলৈ ভয় কৰা হৈছে। পুৱা আঠ বজাৰ পৰাই কমলাবাৰী আৰু বনগাঁও চাৰিআলিৰ পৰা শাৰী পাতি, ঘণ্টাৰ পাছত ঘণ্টা থিয় হৈ শেষত বেংকৰ ভিতৰত প্ৰৱেশ কৰিব পাৰিলেও হাতত লৈ যোৱা কাম সম্পাদন নহয়। ভিন্ন কাৰণ, অজুহাতত গ্ৰাহকসকলৰ নিৰাশ হৈ উভতিব লগা হয় বেংকটোৰ পৰা। পুনৰ পিছৰ দিনা একেই পৰিৱেশৰ সন্মুখীন হৈ দিনটো পাৰ কৰিও নিৰাশ হৈয়ে উভতিব লগা হয়। সততেই গ্ৰাহকসকলে সন্মুখীন হৈ অহা এনে পৰিস্থিতিৰ বাবে বেংক ব্যৱস্থাকে দোষাৰোপ কৰিছে গ্ৰাহকসকলে। এসময়ত ইউনাইটেড বেংক অব ইণ্ডিয়াৰ শাখা থকা বেংকটো পঞ্জাৱ নেছনেল বেংকৰ লগত চামিল হোৱাৰ পাছৰে পৰা গ্ৰাহকসকল হাৰাশাস্তিৰ সন্মুখীন হৈ আহিছে বুলি গ্ৰাহকসকলে অভিযোগ কৰিছে। নতুন বেংকৰ নতুন নিয়মৰ দোহাই দি বেংক কৰ্তৃপক্ষই গ্ৰাহকসকলৰ পৰা ন ন তথ্য বিচৰাত আৰু তথ্য জমা দিলেও অন্য কামৰ দোহাই দি গ্ৰাহকৰ কাম পেলাই থোৱাৰ পাছত সম্প্ৰতি বেংকটোৰ প্ৰতি মোহভংগ হৈছে গ্ৰাহকসকল। বিশেষকৈ পূৰ্বৰে পৰা বেংকটোত থকা চি এছ পিসকল বৰ্তমান কৰ্মক্ষমতা প্ৰদান নকৰাৰ বাবে তেওঁলোকৰ অধীনত একাউণ্ট খোলা প্ৰায় ৩০ হেজাৰ গ্ৰাহকৰ এতিয়া বিপদ বাঢ়িছে। তেনে একাউণ্টৰ গৰাকীসকলৰ সমস্যা সমাধান কৰিবলৈ চি এছ পি সকলক ক্ষমতা দিয়া নাই আৰু বেংক কৰ্তৃপক্ষই দায়িত্ব ল'বলৈ অস্বীকাৰ কৰাত তেনে গ্ৰাহকৰ সমস্যা দিনে দিনে বৃদ্ধি হৈছে বুলি চি এছ পিসকলে মত ব্যক্ত কৰে। তেওঁলোকে লগতে জানিবলৈ দিয়ে যে বেংকটো পঞ্জাৱ নেছনেল বেংকলৈ পৰিণত হোৱাৰ পাছত তেওঁলোকৰ কাম সম্পৰ্কে বেংক কৰ্তৃপক্ষৰ লগত বহুবাৰ আলোচনা হৈছে যদিও কোনো সমাধান সূত্ৰ ওলোৱা নাই। ইফালে, বেংকটোত দীৰ্ঘ মাহ ধৰি নতুন পাছবুক প্ৰদান নকৰাৰ পাছত শেহতীয়াকৈ পাছ বুক প্ৰদান কৰাৰ খবৰ লাভ কৰি গ্ৰাহকসকলে অত্যন্ত ভিৰ কৰিছেহি। এনে কামৰ বাবে গ্ৰাহকজন নিজে বেংকত উপস্থিত থাকিব লগাৰ ক্ষেত্ৰত বেংক কৰ্তৃপক্ষ কঠোৰ হোৱাত এনে সমস্যা বাঢ়ি গৈছে। মহাবিদ্যালয়ত কৰ্মৰত সহকাৰী অধ্যাপক তথা এগৰাকী সচেতন গ্ৰাহক অমৰ গায়নে উল্লেখ কৰা মতে, যোৱা পাঁচ নৱেম্বৰত বনগাঁও শাখাত তেওঁ আৰু তেওঁৰ অৱসৰপ্ৰাপ্ত পিতৃ পুৱা ন বজাতেই শাখাটোলৈ গৈ গ্ৰাহকৰ শাৰীত থিয় হয় আৰু বেংকৰ নীতি-নিয়ম ৰক্ষা কৰি প্ৰায় তিনি ঘণ্টাৰ পাছত উপ-প্ৰৱন্ধক টেবুল পায়গৈ যদিও দায়িত্বত থকা উপ-প্ৰৱন্ধক মনোজ দেৱনাথে বিভিন্ন অজুহাত দেখুৱাই কৰি নিদিও বুলি কৈ দুয়োকে বেয়া ব্যৱহাৰ কৰে। অধ্যাপকজনে নিজৰ পৰিচয় দি কৰ্মব্যস্ততাৰ মাজতে তেওঁ কামটো কৰিবলৈ আহিছে বুলি জনায় আৰু কামটো কৰি দিবলৈ পুনৰ অনুৰোধ কৰে যদিও অভব্য আচৰণ কৰে বুলি অভিযোগ কৰিছে। তেওঁ পুনৰ কয় যে, তেওঁ শাখাটোত থকা সময়ছোৱাতে আৰু কে'বাগৰাকীও অৱসৰপ্ৰাপ্ত ব্যক্তিক বিষয়াজনে বেয়া ব্যৱহাৰ কৰে। একেদৰে শাখাটোত ঋণ থকা একাংশ গ্ৰাহকে অভিযোগ কৰা অনুসৰি, তেওঁলোকৰ মাহেকীয়া বেতন একাউণ্টত জমা হোৱাৰ লগে লগে তিনি-চাৰিটাকৈ ঋণৰ কিস্তি কাটি দিয়াৰ ফলত প্ৰতি মাহে গ্ৰাহকসকল সমস্যাৰ সন্মুখীন হৈছে। বিষয়টো সন্দৰ্ভত গ্ৰাহকসকলে প্ৰতিমাহেই শাখাটোৰ পৰিচালকক অভিযোগ দি আহিছে যদিও উক্ত সমস্যাটোৰ সমাধান সূত্ৰ আজিকোপতি বেংক কৰ্তৃপক্ষই উলিওৱা নাই। বেংকটো পঞ্জাৱ নেছনেল বেংকলৈ পৰিণত হোৱাৰ পাছত নতুন নিয়ম আৰু বিষয়া-কৰ্মচাৰীৰ কম্পিউটাৰ চলোৱাৰ দক্ষতাৰ অভাৱত শাখাটোত অনেক বেমেজালিৰ সৃষ্টি হৈছে বুলি একাংশ গ্ৰাহকে অভিযোগ কৰিছে।



মৰাণত ষট্ পূজাত অংশগ্ৰহণ কৰা একাংশ, বৃহস্পতিবাৰে।

# অপৰাধজনিত কোনো ঘটনা লুকুৱাই ৰখা উচিত নহয়

## ■ তেজপুৰত ৰাষ্ট্ৰীয় আইন দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১১ নৱেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আৰু ফখৰুদ্দিন আলী আহমেদ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত কালি ৰাষ্ট্ৰীয় আইন সেৱা দিৱস পালন কৰা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক খাইৰুল আকন্দৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিদ্যালয়ৰ ছাত্ৰ বাহৰুল ইছলামে এটি বৰগীতেৰে আৰম্ভ কৰে। প্ৰধান শিক্ষকে বিদ্যালয়ৰ আইনী শৈক্ষিক সংঘৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়াই কয় যে অঞ্চলটোত অব্যাহত থকা বাল্য বিবাহ, শিশু শ্ৰমিক, ঘৰুৱা হিংসা আদিৰ সন্দৰ্ভত বিভিন্ন চুবুৰিত সজাগতা অনাৰ উপৰি সাজু কৰা বাল্য বিবাহ বন্ধ কৰি দিছে। ক'ভিড সৃষ্ট পৰিৱেশৰ বাবে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীক বিদ্যালয়লৈ ঘূৰাই অনাৰ চেষ্টা কৰে এই সংঘই। ম'বাইল ক্ৰয় কৰাৰ বাবে শিশু শ্ৰম কৰিবলৈ কুণ্ঠাবোধ নকৰা বুলিও আক্ষেপ প্ৰকাশ কৰি শিশু শ্ৰমিকৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰা বুলি সদৰী কৰে। শোণিতপুৰ জিলা আদালতৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ প্ৰিয়ংকা শইকীয়াই অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় আইন দিৱস উদ্‌যাপন সন্দৰ্ভত দাঙি ধৰি এই আইনে দুখীয়া দৰিদ্ৰ লোকক সকাহ দিয়াৰ বাবে আৰু আইন সকলোৰে বাবে সমান বুলি কয়। তেওঁ বাল্য বিবাহ ৰোধৰ বাবে আহ্বান জনায়। কাৰ্যসূচীত অংশগ্ৰহণ কৰি জিলা আইন সেৱা প্ৰাধিকৰণৰ সমন্বয়ক চাজিদুৰ ৰহমানে বিনামূলীয়া আইন সেৱা, মৌলিক অধিকাৰ আৰু কৰ্তব্য সন্দৰ্ভত বক্তব্য আগবঢ়াই কয় যে চৰকাৰী বিজ্ঞান ফলক বা আন যিকোনো চৰকাৰী সা-সম্পত্তি ক্ষতি কৰিব নালাগে, চৰকাৰৰ ক্ষতি মানে ৰাইজৰে ক্ষতি। আনৰ ক্ষতিকাৰক কাম কৰি কেতিয়াও অপ্ৰিয় বা সমস্যাৰ সৃষ্টি কৰা উচিত নহয় বুলি কৰি প্ৰাপ্য আদায়ৰ বাবে নিজ কৰ্তব্যও কৰিব লাগিব। আন এজন সমল ব্যক্তি হিমাংশু শইকীয়াই কয় যে সংবিধান প্ৰণয়ন হোৱা ৭১ বছৰে আজিও ভাৰতীয় সংবিধান নাজানে। দেশৰ প্ৰতি প্ৰতিজন লোকৰে দায়িত্ব আছে। ৰাষ্ট্ৰক সন্মান কৰা চৰকাৰী সা-সম্পত্তি সুৰক্ষা দিয়া সকলোৰে কৰ্তব্য। আইনৰ দৃষ্টিত উচ্চ নীচ, ধনী-দুখীয়া, ধৰ্ম সম্প্ৰদায় সকলোৰে সমান ন্যায়ৰ পৰা যাতে কোনো বঞ্চিত নহয় আৰু ন্যায়ৰ প্ৰতি অনীহাহে তাৰ বাবে সকলোৰে আগবাঢ়ি অহা উচিত। শইকীয়াই লগতে আৰু কয় যে মানৱ সৰবৰাহ, ঘৰুৱা হিংসা, শিক্ষাৰ অধিকাৰ সন্দৰ্ভত দাঙি ধৰি এখন সমাজ আগবঢ়াই নিয়াৰ বাবে জনজীৱনত ব্যৱহৃত আইন জনা আৱশ্যক। অপৰাধজনিত কাৰ্য কেতিয়াও আইনৰ দৃষ্টিৰ পৰা লুকুৱাই ৰখা উচিত নহয়, বৰঞ্চ সমাজৰ ক্ষতি কৰে। বিনামূলীয়া আইন সাহায্য লাভ সন্দৰ্ভত দাঙি ধৰি কেৱল আইনী সেৱাই নহয় চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হ'লেও জিলা আইন সেৱা প্ৰাধিকৰণৰ সহায় ল'ব পাৰে বুলি কয়।

# এক লাখ অসংগঠিত শ্ৰমিকক চৰকাৰৰ ই-শ্ৰমত অন্তৰ্ভুক্তিৰ লক্ষ্য

## ■ গোলাঘাটত শ্ৰম বিভাগৰ প্ৰশংসনীয় পদক্ষেপ
## ■ ৰাজহুৱা স্থানত ব্যাপক প্ৰচাৰ অভিযান

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ১১ নৱেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে দেশৰ অসংগঠিত শ্ৰমিকক শ্ৰম বিভাগৰ পঞ্জীয়নভুক্ত কৰাৰ লক্ষ্যৰে ব্যাপক অভিযান আৰম্ভ কৰিছে। সেই অনুসৰি অসমতো আশা কৰ্মী, অংগনৱাড়ী কৰ্মী, কৃষক, গৃহ নিৰ্মাণত নিয়োজিত মিস্ত্ৰি-যোগালি, চালক, খলাচী, ক্ষুদ্ৰ চাহ খেতিয়কৰ বাগিচাত নিয়োজিত শ্ৰমিক, কৃষি শ্ৰমিক আৰু সমাজৰ বিভিন্ন কামত নিয়োজিত বনুৱাক ই-শ্ৰমৰ পঞ্জীয়নভুক্ত কৰিবলৈ জিলা শ্ৰমিক বিভাগে ব্যাপক পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰম বিভাগৰ সহকাৰী শ্ৰম আয়ুক্ত তিলোত্তমা দেৱীৰ মুখ্য পৃষ্ঠপোষকতাত অসম চৰকাৰক এই অভিযানত সহায়ক হোৱাকৈ ৰাজহুৱা স্থানত প্ৰচাৰ অভিযান ক্ষিপ্ৰতৰ কৰি তোলা হৈছে। লগতে জিলাখনৰ মুঠ এক লাখ শ্ৰমিকক ই-শ্ৰমৰ অধীনলৈ আনিবৰ বাবে বিভিন্ন সামাজিক সংগঠনৰ সহযোগিতাত পঞ্জীয়ন অভিযান আৰম্ভ কৰিছে। আজি জিলাখনৰ বিভিন্ন ৰাজহুৱা স্থানত মাইকযোগে ই-শ্ৰমৰ বিষয়ে সজাগতা অভিযান চলোৱাৰ সময়ত সহকাৰী শ্ৰম আয়ুক্তই ই-শ্ৰমত অন্তৰ্ভুক্তিয়ে অসংগঠিত খণ্ডৰ এইসকল শ্ৰমিকক অনাগত সময়ত সামাজিক সুৰক্ষা প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি নুমলীগড়ত সাংবাদিকক জানিবলৈ দিয়ে। উল্লেখ্য যে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে গোলাঘাট জিলাতো আজি পৰ্যন্ত বহু শ্ৰমিক অসংগঠিত খণ্ডৰ বিভিন্ন কামত নিয়োজিত হৈ আহিছে যদিও এইসকল শ্ৰমিকে এতিয়াও শ্ৰম বিভাগৰ পঞ্জীয়ন লাভ নকৰাৰ বাবেই চৰকাৰী সা-সুবিধা লাভৰ পৰা বঞ্চিত হৈ আহিছে। অসংগঠিত খণ্ডৰ শ্ৰমিকসকলক কেন্দ্ৰীয় চৰকাৰৰ ই-শ্ৰমত অন্তৰ্ভুক্তিয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সময়ে সময়ে গ্ৰহণ কৰা জনহিতকৰ আঁচনিৰ সুফল লাভ কৰিব বুলিও সহকাৰী শ্ৰম আয়ুক্তই উল্লেখ কৰে। চৰকাৰে গ্ৰহণ কৰা ই-শ্ৰমৰ অভিযানক সফল কৰাৰ ক্ষেত্ৰতে গোলাঘাট জিলাত শ্ৰম আয়ুক্ত কাৰ্যালয়ে গ্ৰহণ কৰা পদক্ষেপক দল-সংগঠনে আদৰণি জনাইছে।

# আন্তঃৰাষ্ট্ৰীয় মঞ্চত ভূপেন্দ্ৰ সংগীতৰ সংস্কৃত ৰূপান্তৰৰ আধাৰত নৃত্য পৰিবেশন

## ■ শিল্পী ইলোৰা বৰাৰ সত্ৰীয়া নৃত্য আৰু ৰঞ্জন বেজবৰুৱাৰ সংস্কৃত গীতৰ যুগলবন্দী

**বিশেষ সংবাদদাতা**

**নগাঁও, ১১ নৱেম্বৰ ঃ** দক্ষিণ এছিয়াৰ দেশসমূহৰ মাজত বিভেদৰ প্ৰাচীৰ ভাঙি ভ্ৰাতৃত্ব আৰু সহমৰ্মিতা বৃদ্ধি কৰাৰ লক্ষ্যৰে স্থাপিত আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান 'ছাউথ এছিয়ান ফ্ৰেটাৰনিটি'ৰ সৌজন্যত আৰু গান্ধী পীচ ফাউণ্ডেছনৰ উদ্যোগত নতুন দিল্লীৰ লাজপত নগৰত তিনিদিনীয়াকৈ আয়োজিত 'দক্ষিণ এছিয়া বন্ধুত্ব সন্মিলনত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত-'সাগৰ সংগমত' আৰু ৰিম ঝিম ৰিম ঝিম বৰষুণেৰে শিল্পী ৰঞ্জন বেজবৰুৱাই কৰা সংস্কৃত ৰূপান্তৰৰ আধাৰত যোৱা আঠ নৱেম্বৰত সত্ৰীয়া নৃত্য পৰিৱেশন কৰে ভাৰত নাট্যমৰ যশস্বী শিল্পী নগাঁৱৰ ইলোৰা বৰাই। ভাৰত, পাকিস্তান, আফগানিস্তান, নেপাল, থাইলেণ্ডকে ধৰি ভালে কেইখন দেশৰ বিভিন্ন নৃত্যশিল্পীয়ে অংশগ্ৰহণ কৰা জ্ঞান-বিদ্যা, কলা-কৃষ্টিৰ বাৰেৰহণীয়া কাৰ্যসূচীত এই 'দক্ষিণ এছিয়া বন্ধুত্ব সন্মিলন'ত অসমীয়া সংগীত-নৃত্যই স্থান পোৱাটো নিঃসন্দেহে উল্লেখ্যযোগ্য আৰু আদৰণীয় বুলি বিবেচিত হৈছে। চেন্নাইৰ নৃত্য কলাক্ষেত্ৰৰ ছাত্ৰী আৰু নগাঁৱৰ নৃত্য কলাক্ষেত্ৰৰ অধ্যক্ষা গুৰু ইলোৰা বৰাই ইয়াৰ পূৰ্বে ছোভিয়েট ৰাছিয়াতো ভূপেন হাজৰিকাৰ গীতৰ সংস্কৃত ৰূপত ভাৰত নাট্যম পৰিবেশন কৰিছিল।

# বাসুগাঁৱত সাংস্কৃতিক পত্ৰিকা 'সাগ্নিক' উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১১ নৱেম্বৰ ঃ** ১৯৯৬ত বাসুগাঁৱত জন্মলাভ কৰা 'সাগ্নিক' সাহিত্য-সাংস্কৃতিক সংস্থাই বিভিন্ন বাধা বিঘিনি অতিক্ৰম কৰি নিৰবচ্ছিন্নভাৱে তেওঁলোকৰ বাৎসৰিক সাহিত্য পত্ৰিকা 'সাগ্নিক' প্ৰকাশ কৰি আহিছে। এইবেলি কৰ'না ভাইৰাছ তলাবন্ধৰ বাবে সৃষ্টি হোৱা আৰ্থিক দৈন্যতাৰ মাজতো 'সাগ্নিক' সাহিত্য-সাংস্কৃতিক সংস্থাই তেওঁলোকৰ ২৬ সংখ্যক পত্ৰিকা কালি বাসুগাঁও সাগ্নিক ভৱনত উন্মোচন কৰে। বাপী দেৱ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা সাগ্নিক আলোচনী উন্মোচন কৰে কবি-সাহিত্যিক গৌতম বসুয়ে। ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা সাগ্নিক সাহিত্য আলোচনীৰ উন্মোচন কৰি বসুয়ে বাসুগাঁৱৰ দৰে এখন সৰু চহৰৰ পৰা এই গুৰুগম্ভীৰ পত্ৰিকাখন একাংশ গুণী-জ্ঞানী লোকৰ প্ৰচেষ্টাত সুদীৰ্ঘ বছৰ ধৰি নিৰবচ্ছিন্নভাৱে প্ৰকাশিত হৈ থকাত তেওঁ গভীৰ সন্তুষ্টি প্ৰকাশ কৰে আৰু সাগ্নিক আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰে। সভাত উপস্থিত থকা নাট্যকাৰ, শিল্পী গৌতম ঘোষ, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ অমৃত পাটগিৰি, সাহিত্যিক স্বপন কুমাৰ বিশ্বাস আদি সকলোৱে সাগ্নিকৰ দীৰ্ঘায়ু কামনা কৰে। সাগ্নিক পত্ৰিকাৰ উপদেষ্টা তথা অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া ৰবীন্দ্ৰ কুমাৰ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে আমন্ত্ৰিত অতিথিসকলে। তাৰ পাছত শিক্ষক-শিল্পী তুষাৰ কান্তি সাহা পৰিচালনাত স্বাগতম সুস্বাগতম শীৰ্ষক সমবেত সংগীতেৰে কাৰ্যসূচী আৰম্ভ হয়। অনুষ্ঠানত বাসুগাঁৱৰ বিশিষ্ট চিকিৎসক ডাঃ শ্যামল কুমাৰ ৰায়ক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। মন কৰিবলগীয়া বিষয় অন্যান্য বছৰৰ দৰে এইবেলিও ৫০.০০ টকা মূল্যৰ প্ৰথম সাগ্নিক পত্ৰিকাখন নিলামৰ ব্যৱস্থা কৰা হয় আৰু আকৰ্ষণীয় নিলাম প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰি শিক্ষক চঞ্চল মোদকে সৰ্বোচ্চ ৫০০১.০০ টকা মূল্যত ক্ৰয় কৰে।

# হোজাই জিলা উচ্চতৰ মাধ্যমিক অধ্যক্ষ মঞ্চৰ অধিবেশন সম্পন্ন

## নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১১ নৱেম্বৰ ঃ** হোজাই জিলা উচ্চতৰ মাধ্যমিকৰ অধ্যক্ষ মঞ্চৰ দ্বি-বাৰ্ষিক অধিবেশন কালি দিনজোৰা কাৰ্যসূচীৰে নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা মঞ্চৰ পতাকা উত্তোলন কৰে জিলা অধ্যক্ষ মঞ্চৰ সভাপতি, যোগীজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ননীগোপাল দাসে। মঞ্চৰ সম্পাদক তথা নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞাই আঁত ধৰা সাধাৰণ সভাত হোজাই জিলাৰ প্ৰাদেশিকীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জুনিয়ৰ কলেজসমূহৰ অধ্যক্ষসকলৰ উপস্থিতিত উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰাৰ উপৰি বৰ্তমান নগাঁও জিলাৰ অধীনত থকা উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বাৰ্ষিকৰ পৰীক্ষাসমূহত অহা বছৰৰ পৰা নিজ জিলাৰ পৰীক্ষা পৰিষদৰ দ্বাৰা অনুষ্ঠিত কৰাৰ বাবে অতি শীঘ্ৰে হোজাই জিলা উচ্চতৰ মাধ্যমিক পৰীক্ষা পৰিষদ গঠন কৰাৰ বাবে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিয়লি অনুষ্ঠিত বিষয় বাছনি সভাত নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞাক সভাপতি আৰু হোজাই আব্দুল হাচিব উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল ৰৱক সম্পাদক হিচাপে লৈ আগন্তুক দুবছৰৰ বাবে হোজাই জিলা উচ্চতৰ মাধ্যমিক অধ্যক্ষ মঞ্চৰ নতুন সমিতিখন সৰ্বসন্মতিক্ৰমে গঠন কৰা হয়। সভাত অহা ২৫ আৰু ২৬ ডিচেম্বৰত শিৱসাগৰত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক অধ্যক্ষ মঞ্চৰ দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিবেশন সফল কৰি তোলাৰ বাবে হোজাই জিলা অধ্যক্ষ মঞ্চৰ ফালৰ পৰা সৰ্বতোপ্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# অৱসৰপ্ৰাপ্ত শিক্ষকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১১ নৱেম্বৰ ঃ** দেৰগাঁৱৰ সমীপৰ তালচী গাঁৱৰ নিৱাসী নাককাটি তিনিচুকী মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক চেনীৰাম বৰুৱাৰ জটিল ৰোগত আক্ৰান্ত হৈ নিজা বাসগৃহত মৃত্যু হয়। বিভিন্ন সামাজিক কামত জড়িত বৰুৱাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। নাককাটি তিনিচুকী মধ্য আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গোটৰ হৈ ভবেন বৰপূজাৰী, দিলীপ দাস আৰু বোকাখাট কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰফুল্ল পূজাৰীয়ে গুণমুগ্ধৰ উপস্থিতিত নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

# মঙলদৈ উকীল সন্থাৰ সভাপতি পদৰ পৰা পদত্যাগ মাধৱ ৰাজবংশীৰ

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১১ নৱেম্বৰ ঃ** মঙলদৈ উকিল সন্থাৰ সভাপতি পদৰ পৰা পদত্যাগ কৰিছে মাধৱ ৰাজবংশীয়ে। দৰঙৰ জ্যেষ্ঠ অধিবক্তা তথা মঙলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশীয়ে তেওঁৰ পদত্যাগ পত্ৰত স্বাস্থ্যজনিত কাৰণত পদত্যাগ কৰাৰ কথা উল্লেখ কৰিছে। যোৱা ন নৱেম্বৰত অনুষ্ঠিত এখন সভাত তেওঁৰ পদত্যাগ পত্ৰ মঙলদৈ উকিল সন্থাই গ্ৰহণ কৰি জ্যেষ্ঠ উপ-সভাপতি নাৰায়ণ চক্ৰৱৰ্তীক ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব অৰ্পণ কৰে।

# মিৰ্জাত অত্যাধুনিক ৰিয়েলমিৰ শ্ব'ৰূম মুকলি

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ১১ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপৰ মিৰ্জাত অত্যাধুনিক স্মাৰ্ট ম'বাইল ফোন 'ৰিয়েলমি'ৰ শ্বৰূম যোৱা ন নৱেম্বৰত মুকলি কৰা হয়। ৰিয়েল মিৰ শ্ব'ৰূম মুকলি কৰে বিজেপিৰ ৰাজ্যিক যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক হিমাংশু শেখৰ বৈশ্যই। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন কৰে মিৰ্জাৰ সমাজকৰ্মী দীনেশ চৌধুৰীয়ে। শ্ব'ৰূম মুকলি কৰি হিমাংশু শেখৰ বৈশ্যই কামৰূপৰ মিৰ্জাত 'ৰিয়েল মি'ৰ অত্যাধুনিক ৫-জি স্মাৰ্ট ম'বাইল ফোন, স্মাৰ্ট টিভি, ঘড়ী, হেডফোন আদি উপলব্ধ শ্ব'ৰূম মুকলি হোৱাত অঞ্চলটোৰ জনসাধাৰণৰ বহুত উপকাৰ হ'ব। বৰ্তমান সময়ত ম'বাইল ফোন নহ'লে একো কামেই নহয়। সেয়েহে ম'বাইল ফোন সকলোকে অত্যন্ত জৰুৰী। উদ্যমী যুৱক তথা স্বত্বাধিকাৰী চানী শেঠীক শুভেচ্ছা তথা ব্যৱসায়িক দিশত উজ্জ্বল ভৱিষ্যৎ কামনা কৰি উক্ত শ্ব'ৰূমত অঞ্চলটোৰ নিবনুৱা যুৱক-যুৱতীসকলক কৰ্মসংস্থাপন দিবলৈ আহ্বান জনায় বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক হিমাংশু শেখৰ বৈশ্যই।

# পদ্মশ্ৰী বঁটাপ্ৰাপ্ত দুলাল মানকিলৈ চাহ মজদুৰ সংঘৰ অভিনন্দন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১১ নৱেম্বৰ ঃ** উজনি অসমৰ তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰহাপজান কেছেৰুগুৰি গাঁৱৰ বাসিন্দা ঝুমইৰ সম্ৰাট দুলাল মানকিক ভাৰত চৰকাৰে সন্মানীয় পদ্মশ্ৰী বঁটা প্ৰদান কৰাত অসম চাহ মজদুৰ সংঘই ভাৰত চৰকাৰক ধন্যবাদ জনাইছে। লগতে বৃহত্তৰ চাহ-জনগোষ্ঠী আদিবাসী সমাজৰ পৰা প্ৰথমবাৰৰ বাবে পদ্মশ্ৰী বঁটা লাভ কৰাত দুলাল মানকিলৈ অসমৰ সমূহ শ্ৰমিক ৰাইজৰ হৈ অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জনাইছে। এক বিবৃতিত ঘাটোৱাৰে দেশৰ ৰাষ্ট্ৰপতিৰ হাতৰ পৰা পদ্মশ্ৰী বঁটা গ্ৰহণ কৰাত দুলাল মানকিৰ লগতে ৰাজ্যখনৰ লাখ লাখ চাহ জনগোষ্ঠী আদিবাসীসকল আনন্দিত আৰু গৌৰাৱন্বিত হৈছে বুলি উল্লেখ কৰি ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰখনক সঠিক দিশত আগুৱাই লৈ যোৱাত অধিক তৎপৰতা আৰু আন্তৰিকতাৰে সৃষ্টি কৰ্মত আত্মনিয়োগ কৰিবলৈ দুলাল মানকিলৈ আহ্বান জনায়।

# হোমেন বৰগোহাঞিঃ সোঁৱৰণী ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১১ নৱেম্বৰ ঃ** শিৱসাগৰৰ আগশাৰীৰ শিক্ষানুষ্ঠান বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ বাবে চলিত বৰ্ষতে প্ৰয়াত সাহিত্যিক হোমেন বৰগোহাঞিৰ সোঁৱৰণত এখন ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। স্নাতক আৰু স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাৰ বিষয় আছিল 'প্ৰজ্ঞাৰ সাধক হোমেন বৰগোহাঞি'। অসমৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ প্ৰায় অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন যথেষ্ট উন্নত মানৰ আছিল বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে যোৰহাটৰ বৰহোলা মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ কেশৱ বৰাই, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে গড়গাঁও মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী কৰবী গগৈ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ ছাত্ৰী পৰিণীতা গগৈয়ে।

# ছিপাঝাৰৰ সাংবাদিক নৱ শইকীয়ালৈ 'শূন্য সহনশীল বঁটা'

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১১ নৱেম্বৰ ঃ** দৰঙৰ জ্যেষ্ঠ সাংবাদিক ছিপাঝাৰৰ নৱ কুমাৰ শইকীয়ালৈ আগবঢ়োৱা হৈছে 'শূন্য সহনশীল বঁটা -- ২০২১।' ছিপাঝাৰ প্ৰেছ গীল্ডৰ প্ৰাক্তন সম্পাদক, মঙলদৈ প্ৰেছ ক্লাবৰ সদস্য তথা আছাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন আপকুৰ দৰং দিলা সমিতিৰ প্ৰাক্তন সভাপতি আৰু বৰ্তমানৰ উপদেষ্টা সাংবাদিক শইকীয়াই ২০১১ত আপকুৰ দ্বাৰা ৰাজ্যিক পৰ্যায়ত প্ৰৱৰ্তিত মণ্টুমোহন দাস সোঁৱৰণী শ্ৰেষ্ঠ সাংবাদিকতা বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। শইকীয়াক অহা ন ডিচেম্বৰত আন্তঃৰাষ্ট্ৰীয় দুৰ্নীতি বিৰোধী দিৱস উপলক্ষে গুৱাহাটী জিলা পুথিভঁৰালত আয়োজিত এক অনুষ্ঠানত দুৰ্নীতি বিৰোধী যুৱ শক্তি, অসমে বঁটা প্ৰদান কৰিব বুলি সভাপতি ধৰ্মকান্ত গগৈয়ে জনাইছে। সাংবাাদিক শইকীয়া দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক আৰু শ্ৰীমন্ত শংকৰদেৱ সঘৰ ছিপাঝাৰ আঞ্চলিক শাখাৰ সহকাৰী সম্পাদক ৰূপেও সামাজিক সেৱা অব্যাহত ৰাখিছে। ৰাজ্যিক পৰ্যায়ৰ এই বঁটা লাভ কৰাৰ বাবে আছাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়নৰ কেন্দ্ৰীয় সভাপতি আব্দুল খালেক, সম্পাদক প্ৰধান শৰৎ শেনচোৱা, দৰং জিলা সমিতিৰ সভাপতি ৰত্নেশ্বৰ চহৰীয়া, ছিপাঝাৰ আৰু মঙলদৈৰ বিধায়ক ক্ৰমে ড° পৰমানন্দ ৰাজবংশী আৰু বসন্ত দাসে জনাইছে অভিনন্দন।



কলাইগাঁও মহাবিদ্যালয়ৰ ভূমি বেদখলমুক্ত কৰাৰ দাবীত আছুৰ প্ৰতিবাদী কাৰ্যসূচী, বৃহস্পতিবাৰে।

# বৰপথাৰ কমাৰগাঁৱৰ ১৩২ সংখ্যক ভাওনাৰ নাট মুকলি

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১১ নৱেম্বৰ ঃ** আজি বৰপথাৰ কমাৰগাঁৱৰ ভাওনাৰ নাট মুকলি কৰা হয়। ২০২২ৰ ১২ নৱেম্বৰত হ'বলগীয়া ভাওনা ভাগিত আগবঢ়োৱা হ'ব এইবাৰ ভীষ্মপৰ্ব। শংকৰদেৱে দেখুৱাই যোৱা ব্ৰজাৱলী ভাষাৰ ভাওনাৰ আৰ্হি অলপো হীন-ডেঢ়ি নোহোৱাকৈ পৰিৱেশন হৈ অহা ঐতিহ্যমণ্ডিত ভাওনাখনৰ লাইখুঁটা স্থাপন হ'ব অহা ১৭ জানুৱাৰীত। উল্লেখ্য যে দুদিনীয়াকৈ উদ্‌যাপন হ'বলগীয়া ১৩২ সংখ্যক ভাওনাখন বৃহত্তৰ বৰপথাৰ অঞ্চলৰ ৰাইজে একত্ৰিত হৈ আয়োজন কৰে। ভাওনাখনত সেৱা আগবঢ়ালে ভক্তৰ মনোবাঞ্ছা পূৰণ হয় বুলি বিশ্বাস থকা এই ভাওনাখনলৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা লক্ষাধিক লোক সমবেত হয়। বৰপথাৰ অঞ্চলৰ ৰাইজৰ বাবে সংস্কৃতিৰ চৰ্চাথলী হোৱাৰ লগতে এই ভাওনাভাগি আধ্যাত্মিকতাৰো ভেটি।

# খেতিয়কৰ শস্য ক্ষতিসাধনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক দাবী

## ■ ৰঙাপৰাত শোণিতপুৰ জিলা সাংবাদিক সন্থাৰ কাৰ্যনিৰ্বাহক সভা

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১১ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত যোৱা সাত নৱেম্বৰত শোণিতপুৰ জিলা সাংবাদিক সন্থাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়। ৰঙাপৰা নগৰৰ মাজমজিয়াত থকা কেশৰী সংঘত শোণিতপুৰ জিলা সাংবাদিক সন্থাৰ সভাপতি মিণ্টু হেমৰমৰ সভাপতিত্বত এই সভা অনুষ্ঠিত হয়। ৰঙাপৰা প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে জিলা সাংবাদিক সন্থাৰ সম্পাদক শশী ভূষণ শৰ্মাই। সভাত প্ৰয়াত সাংবাদিকসকলৰ আত্মাৰ শান্তিৰ সদগতিৰ বাবে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। সভাত আজুৰ জিলাৰ উপসভাপতি দিলীপ নাথে জিলাৰ সকলো প্ৰেছ ক্লাৱসমূহলৈ যোৱাৰ কথা আলোচনা কৰে। জিলা সাংবাদিক সন্থাৰ উপদেষ্টা অঞ্জন শৰ্মাই কয় যে সংগঠনৰ আদৰ্শগত নীতি-নিয়ম, আদৰ্শ মানি চলিব লাগিব। জীয়া ভেকুলীৰ ওজন কৰা সাংবাদিকৰ গঠন কৰাটো একেই কথা। তদুপৰি তেওঁ কয় যে পাঠক সমাজৰ স'তে মত বিনিময়ত কৰিব লাগে আৰু জনাৰ ব্যৱস্থা কৰিব লাগে। প্ৰেছ ক্লাৱৰ স'তে অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলৰে মত বিনিময় কৰিব লাগে। সাংবাদিকসকলে কেৱল সংবাদ পৰিৱেশনৰ সলনি অন্য দায়িত্বও পালন কৰিব লাগিব বুলি তেওঁ কয়। মফচলীয়া সাংবাদিকসকলৰ সমাজৰ প্ৰতি দায়িত্ব অধিক। আজুৰ কেন্দ্ৰীয় সভাপতি পংকজ নাথ কয় যে এশ সদস্য থকা প্ৰেছ ক্লাৱৰ কাম নহয়, দুজনে থাকিলেও সুন্দৰ কাম হয়। ভাল সাংবাদিকতা কৰাটো অতি জটিল। সংগঠন সবল কৰিবলৈ সন্থাটো কাম কৰিব লাগিব। তেওঁ ৰাইজ মেলৰ আয়োজন অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিয়ে। পৰ্টেল নিউজৰ সাংবাদিকসকলক শিক্ষাৰে পুৱঠ কৰি তোলাৰ উদ্দেশ্যৰে জিলাত সাংবাদিক কৰ্মশালা অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিয়ে। গোলাপ ফুলৰ বিপৰীতে কাইটৰ লগত সহৱস্থান কৰিব লাগিব। ভাল বাতৰি পৰিৱেশন কৰিলে প্ৰত্যাহ্বান আহিবই। ভয় আৰু হতাশ হ'লে সাংবাদিক হ'ব নোৱাৰে। জনতাৰ স্বাৰ্থত নিউজ কৰিলে সন্মানৰ চকুৰে চাব। সাংবাদিকতা বৃত্তিত মহীয়ান হৈ থাকি বৃত্তিতো পৱিত্ৰ কৰি কৰিব লাগিব। জীৱন জীৱিকা সুৰক্ষিত কৰি ৰখাৰ আজু সংগঠনটো শক্তিশালী কৰিব লাগিব। হস্তী মানুহৰ সংঘাতৰ বিষয়ক উল্লেখ কৰি কয় যে কৃষক ৰাইজে ক্ষতিপূৰণ লাভ নকৰে কৃষক ৰাইজে হাতী মাৰিলে দোষ হয় যদিও কৃষক ৰাইজে চৰকাৰৰ পৰা ক্ষতি লাভ নকৰে বুলি কয়। সভাত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ অহা ছমাহৰ ভিতৰত কাৰ্যকৰী কৰাকৈ গ্ৰহণ কৰা হয় লগতে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে।

## কুইজ প্ৰতিযোগিতাত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দল শ্ৰেষ্ঠ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১১ নৱেম্বৰ ঃ** ভাৰতীয় গণতান্ত্ৰিক পৰম্পৰাৰ প্ৰতি নৱ-প্ৰজন্মৰ যুৱক-যুৱতীসকলক আকৃষ্ট কৰাৰ বাবে কালি বৰপেটা জিলা নিৰ্বাচন বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। অবিভক্ত বৰপেটা জিলাৰ আগশাৰীৰ ১৫খন শিক্ষানুষ্ঠানৰ ২০টা দলে অংশগ্ৰহণ কৰা কুইজ প্ৰতিযোগিতাত বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দলে প্ৰথম স্থান অধিকাৰ কৰে। সৰভোগৰ বৰনগৰ মহাবিদ্যালয়ে দ্বিতীয় আৰু বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ দলে তৃতীয় স্থান লাভ কৰে। বিজয়ী দলসমূহক আগন্তুক ২৫ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া ভোটাৰ দিৱসৰ অনুষ্ঠানত বঁটা বিতৰণ কৰা হ'ব। জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত কুইজ প্ৰতিযোগিতা পৰিচালনা কৰে বি এইছ বি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাস আৰু মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অধ্যাপক পাৰ্থ প্ৰতিম চৌধুৰীয়ে। তেওঁলোকক সহযোগ কৰে বৰপেটা বিদ্যাপীঠৰ শিক্ষক উজ্জ্বল দাসে। বৰপেটা জিলাৰ নিৰ্বাচন বিভাগৰ 'ছুইপ' কোষ অৰ্থাৎ পদ্ধতিগত মতদাতা শিক্ষক তথা নিৰ্বাচক অংশীদাৰিত্ব কাৰ্যসূচী কোষৰ দ্বাৰা আয়োজিত এই আকৰ্ষণীয় অনুষ্ঠানটোৰ সামগ্ৰিক আয়োজনৰ দায়িত্ব সুচাৰুৰূপে পালন কৰে বৰপেটাৰ নিৰ্বাচন বিষয়া ময়ূৰাক্ষী দত্ত আৰু অধ্যাপক দল পাঠকে। উল্লেখ্য যে প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত কৰাৰ কথা আছিল যদিও বিদ্যালয়সমূহত ছয় মাহিলি পৰীক্ষা চলি থকাৰ পৰিপ্ৰেক্ষিতত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পাছত সুকীয়াকৈ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰতিযোগিতাত স্নাতক শ্ৰেণীৰ পৰা স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

## ধিঙত নগাঁও জিলা ভিত্তিত ২৩ সংখ্যক যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত

**অগ্ৰদূত বাৰ্তা**

**ধিং, ১১ নৱেম্বৰ ঃ** নগাঁও জিলাৰ ধিঙত দুদিনীয়া কাৰ্যসূচীৰে ধিঙৰ সাৰ্বজনীন পূজা মণ্ডপত অনুষ্ঠিত হৈ যায় জিলা ভিত্তিত ২৩ সংখ্যক যোগাসন প্ৰতিযোগিতা। নগাঁও জিলাৰ যোগ সন্থা আৰু ধিঙৰ আৰোগ্য যোগ কেন্দ্ৰই দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ কৰা প্ৰতিযোগিতাৰ যোৱা যোৱা সাত নৱেম্বৰত সফল সামৰণি পৰে। প্ৰতিযোগিতাখন নগাওঁ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা ডেৰশতাধিকৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত উপস্থিত থাকে অসম যোগ সন্থাৰ সভাপতি তথা অসম অলিম্পিক সন্থাৰ কোষাধ্যক্ষ তপন কুমাৰ দাসৰ লগতে নগাঁও জিলা যোগ সন্থাৰ মুখপাত্ৰ তথা কৃষ্ণকান্ত মুক্ত বিশ্ববিদ্যালয়ৰ ডিন ড° দিব্যজ্যোতি মহন্ত। প্ৰতিযোগিতাত ছাব জুনিয়ৰ, জুনিয়ৰ, ছিনিয়ৰ, ৰেডমিক আৰু ফ্ৰিফ্লৰ দৰে কে'বাটিও বিভাগৰ পৰা মুঠ ১৬০ গৰাকী প্ৰতিযোগীৰ ভিতৰত ৬০ জন প্ৰতিযোগীয়ে স্থান লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলক পৰৱৰ্তী সময়ত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে নিৰ্বাচিত কৰা হয়।

## গোসাঁইগাঁও বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ১১ নৱেম্বৰ ঃ** অসম বিধানসভাৰ গোসাঁইগাঁও সমষ্টিৰ খচৰা ভোটাৰ তালিকা যোৱা আঠ নৱেম্বৰত গোসাঁইগাঁও জিলা নিৰ্বাচনী ৰিটাৰ্ণিং বিষয়াই প্ৰকাশ কৰিছে। নিৰ্বাচনী পঞ্জীয়ন নিয়মৰ আধাৰত প্ৰস্তুত কৰা খচৰা ভোটাৰ তালিকাৰ প্ৰতিলিপি নিৰ্বাচনী বিষয়াৰ কাৰ্যালয় আৰু প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত উপলব্ধ হ'ব বুলি কাৰ্যবাহী দণ্ডাধীশ তথা ভাৰপ্ৰাপ্ত মহকুমা নিৰ্বাচনী বিষয়া গৌতম প্ৰিয়ম মহন্তই আজি গোসাঁইগাঁও মহকুমাধিপতিৰ কাৰ্যালয়ত আয়োজিত এক সংবাদমেলত এই কথা সদৰী কৰিছে। একেটা সূত্ৰই প্ৰকাশ কৰা মতে, ভোটাৰ তালিকাৰ ওপৰত কোনো ব্যক্তিৰ দাবী বা ওজৰ-আপত্তি থাকিলে অহা ৩০ নৱেম্বৰৰ ভিতৰত দাখিল কৰিব পাৰিব। আনহাতে, অহা ২০ ডিচেম্বৰৰ ভিতৰত দাবী আৰু ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰা হ'ব। একেদৰে আগন্তুক ২০২০ বৰ্ষৰ জানুৱাৰী মাহৰ পাঁচ তাৰিখে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি ভাৰপ্ৰাপ্ত মহকুমা নিৰ্বাচনী বিষয়াজনে প্ৰকাশ কৰে। প্ৰকাশিত খচৰা ভোটাৰ তালিকাত সমষ্টিটোত সৰ্বমুঠ ১,৯০,৬৪০গৰাকী ভোটাৰ আছে। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা ৯৭,৬৭২জন, মহিলা ভোটাৰৰ সংখ্যা ৯২,৯৬৬ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা দুগৰাকী বুলি বিষয়াজনে সদৰী কৰিছে।

## শিশু দিৱসত শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থাৰ সাধুকোৱা প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১১ নৱেম্বৰ ঃ** শিশু দিৱস উপলক্ষে শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু মধ্য শুৱালকুছি শাখা ছাত্ৰ সন্থাৰ সহযোগত আয়োজিত সাধুকথা কোৱা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। উদ্যোক্তা সমিতিয়ে জনোৱা অনুসৰি, প্ৰতিযোগীসকল শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থাৰ এলেকাৰ কোনো চৰকাৰী অঞ্চলৰ বেচৰকাৰী-ৰাজহুৱা খণ্ডৰ বিদ্যালয়ত অধ্যয়ন কৰা হ'ব লাগিব। কেৱল প্ৰথমৰ পৰা পঞ্চম শ্ৰেণীলৈহে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। দুটা শাখাত এই প্ৰতিযোগিতা আয়োজন কৰা হ'ব। ক শাখা ঃ প্ৰথম আৰু দ্বিতীয় শ্ৰেণী। খ শাখাত তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ শিশুসকলৰ মাজত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীয়ে নিজ বিদ্যালয়ৰ প্ৰধানৰ জৰিয়তে ১৩ নৱেম্বৰৰ পূৰ্বে যোগাযোগ কৰিব লাগিব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে ভৰ্তিমাচুল হিচাপে ২০ টকা নিজ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ ওচৰত জমা দিব লাগিব। ক শাখাৰ প্ৰথম তিনিগৰাকী আৰু খ শাখাৰ প্ৰথম তিনিগৰাকী শ্ৰেষ্ঠ প্ৰতিযোগীক পুৰস্কৃত কৰা হ'ব। অংশগ্ৰহণকাৰী প্ৰতিযোগীকে একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব।

## মৰাণত আজি অসম জাতীয় পৰিষদৰ বিক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১১ নৱেম্বৰ ঃ** ৰাজ্যত অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবীত কাইলৈ অসম জাতীয় পৰিষদে মৰাণত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰিব। দিনৰ ১১ বজাত আঞ্চলিক দলটোৰ মাহমৰা সমষ্টি সমিতিৰ উদ্যোগত নগৰখনৰ মাজমজিয়াত ৰূপায়ণ হ'বলগীয়া কাৰ্যসূচীত ৰাইজৰ অংশগ্ৰহণ কামনা কৰিছে অসম জাতীয় পৰিষদৰ চৰাইদেউ জিলা সমিতিৰ সভাপতি মাণিক গগৈ আৰু সাধাৰণ সম্পাদক বিপুল কুমাৰ ফুকনে।




মূল্যবৃদ্ধিৰ প্ৰতিবাদত মৰাণত অসম জাতীয় পৰিষদৰ অৱস্থান ধৰ্মঘট, বৃহস্পতিবাৰে।

■ সাংসদ দিলীপ শইকীয়াক শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী দল-সংগঠনৰ

# ঘগ্ৰাপাৰত আজিও নহ'ল ৰেলৰে লেভেল ক্ৰছিং



দেৰগাঁৱত দুৰ্ঘটনাগ্ৰস্ত বাহন, বৃহস্পতিবাৰে।

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১১ নৱেম্বৰ ঃ** বিগত বছৰকেইটাত ৰাজনৈতিক নেতাসকলে নলবাৰী জিলাৰ ঘগ্ৰাপাৰত উপস্থিত হৈ লোকসভা, বিধানসভা, অথবা পঞ্চায়ত নিৰ্বাচনৰ আগমুহূৰ্তত ভোটাৰ বিনিময়ত প্ৰতিশ্ৰুতি দি যায়। কিন্তু নিৰ্বাচনৰ পাছত ৰাইজৰ ভোটেৰে জয়লাভ কৰা জনপ্ৰতিনিধিয়ে ৰাইজক কৈ যোৱা কথাবোৰৰ সমুলি পাহৰি যায়। ২০০১ৰ বিধানসভা নিৰ্বাচনৰ সময়ত নলবাৰী জিলাৰ ঘগ্ৰাপাৰক দুভাগ কৰি উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ ৰেলপথত তদানীন্তন প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে লেভেল ক্ৰছিং স্থাপন কৰা হ'ব বুলি ঘোষণা কৰিছিল। কিন্তু দুঃখ-পৰিতাপৰ বিষয় যে প্ৰয়াত মুখ্যমন্ত্ৰীজনে একেবাৰে তৃতীয়বাৰলৈকে মুখ্যমন্ত্ৰী হৈছিল যদিও তেওঁ ঘোষণা কৰা ঘগ্ৰাপাৰৰ ৰেলৰে লেভেল ক্ৰছিঙৰ প্ৰতিশ্ৰুতি পূৰণ কৰা নহ'ল। তেতিয়াৰ পৰা বৰ্তমানৰ বিজেপিৰ পৰিৱৰ্তনকামী চৰকাৰৰ লগতে বিগত বছৰসমূহৰ মঙলদৈ সাংসদসকলৰ অমনোযোগিতা আৰু গুৰুত্বহীনতাৰ বাবে ৰাইজে যাতায়াতৰ ক্ষেত্ৰত ভীষণ হাৰাশাস্তি ভোগ কৰিবলগীয়া হৈছে বুলি চৰ্চিত হৈছে। উল্লেখ্য যে তদানীন্তন মঙলদৈৰ সাংসদ ৰমেন ডেকাও তেওঁৰ প্ৰথমটো নিৰ্বাচনত ঘগ্ৰাপাৰত উপস্থিত হৈ ঘগ্ৰাপাৰত এখন ৰেলৰে লেভেল ক্ৰছিং স্থাপনত আগভাগ ল'ব বুলি প্ৰতিশ্ৰুতি দিছিল যদিও সেয়াও সম্ভৱ হৈ নুঠিল। যি সময়ত ৰাজ্যবোৰৰ আন জিলাবোৰ উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে নিত্য নতুন আঁচনি প্ৰস্তুত কৰিছে তেনে সময়তে নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত ঘগ্ৰাপাৰ ৰেল ষ্টেছন সৰ্বদিশতে অৱহেলিত হোৱাৰ লগতে ৰেলৰে লেভেল ক্ৰছিং নোহোৱা বিষয়টো কেন্দ্ৰ- ৰাজ্যৰ বিজেপি চৰকাৰ দুয়োখনৰ ব্যৰ্থতা উদঙাইছে বুলি বিভিন্ন দল-সংগঠনে অভিযোগ তুলিছে। সেয়েহে বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ দল-সংগঠনৰ লগত ঘগ্ৰাপাৰ আঞ্চলিক যুৱ ছাত্ৰ পৰিষদ আৰু ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাই ঘগ্ৰাপাৰৰ সৰ্বদিশতে অৱহেলিত ঘগ্ৰাপাৰ ৰেল ষ্টেছন উন্নীতকৰণৰ লগতে ৰেলৰে লেভেল ক্ৰছিং শীঘ্ৰে স্থাপন কৰাৰ বাবে মঙলদৈৰ সাংসদ দিলীপ শইকীয়াক দাবী জনাইছে।

## দুনী শাখা সাহিত্য সভাৰ পাঠচক্ৰ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**দনী, ১১ নৱেম্বৰ ঃ** দুনী শাখা সাহিত্য সভাৰ এখন পাঠচক্ৰ যোৱা ন নৱেম্বৰত আবেলি অনুষ্ঠিত হয়। দুনী সাহিত্য ভৱনত অনুষ্ঠিত অনুষ্ঠান সঞ্চালনা কৰে শাখাৰ সভাপতি কৰুণাকান্ত ভট্টাচাৰ্যই। পাঠচক্ৰ উদ্বোধন কৰে শান্তিপুখুৰী হাই মাদ্ৰাছাৰ অৱসৰী অধীক্ষক হৰেশ ডেকাই। অনুষ্ঠানত অসম সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ উপ-সভাপতি কৰুণাকান্ত শৰ্মা, জিলাৰ বিষয়ববীয়া ফণীধৰ ৰাজবংশী, ড° গীতিকা চহৰীয়াকে ধৰি আন বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পাঠচক্ৰত মহেন্দ্ৰ নাথ শৰ্মা, আদ্য প্ৰসাদ শৰ্মা, বুদ্ধিৰাম ডেকা, দিপ্তী ডেকা ৰাজবংশী, জগন্নাথ শইকীয়া, প্ৰতিভা দেৱী, ধৰ্মেশ্বৰী দেৱী, বিমলা কলিতা, লোকেশ্বৰ নাথ, বিজয় শংকৰ নাথ, কৰুণা কান্ত ভট্টাচাৰ্যকে ধৰি আন কে'বাগৰাকী সাহিত্যসেৱীয়ে স্বৰচিত কবিতা, গল্প, প্ৰৱন্ধ, ৰস-ৰচনা আদি পাঠ কৰে। পাঠৰ অন্তত শাখাৰ সম্পাদক দিলীপ ডেকাই আগবঢ়োৱা শলাগৰ শৰাইৰে কাৰ্যসূচীৰ সামৰণি পৰে।

## বটদ্ৰৱাৰ হালধিআটিত একশৰণ নামধৰ্ম জনজাতি সমাজৰ সভা

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১১ নৱেম্বৰ ঃ** একশৰণ নামধৰ্ম জনজাতি সমাজ, শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাথমিক শাখাৰ এখন সভা যোৱা আঠ নৱেম্বৰত বটদ্ৰৱাৰ সমীপৱৰ্তী হালধিআটি গাঁৱত অনুষ্ঠিত হয়। একশৰণ নামধৰ্ম জনজাতি সমাজৰ, পূৱ আঞ্চলিকৰ সভাপতি প্ৰদীপ দেউৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে যুগল দেওৰজাই একশৰণ নামধৰ্ম জনজাতি সমাজৰ প্ৰাক্তন পদাধিকাৰ টিকেন ডেকাৰজা, 'ভক্তিজ্যোতি' শীৰ্ষক পত্ৰিকা সম্পাদক সোণচিং পাটৰে ভাষণ প্ৰদান কৰা সভাত অহা আঠ আৰু ন জানুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাথমিক শাখাৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাথমিক শাখাৰ সম্পাদক জিতু বৰদলৈ, সহকাৰী সম্পাদক ৰাজুমনি কোঁৱৰকে ধৰি অঞ্চলটোৰ ভকত-বৈষ্ণৱ, আইমাতৃসকল উপস্থিত থাকে।

## দৰঙৰ ৰামহৰিত অসম সাহিত্য সভাৰ শাখা গঠন

**বিশেষ সংবাদদাতা,**

**মঙলদৈ, ১১ নৱেম্বৰ ঃ** মঙলদৈৰ নিকটৱৰ্তী বৃহত্তৰ ৰামহৰি অঞ্চলক কেন্দ্ৰ কৰি ৰামহৰিত অসম সাহিত্য সভাৰ এখন শাখা সভা যোৱা সাত নৱেম্বৰত গঠন কৰা হয়। ৰামহৰি দুৰ্গা মন্দিৰ প্ৰাংগণত বৰক'লা হাইস্কুলৰ অৱসৰী শিক্ষক ভুৱন চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত জ্ঞান মন্দিৰ জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীতটো পৰিৱেশন কৰা হয় । সভাৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় আহ্বায়ক হেমন্ত কুমাৰ বৰুৱাই। সভাত শাখা সভা গঠন সম্পৰ্কত সাহিত্য সভাৰ উদ্দেশ্য, লক্ষ্য আৰু কৰ্মসূচী সম্পৰ্কত ব্যাখ্যা আগবঢ়ায় দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন কুমাৰ ৰাজবংশী আৰু সম্পাদক গৌতমানন্দ গোস্বামীয়ে। সভাপতি, সম্পাদকদ্বয়ে বক্তব্যৰ জৰিয়তে নৱগঠিত শাখাটিৰ গতিশীলতাৰ ক্ষেত্ৰত শাখাৰ স্বীকৃতি লাভ কৰি সোণালী শাখালৈ উন্নীত হোৱাত পদক্ষেপ ল'বলৈ হাতে কামে আগবাঢ়িবলৈ আহ্বান জনাই সভাত উপস্থিত থকা প্ৰতিগৰাকী সন্মানীয় ব্যক্তিক সাহিত্য সভাৰ মজিয়ালৈ আদৰণি জনায়। 'অৰুণোদয় সাহিত্য সভা' নামেৰে নামকৰণ কৰা নতুন শাখাটোৰ ভুৱন চন্দ্ৰ ডেকাক সভাপতি, মুকুট চন্দ্ৰ নাথক উপ সভাপতি, বিজয় চন্দ্ৰ ডেকাক সম্পাদক হিচাপে লৈ মুঠ ২১ জনীয়া সমিতি গঠন কৰা হয়। সভাত দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি সূৰ্য শৰ্মা, কোষাধ্যক্ষ কেশৱ চহৰীয়া, কাৰ্যালয় সম্পাদক ডিম্বেশ্বৰ ডেকা উপস্থিত থাকে। সভাৰ মাজত কণকণ শিশু তুষাৰ কাশ্যপ, হৰ্ষিতা শিৰম, গায়ত্ৰী ডেকা, প্ৰজ্ঞা ডেকা, মৌচুমী বড়োৰ গীতে সভাখন জীপাল কৰি তোলে।

## ওদালগুৰি জিলা আগছুৰ দ্বি-বাৰ্ষিক অধিবেশনৰ আয়োজন

**বিশেষ সংবাদদাতা,**

**ওদালগুৰি ১১ নৱেম্বৰ ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা চমুকৈ আগছু ওদালগুৰি জিলা সমিতিৰ ৪১ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশন আগন্তুক আঠ আৰু ন জানুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে ওদালগুৰিৰ ভাৰত-ভূটান সীমান্তৱৰ্তী বামুণজুলিত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই সম্পৰ্কে যোৱা সাত নৱেম্বৰত বামুণজুলিৰ চামৰাঙত অনুষ্ঠিত সাধাৰণ সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। গোৰ্খা ছাত্ৰ সন্থা ওদালগুৰি জিলা সমিতিৰ সভাপতি সোমৰাজ সোণাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে আগছুৰ বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক পূৰ্ণ বিষ্টই। সভাত ডিক বাহাদুৰ ছেত্ৰীক সভাপতি, বিমল ছেত্ৰীক কাৰ্যকৰী সভাপতি আৰু গোপাল ঢকালক সাধাৰণ সম্পাদক হিচাপে লৈ ৪১ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন নিয়াৰিকৈ পৰিচালনাৰ বাবে এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। উল্লেখে যে কিছুদিন আগতে অধিৱেশনৰ তাৰিখ ১৮ আৰু ১৯ ডিচেম্বৰ ধাৰ্য কৰা হৈছিল যদিও উচ্চতৰ মাধ্যমিক আৰু স্নাতক মহলাৰ পৰীক্ষাৰ বাবে অধিৱেশন উক্ত তাৰিখ পিছুৱাই দিয়া হৈছে। অধিৱেশন সফলভাৱে সমাপন কৰিবলৈ ওদালগুৰি জিলাৰ সকলো গোৰ্খা জাতীয় সংগঠনৰ লগতে সমূহ ওদালগুৰিবাসী গোৰ্খা জনসাধাৰণক জিলা আগছুৱে আহ্বান জনাইছে।

## ছিপাঝাৰ হাজৰিকাপাৰাৰ কল্যাণ কুমাৰ গোস্বামীলৈ বঁটা

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১১ নৱেম্বৰ ঃ** সাতখলি হাতীমুৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক, হাজৰিকাপাৰা সাহিত্য সভাৰ সম্পাদক, বিভিন্ন অনুষ্ঠানৰে জড়িত কল্যাণ কুমাৰ গোস্বামীক নিৰ্মল আৰু প্ৰাগজ্যোতিষ শৈক্ষিক ন্যাসৰ তৰফৰ পৰা আগবঢ়োৱা ২০২১ৰ 'প্ৰাগজ্যোতিষ শিক্ষা বাৰিধি' বঁটাৰ বাবে মনোনীত কৰিছে। শিক্ষাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱাৰ লগতে সাহিত্যৰ ক্ষেত্ৰতো বিশেষ অৰিহণা যোগোৱা গোস্বামীৰ বিভিন্ন গল্প, প্ৰৱন্ধ, কবিতা বিভিন্ন ঠাইত প্ৰকাশ পোৱাৰ লগতে বিভিন্ন গ্ৰন্থ সম্পাদনাৰ স'তেও জড়িত। 'জীৱনৰ বিচিত্ৰ ৰং, ঋতুৰে ঋতুৰে, অন্বেষণৰ দাপোণত ভাগৱতীসত্ৰ, সুগন্ধৰ সন্ধানত, দিহিঙে দিপাঙে, ভূস্বৰ্গাৎ, একে মন এটি প্ৰেৰণা' আদি প্ৰকাশিত গ্ৰন্থসমূহৰ ৰচক গোস্বামীক সাহিত্যৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগোৱা বাবে দৰং জিলা হাইস্কুল শিক্ষক সন্থাই মাণিক চন্দ্ৰ নাথ সোঁৱৰণী বঁটাও প্ৰদান কৰিছিল। অহা ১৯ নৱেম্বৰত গুৱাহাটীৰ উজানবজাৰৰ বিষ্ণু নিৰ্মলা ভৱনত আয়োজিত এক অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব।

## আয়ুৰ্বেদিক চিকিৎসা এক পৌৰাণিক চিকিৎসা

### ■ পুৰণিগুদাম চলচলিৰ চিকিৎসা সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ১১ নৱেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদাম চলচলি মোক্তাব বিদ্যালয়ত যোৱা ন নৱেম্বৰত আয়ুৰ্বেদিক চিকিৎসাৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হয়। সমাজকৰ্মী হাফিজুৰ ৰহমানৰ সভাপত্বিত অনুষ্ঠিত সভাত উপস্থিত থাকে বিহাৰ পাটনাৰ বিশিষ্ট আয়ুৰ্বেদিক চিকিৎসক ডাঃ চাকিল আহমেদ। সভাত উপস্থিত চিকিৎসকজনে কয় যে আয়ুৰ্বেদিৰ চিকিৎসা এক পৌৰাণিক চিকিৎসা। এই চিকিৎসা কৰিলে ৰোগী সুস্থ হোৱাৰ লগতে আয়ুৰ্বেদিক ঔষধৰ কোনো ক্ষতিকাৰক গুণ নাই। পৃথিৱীৰ ২৮ খন দেশত এই ঔষধৰ চিকিৎসা কৰি ৰোগী সুস্থ হোৱাৰ লগতে জনপ্ৰিয়তা বৃদ্ধি পাইছে। বিশেষকৈ কেভা কোম্পানীৰ অধীনত চলি থকা আয়ুৰ্বেদিক ঔষধে বিশেষ সমাদৰ লাভ কৰাৰ লগতে এই কোম্পানীয়ে ৰোগীসকলৰ কোনো অসুবিধা নোহোৱাকৈ ৫০ শতাংশ ৰেহাই মূল্যত এই ঔষধ ঘৰে ঘৰে পঠিওৱাৰ ব্যৱস্থা কৰিছে। কেভা কোম্পানীৰ চলচলিত থকা সঞ্জীৱনী আয়ুৰ্বেদ ঔষধ বিপণীৰ স্বত্বাধিকাৰী জাহ্নৱী বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিশিষ্ট চিকিৎসকজনে আয়ুৰ্বেদিক ঔষধ ৰাইজক ব্যৱহাৰ কৰি ঔষধৰ গুণ লাভ কৰিবলৈ আহ্বান জনায়। ইতিমধ্যে সকলোধৰণৰ ৰোগৰ ঔষধ চলচলি মুছলমান গাঁৱত থকা জাহ্নৱী বৰাৰ আয়ুৰ্বেদিক ঔষধৰ বিপণীত লাভ কৰিব পাৰিব বুলি উল্লেখ কৰে। চিকিৎসকজনে সজাগতা সভাত কে'বাগৰাকী ৰোগীক বিনামূলীয়াকৈ চিকিৎসা কৰি ঔষধ বিতৰণ কৰে। সভাত নিজ চলচলি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি আব্দুল ৰৌফ, শিক্ষয়িত্ৰী সোণমণি বৰা, বিপুল আলীকে ধৰি স্থানীয় বহুলোক উপস্থিত থকাৰ লগতে বিশিষ্ট চিকিৎসকজনৰ পৰা বিনামূলীয়াকৈ চিকিৎসা গ্ৰহণ কৰে।

## প্ৰাথমিক শিক্ষক সন্মিলনীৰ কেন্দ্ৰ সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**বহলপুৰ, ১১ নৱেম্বৰ ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ মণ্ডল ভিত্তিক গোট টিলাপাৰা কেন্দ্ৰ সমিতিখন যোৱা ন নৱেম্বৰত এক সাধাৰণ সভাত গঠন কৰা হয়। টিলাপাৰা হাইস্কুল সভাগৃহত জ্যেষ্ঠ শিক্ষক আব্দুল খালেক মণ্ডলৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত সুমন্ত চৌধুৰীক সভাপতি, বেল্লাল হুছেইনক উপ-সভাপতি, আব্দুল চোবাহানক সম্পাদক আৰু প্ৰশান্ত ৰায়, টুনিৰাম দাস, সুৰজ দে, আবু বক্কৰ তালুকদাৰক চক্ৰ শিক্ষক সন্মিলনীৰ প্ৰতিনিধি হিচাপে মনোনীত কৰি আগন্তুক দ্বিবাৰ্ষিক কাৰ্যকালৰ বাবে টিলাপাৰা কেন্দ্ৰ সমিতিখন গঠন কৰা হয়।

## শিৱসাগৰত ষট্ পূজা পালন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১১ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰ নগৰৰ থানামুখ আৰু দিখৌ দলঙৰ সমীপৰ নৈৰ ঘাটত বিহাৰী সম্প্ৰদায়ৰ লোকসকলে ষট্ পূজাৰ ব্যাপক আয়োজন কৰিছে। আজি আবেলি পাদ্য অৰ্ঘ্য লৈ নদীৰ পাৰত উপস্থিত হয় ব্ৰতধাৰী ভক্তসকল। দেওঁলোকে নদীৰ পানীত নামি সূৰ্য তেৰতাক আৰাধনা কৰে। কাইলৈ পুৱাতে পুনৰ সূৰ্যদেৱতাক পূজা কৰি ব্ৰত ভাঙিব। ইতিমধ্যে নদীৰ পাৰত সূৰ্য দেৱতাৰ অস্থায়ী মন্দিৰ স্থাপন কৰা হৈছে। শাৰী শাৰী কলগছ ৰোৱাৰ লগতে সৰু সৰু অস্থায়ী ঘৰো নিৰ্মাণ কৰা হৈছে। পূজা উপলক্ষে বিহাৰী লোকসকলৰ ব্যাপক ভিৰ পৰিলক্ষিত হৈছে শিৱসাগৰৰ ষট্ পূজাৰস্থলীত।

## মণিকাঞ্চন গ্ৰাম্য সংগঠনৰ কাৰ্যালয়ৰ দ্বাৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ১১ নৱেম্বৰ ঃ** অসম গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত যোৰহাট জিলাৰ ৭০ নম্বৰ মধ্য খঙীয়া গাঁও পঞ্চায়ত অঞ্চলত পৰিচালিত হৈ থকা ১৩ টা আত্মসহায়ক গোটৰ স'তে জড়িতসকলে গঠন কৰা মণিকাঞ্চন গ্ৰাম্য সংগঠন পৰিচালনাৰ বাবে পশ্চিম যোৰহাট সাহিত্য-সংস্কৃতি গোষ্ঠীৰ কাৰ্যালয়টো অস্থায়ী ৰূপত ব্যৱহাৰ কৰাৰ উদ্দেশ্যে যোৱা ১০ নৱেম্বৰত দ্বাৰ মুকলি কৰে। প্ৰসন্ন কাকতি, পুতুল কলিতা, সংগীতা শইকীয়া কাকতিয়ে একোটাকৈ গছপুলি ৰোপণৰ পাছতে ধূপদ্বীপ প্ৰজ্বলন কৰি ৰঙা ফিটা কাটি দ্বাৰ মুকলি কৰি মণিকাঞ্চন গ্ৰাম্য সংগঠনৰ কাম-কাজ পৰিচালনাৰ বাবে গোটৰ সদস্যসকলক চমজাই দিয়ে স্থানীয় পঞ্চায়তখনৰ সভানেত্ৰী ৰূপৰেখা শইকীয়াই। এই উদ্দেশ্যে সংগঠনটোৰ সম্পাদিকা পূজা শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাখন পৰিচালনা কৰে প্ৰসন্ন কাকতিয়ে। পঞ্চায়তৰ সভানেত্ৰী ৰূপৰেখা শইকীয়া, যোৰহাট জিলা পৰিষদৰ খঙীয়াৰ সদস্য প্ৰশান্ত বৰাই পশ্চিম যোৰহাট সাহিত্য-সংস্কৃতিৰ কাৰ্যালয় তথা মণিকাঞ্চন গ্ৰাম্য সংগঠনৰ অস্থায়ী কাৰ্যালয়টোৰ চৌহদত চৰকাৰী অনুদানেৰে স্থায়ী বেৰা দিয়াৰ ব্যৱস্থা কৰিব বুলি ভাষণত প্ৰতিশ্ৰুতি দিয়ে। ১৯৮৫ৰ ১২ জানুৱাৰীত প্ৰতিষ্ঠা হোৱা পশ্চিম যোৰহাট সাহিত্য-সংস্কৃতি গোষ্ঠীৰ সম্পৰ্কত ৰাইজক অৱগত কৰে প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক পুতুল কলিতা আৰু প্ৰাক্তন প্ৰধান সম্পাদক ৰমেন শইকীয়াই। জীৱিকা সখীৰ ৰূপজ্যোতি বৰাই গ্ৰাম্য সংগঠনৰ লক্ষ্য-উদ্দেশ্য, কৰ্ম জড়িতসকলৰ কৰণীয় সম্পৰ্কত উল্লেখ কৰি পঞ্চায়তখনত ৭৯টা আত্মসহায়ক গোট আৰু ২০ টা গ্ৰাম্য সংগঠন পৰিচালিত হৈ আছে বুলি উল্লেখ কৰে। শতাধিক মহিলাই অংশগ্ৰহণ কৰা সভাখনত অনিল শৰ্মা, প্ৰবীণ শইকীয়া, নয়নমণি কলিতা, যাদৱ কাকতি প্ৰমুখ্যে ভালেকেইগৰাকীয়ে বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, মণিকাঞ্চন গ্ৰাম্য সংগঠনৰ কাৰ্যালয়ৰ আচবাব ক্ৰয়ৰ বাবে অসম গ্ৰামীণ জীৱিকা অভিযানে ২৫ হোজাৰ টকা অনুদান ৰূপে আগবঢ়াইছে। সেয়ে সংগঠনটোৰ স'তে জড়িতসকলে পশ্চিম যোৰহাট সাহিত্য-সংস্কৃতি গোষ্ঠীৰ ঢেকেলীয়াস্থিত কাৰ্যালয়টো অস্থায়ী ৰূপত ব্যৱহাৰ কৰিবলৈ চুক্তিবদ্ধ কৰি লৈছে। সাহিত্য-সংস্কৃতি গোষ্ঠীৰ স'তে জড়িতসকলৰ সহযোগিতা সংগঠনটোৰ সভানেত্ৰী সংগীতা শইকীয়া কাকতি আৰু সম্পাদিকা পূজা শইকীয়াই কামনা কৰিছে। ৰাজ্যৰ প্ৰতিটো গ্ৰাম্য সংগঠনৰ অধীনত আত্মসহায়ক গোট তদাৰক সমিতি, বেংক যোগসূত্ৰ, সামাজিক কাৰ্যকলাপ, সম্পদ চোৱা-চিতা কৰা, উৎপাদিত বয়-বস্তু ক্ৰয় কৰা, জীৱিকা, কৌশল, দুৰ্যোগ উপশম, ঋণ পৰিশোধ আৰু সামাজিকভাৱে আয়-ব্যয়ৰ বছৰি হিচাপ কৰাৰ উদ্দেশ্যে উপ-সমিতি পৰিচালিত হৈ আছে। গ্ৰাম্য সংগঠনসমূহক লৈ ক্লাষ্টাৰ লেভেল ফেডাৰেছন গঠন হয় আৰু এই ফেডাৰেছনে গোটসমূহক কাম-কাজ কৰিবলৈ ঋণ দিয়ে। তদুপৰি সমাজ উন্নয়ন সমস্যা সমাধানৰ বাবে প্ৰতি পঞ্চায়তত একোখনকৈ ভি অ' চি চি গঠন কৰিছে।

## লেংটিছিঙাৰ শিক্ষানুষ্ঠানত সৰ্বধৰ্ম প্ৰাৰ্থনা সভা

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১১ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ লেংটিছিঙাস্থিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি অপায়-অমংগল আঁতৰোৱাৰ বাবে সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ শিক্ষক আৰু কৰ্মচাৰী এজন কিছুদিন পূৰ্বে মৃত্যু হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰী একাংশ সঘনে দুৰ্ঘটনাত পতিত হোৱাৰ বাবে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়।

## ৪০ বছৰে লোক বাদ্য শিল্পত ব্যস্ত বিছু দাস

### ■ শৰৎ কালৰ ৰাতি বিতোপনকৈ সজোৱাত ব্যস্ত কলিয়াবৰৰ এদল লোকবাদ্য শিল্পী

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১১ নৱেম্বৰ ঃ** 'শৰৎ কালৰ ৰাত্ৰি অতি বিতোপন'কৈ সজোৱাত ব্যস্ত হৈ পৰিছে কলিয়াবৰৰ এদল লোকবাদ্য শিল্পী। ৰাজ্যত সমাগত ৰাস মহোৎসৱ। মাজুলীকে ধৰি সমগ্ৰ ৰাজ্যতে এতিয়া ৰাসৰ আখৰাত ব্যস্ত শিল্পী, ডেকা-গাভৰু। চৌদিশে শুনিবলৈ পোৱা গৈছে কেৱল কৃষ্ণ বন্দনা। খোল, তাল, বাঁহীৰ শব্দৰে ৰজনজনাই উঠিছে নামঘৰৰ বাকৰি, ৰাসতলি। খোল-তালৰ চেৱে চেৱে কৃষ্ণ-ৰাধাৰ নৃত্য গোপ-গোপীৰ লয়লাসৰ আখৰা চলিছে পূৰ্ণোদ্যমে। সকলো ফালেই ৰাসৰ পূৰ্ণ প্ৰস্তুতি। ইয়াৰ সমান্তৰালভাৱে ব্যস্ত হৈ পৰিছে অসমীয়া লোকবাদ্যসমুহ প্ৰস্তুত তথা মেৰামতি কৰা শিল্পীসকল। মহাৰাস ওচৰ চপাৰ লগে লগে এওঁলোকৰো ব্যস্ততা বাঢ়িছে। দুপৰ নিশালৈকে তৈয়াৰ কৰি গৈছে ইটোৰ পিছত সিটোকৈ খোল-মৃদংগ। কলিয়াবৰৰ কুঁৱৰীটোলৰ বিছু দাস নামৰ শিল্পীজনো এতিয়া ব্যস্ত হৈ পৰিছে সত্ৰীয়া কৃষ্টিৰ অন্যতম আধাৰ তথা লোকবাদ্য খোল প্ৰস্তুত কৰাত। প্ৰস্তুত কৰিছে এটাৰ পাছত আনটো খোল। কাঠৰ লগতে মাটিৰ ডিমাত চাৰনী কৰি তৈয়াৰ কৰিছে বহু খোল। উল্লেখ্য যে বিগত ৪০ বছৰে এই বাদ্য নিৰ্মান প্ৰতিষ্ঠানখনতেই বহিয়েই দাসে প্ৰস্তুত কৰি গৈছে বহু খোলকে ধৰি আন আন লোকবাদ্য। এই কামত সহযোগিতা আগবঢ়াইছে আন তিনিজন লোকে। ৰাস পূৰ্ণিমাৰ যিমানেই দিন চমু চাপিছে , সিমানেই ব্যস্ততা বৃদ্ধি পাইছে এইসকল লোকবাদ্য নিৰ্মাণ শিল্পীৰ। লোকবাদ্য নিৰ্মাণ প্ৰসংগতে শিল্পী দাসে - '২০-২০ বছৰৰ দৰে আজি নাই সেই পৰিৱেশ। লাহে লাহে যেন লোককৃষ্টিৰ প্ৰতি অনীহা বৃদ্ধি পাইছে নৱপ্ৰজন্মৰ। গাঁৱে-ভূঞেও ভাওনা উৎসৱৰ পয়োভৰ কমিছে বুলি অনুমান হৈছে। তথাপি সাজি গৈছো খোল। আমাৰ কৃষ্টিবোৰ যুগমীয়া হৈ জিলিকি ৰওক।' উল্লেখ্য যে ক'ভিডকালীন পৰিৱেশৰ পৰিপ্ৰেক্ষিততে এইবাৰ ৰাসৰ পয়োভৰ কিছু কমিছে যদিও কলিয়াবৰৰ ঐতিহ্যমণ্ডিত হাটবৰ হাজাৰৰ ল'ৰাৰ ৰাস, মাধতাৰিকে ধৰি সেই অঞ্চলৰ ৰাস, হাতীগাঁও, চিলাবন্ধাকে ধৰি বহুকেইখন গাঁৱত ৰাসৰ আয়োজন চলিছে। ইয়াৰ লগে লগে বৃদ্ধি পাইছে বিছু দাসৰ দৰে লোকবাদ্য শিল্পীৰ দৈনিক ব্যস্ততা।



# নগাঁও ৰাজ্যিক নাৰী গৃহক কণ্টেইনমেণ্ট জ'ন ঘোষণা

## নগাঁৱৰ ৰাজ্যিক নাৰী গৃহত ক'ভিডৰ সংক্ৰমণ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১১ নৱেম্বৰ ঃ** সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত নগাঁৱৰ আমোলাপট্টিৰ ৰাজ্যিক নাৰী আৰু শিশু গৃহত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও জিলা উপায়ুক্তই এক নিৰ্দেশযোগে ৰাজ্যিক নাৰী আৰু শিশু গৃহ কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰিছে। উল্লখ্য যে পহিলা নৱেম্বৰৰ পৰা ১০ নৱেম্বৰৰ ভিতৰত ৰাজ্যিক নাৰী গৃহৰ ১৬ গৰাকীকৈ আৱাসী কৰ'নাত আক্ৰান্ত হৈছে। ইয়াক কেন্দ্ৰ কৰি ৰাজ্যিক নাৰী গৃহত এক হাহাকাৰ সদৃশ পৰিস্থিতিৰ সৃষ্টি হয়। কৰ'নাত আক্ৰান্ত হোৱাসকলৰ ভিতৰত এটি এবছৰীয়া শিশু, চাৰিগৰাকী অনাথ ছাত্ৰী, এগৰাকী মহিলা আৰু এগৰাকী কৰ্মচাৰীও আছে। পহিলা নৱেম্বৰৰ পৰা ১০ নৱেম্বৰলৈ ক'ভিড পৰীক্ষা কৰাৰ সময়ত ১৬গৰাকী আৱাসী ক'ভিডত আক্ৰান্ত হোৱাটো নিশ্চিত হয়। এই আটাইকেইগৰাকীকে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক'ভিড চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও পৰৱৰ্তী পৰীক্ষাত ক'ভিড নিগেটিভ হোৱাত চাৰিগৰাকীক নাৰী গৃহলৈ ওভতাই অনা হয়। সম্প্ৰতি তেওঁলোকক আছুতীয়াকৈ ৰখা হৈছে। আন ১২গৰাকী বৰ্তমানেও ক'ভিড হাস্পতালত চিকিৎসাধীন হৈ আছে। নাৰী গৃহত ক'ভিডৰ সংক্ৰমণ যাতে বেছি হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও জিলা উপায়ুক্তই কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰিছে। কণ্টেইনমেণ্ট জ'নত থকা আৱাসীসকলে যাতে খাদ্য-সামগ্ৰীকে ধৰি সকলো সামগ্ৰী লাভ কৰিব পাৰে তাৰ ব্যৱস্থা ল'বলৈ উপায়ুক্তই সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিছে। উল্লেখ্য যে নাৰী গৃহৰ চৌহদতে এটি শিশু গৃহও আছে। এই শিশু গৃহত থকা শিশুসকল যাতে ক'ভিডত আক্ৰান্ত নহয় তাৰ বাবে নগাঁও জিলা প্ৰশাসনে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে।

# বৰপেটা জিলাত তিনিদিনৰ বাবেহে ৰাস উৎসৱৰ অনুমতি

**কলগাছিয়া, ১১ নৱেম্বৰ ঃ** অতিমাৰী কৰ'না পৰিস্থিতিৰ বাবে বৰপেটা জিলাত আগন্তুক ৰাস উৎসৱ তিনিদিনৰ ভিতৰতে সামৰিব লাগিব। আজি জিলাখনৰ শ্ৰীকৃষ্ণৰ ৰাসলীলা উদ্‌যাপন সমিতিসমূহৰ স'তে জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন বৈঠকত উপায়ুক্ত তেজ প্ৰসাদ ভূচালে এই বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে সামাজিক স্বাস্থ্য আৰু সুৰক্ষাৰ দিশটোৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। সেয়ে এইবেলিৰ ৰাস উৎসৱ তিনিদিনৰ ভিতৰতে সীমিত কৰিবলৈ উদ্‌যাপন সমিতিসমূহক তেওঁ আহ্বান জনায়। তদুপৰি সকলো উদ্‌যাপন সমিতিকে ৰাজ্য চৰকাৰে ঘোষণা কৰা ক'ভিড মানি চলা, পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰাখিবলৈ আৰু এবাৰ ব্যৱহাৰ্য প্লাষ্টিকৰ সামগ্ৰীৰ পুনৰ ব্যৱহাৰ সম্পূৰ্ণ পৰিহাৰ কৰিবলৈ আহ্বান জনায়। এই সম্পৰ্কত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে যথেষ্ট সংখ্যক বেনাৰ-পোষ্টাৰ আঁৰি দিয়াৰ উপৰি সঘনে মাইকযোগে ঘোষণা কৰিবলৈ উদ্‌যাপন সমিতিসমূহক আহ্বান জনায়। ৰাজ্য চৰকাৰে ৰাস উপলক্ষে জাৰি কৰা কাৰ্য-প্ৰণালীৰ মান অনুসৰি উদ্‌যাপন সমিতিৰ প্ৰতিজন সদস্য আৰু স্বেচ্ছাসেৱকসকলে ক'ভিড প্ৰতিষেধক লোৱাটো বাধ্যতামূলক হ'ব। প্ৰৱেশদ্বাৰতে দৰ্শনাৰ্থীসকলৰ শৰীৰৰ তাপমান জোখাৰ ব্যৱস্থা কৰিব লাগিব। কোনো ধৰণৰ মেলা আৰু পথৰ কাষত দোকান-পোহাৰ বহাব নোৱাৰিব। ৰাজ্য চৰকাৰৰ এছ অ' পি অনুসৰি নিৰ্দিষ্ট কৰা এই বিধি-বিধানসমূহৰ বিষয়ে অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই ব্যাখ্যা কৰে। উক্ত সভাত অতিৰিক্ত উপায়ুক্ত নৱজিৎ পাঠক, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তীৰ্থনাথ শৰ্মা, হাউলী, বনিয়াকুছি (সৰ্থেবাৰী) আৰু নগাঁও ৰাস উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য যে বৰপেটা জিলাৰ বিভিন্ন ঠাইত ৰাস উৎসৱ উদ্‌যাপন কৰা হয় যদিও ভালেসংখ্যক সমিতিয়েই এইবাৰ কৰ'নাজনিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই উৎসৱ স্থগিত ৰাখিছে। অৱশ্যে হাউলী, বনিয়াকুছি আৰু নগাঁৱত এই উৎসৱ কিছু অনুষ্ঠুপীয়াকৈ আয়োজন কৰা হৈছে। সভাখনত এই ৰাস উদ্‌যাপন সমিতিৰ প্ৰতিনিধিসকল উপস্থিত থাকি প্ৰশাসনৰ নীতি-নিৰ্দেশনা সম্পূৰ্ণ মানি চলিব বুলি উল্লেখ কৰে। উল্লেখ্য যে অহা ১৮ নৱেম্বৰৰ পৰা এই উৎসৱ উদ্‌যাপন কৰা হ'ব।

# টে'ট পৰীক্ষাত উত্তীৰ্ণ কৰোৱাৰ নামত ধন সংগ্ৰহ ঃ গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ১১ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষীয়ে কালি এজন চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে। লাহৰীঘাট আৰক্ষীয়ে দোৱামাৰীৰ পৰা গ্ৰেপ্তাৰ কৰা অভিযুক্তজন হ'ল ৰাজিবুল ইছলাম। তেওঁৰ পৰা আৰক্ষীয়ে ৫২ খন ছীম কাৰ্ড, এছ বি আই আৰু ইউ বি আই বেংকৰ ১৬ খন এটিএম কাৰ্ড আৰু দুটা ম'বাইল জব্দ কৰে। উল্লেখ্য যে অভিযুক্তজনে বিভিন্নজনৰ নামত তেওঁলোকৰ অজ্ঞাতে ম'বাইল এপৰ জৰিয়তে ঋণ লৈ লাখ লাখ টকা আত্মসাৎ কৰি আহিছে। তদুপৰি ৰাজিবুলৰ বিৰুদ্ধে টে'ট পৰীক্ষাত উত্তীৰ্ণ কৰাই দিয়াৰ নামত ধন সংগ্ৰহ কৰাৰো অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে লাহৰীঘাট আৰক্ষী আৰু চি আই ডিৰ যুটীয়া অভিযানত কালি গ্ৰেপ্তাৰ হৈছিল অভিযুক্তজন।

# যমুনামুখ পটিয়াপাম গাঁৱত চেনি কলৰ চুৰি যন্ত্ৰাংশ জব্দ ঃ ধৃত তিনি

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১১ নৱেম্বৰ ঃ** হোজাই জিলাৰ যমুনামুখ আৰক্ষী থানাৰ অন্তৰ্গত পটিয়াপাম গাঁৱত যোৱা নিশা বৃহৎ পৰিমাণৰ চুৰি লোহাসহ এখন বাহন জব্দ কৰাৰ লগতে তিনিজন চোৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা কামৰূপ চেনি কলৰ লোহাৰ যন্ত্ৰাংশসমূহ এটা দুষ্টচক্ৰই কাটি গোপনে বিক্ৰী কৰি আহিছিল। ইপিনে, আৰক্ষী প্ৰশাসনে সমবায় চেনি কলৰ যন্ত্ৰাংশসমূহ কাটি থকাৰ খবৰ লাভ কৰাৰ পাছতো এই দুষ্টচক্ৰটোক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাছিল। কিন্তু যোৱা নিশা তিনিজন চোৰে এই লোহাৰ যন্ত্ৰাংশসমূহ এখন মালবাহী সৰু ট্ৰাকত লৈ কামপুৰ যমুনামুখ সংযোগী গড়কাপ্টানী পথেৰে যমুনামুখ অভিমুখে আহি থকাৰ সময়ত পটিয়াপাম গাঁৱৰ একাংশ লোকৰ সন্দেহ হয়। পাছত স্থানীয় ৰাইজে যমুনামুখ আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ চুৰি লোহাভৰ্তি বাহনসহ তিনি চোৰক গ্ৰেপ্তাৰ কৰে। ধৃত চোৰ তিনিজন হ'ল ৰঞ্জিত দাস, বাবু মেধি আৰু কটিয়া আলী।

# দুৰ্ঘটনাত আহতৰ ঘৰত আৰক্ষীৰ প্ৰতিবেদন দিলে আৰক্ষীয়ে

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১১ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰীয়ে অহা পহিলা জানুৱাৰীৰ পৰা দুৰ্ঘটনাত নিহত বা আহত লোকৰ ঘৰলৈ গৈ আৰক্ষীৰ প্ৰতিবেদন বা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসকলক প্ৰদান কৰাৰ নিৰ্দেশ দিছিল। যোৱা ২০ ছেপ্টেম্বৰত এক দুৰ্ঘটনাত এখন ভৰি হেৰুওৱা বিশ্বনাথ চাৰিআলিৰ মধুপুৰৰ ২৯ বছৰীয়া মামণ গগৈ নামৰ বিধৱা মহিলাগৰাকীৰ ঘৰত বিশ্বনাথ উপ-আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱা আৰু সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জিত কুমাৰ ৰয় উপস্থিত হৈ আহত মহিলাগৰাকীয়ে এমএচিটিত দিব পৰাকৈ তেওঁৰ শাহুৱেকৰ হাতত আৰক্ষীৰে প্ৰতিবেদন প্ৰদান কৰে। উল্লেখ্য যে দুৰ্ঘটনা সংঘটিত হোৱা লোক বা ভুক্তভোগী পৰিয়ালে আৰক্ষীৰ প্ৰতিবেদন বা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন সংগ্ৰহ কৰোতে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। এই সমস্যা আঁতৰাবৰ বাবে মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীক উক্ত নিৰ্দেশ দিছিল।

# দুধনৈত 'পথাৰ দিৱস' উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ১১ নৱেম্বৰ ঃ** আজি দুধনৈৰ সমীপৱৰ্তী আমগুৰিৰ খেতি পথাৰত এপাৰ্টৰ অধীনত, গুৱাহাটী কাঁহিকুছিৰ উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ উদ্যোগত, ভাৰতীয় ধান গৱেষণা প্ৰতিষ্ঠান আৰু অসম চৰকাৰৰ কৃষি বিভাগৰ সহযোগত উদ্‌যাপন কৰা হয় পথাৰ দিৱস। এই দিৱসৰ স'তে সংগতি ৰাখি আজি ১০ বিধ বিভিন্ন ধানৰ মূল্যায়ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত অনুষ্ঠানটোৰ আঁত ধৰে কাঁহিকুছি উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী ৰঞ্জিতা বেজবৰুৱাই। উল্লেখ্য যে অনুষ্ঠানটোত উদ্যোক্তাসকলে উপেন্দ্ৰ ৰাইচ নাম খ্যাত ক'লা ধানৰ বাবে বিখ্যাত খেতিয়ক উপেন্দ্ৰ ৰাভাক সম্বৰ্ধনা জ্ঞাপন কৰে। অৰ্ধশতাধিক খেতিয়ক উপস্থিত থকা অনুষ্ঠানত বিজ্ঞানী ড° অখিল ডেকা, গোৱালপাৰা কৃষি বিভাগৰ সহকাৰী সঞ্চালক আব্দুল ৰাহিদ, ভাৰতীয় ধান গৱেষণা প্ৰতিষ্ঠানৰ কনিষ্ঠ গৱেষক মৃদুপৱন মুদৈ, এপাৰ্টৰ প্ৰিয়ংকা দাস, দিবাকৰ মহদী, ভাস্কৰ বৰুৱা আৰু আশ্ৰাফুল আহমেদ, সুৰঞ্জনা বৰা উপস্থিত থাকে।

# ভাগৱত পাঠ ব্যাখ্যানুষ্ঠানৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১১ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ গণকপুখুৰী আলিপাৰ নামঘৰৰ সমূহ অংশীদাৰৰ ব্যৱস্থাপনাত অহা ১৮,১৯ নৱেম্বৰত ভাগৱত শাস্ত্ৰৰ শ্ৰৱণ কীৰ্তনৰ ব্যৱস্থা কৰা হৈছে। তদুপলক্ষে প্ৰথম দিনা গছপুলি ৰোপণ, ধৰ্মধ্বজা উত্তোলন, নাম-প্ৰসংগৰ পাছতে পুৱা ১০ বজাৰ পৰা ভাগৱত পাঠৰ আৰম্ভ হ'ব। দ্বিতীয় দিনা পুৱা ১০ বজাত পাঠৰ সামৰণি পৰিব। সেইদিনা সন্ধিয়ালৈ স্থানীয় শিল্পীসকলে 'প্ৰদ্যুম্ন পৰ্ব' ভাওনা প্ৰদৰ্শনেৰে কাৰ্যসূচীৰ সামৰণি পৰিব। অনুষ্ঠানত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে আয়োজক সমিতিৰ হৈ সভাপতি প্ৰমোদ হাজৰিকা আৰু সম্পাদক পিণ্টুমনি দাসে।

# বন্যহস্তীয়ে তেজপুৰৰ সোণোৱালী পথাৰ দিনতে তহিলং কৰিলে



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১১ নৱেম্বৰ ঃ** সোণাই-ৰূপাই অভয়াৰণ্যৰ পৰা যোৱা নিশা ওলাই অহা এটা বনৰীয়া হাতীয়ে পক্ষীয়াঝাৰত আজি দিনতে পকা ধান তহিলং কৰে। উল্লেখ্য যে ধান পকাৰ সময়ত সোণাই-ৰূপাইৰ পৰা ৰঙাপৰা, বিন্দুকুৰি, ডিপোটা, বিহগুৰিকে ধৰি তেজপুৰ পৰ্যন্ত বনৰীয়া হাতী খাদ্যৰ সন্ধানত ওলাই আহে। বৰ্তমান ৰঙাপৰাৰ বিভিন্ন অঞ্চলৰ লগতে বিন্দুকুৰিৰ কাষৰীয়া অঞ্চল তথা চাহবাগিচাত প্ৰৱেশ কৰা বনৰীয়া হাতীৰ জাকৰ মাজৰ পৰা ওলাই অহা হাতীটোৱে পক্ষীয়াঝাৰ পথাৰৰ সমীপৰে এডৰা জংঘলত আশ্ৰয় লয়। পুৱাৰে পৰা হাতীটোৰ উপস্থিতিৰ বিষয়ে জানিব পাৰি স্থানীয় লোকে বন বিভাগক খবৰ দিয়ে। বিয়লি প্ৰায় চাৰি বজাত পকা ধানৰ পথাৰত নামি ধান ভক্ষণ কৰিবলৈ আৰম্ভ কৰা হাতীটোক খেদিবলৈ বনকৰ্মীয়ে পোহনীয়া হাতীৰ সহায় লোৱাৰ লগতে শূন্যলৈ কে'বাজাই গুলি ফুটাবলগীয়া হয়। পাছত হাতীটোৱে তেজপুৰ ৰঙাপৰা সংযোগী পথ অতিক্ৰম কৰি বিন্দুকুৰিস্থিত খাদ্য নিগমৰ ভঁৰালৰ সন্মুখৰে আদাবাৰী দিশে প্ৰস্থান কৰে। সম্প্ৰতি এই কৃষি প্ৰধান অঞ্চলটোত শ শ বিঘা মাটিত ধান পকিছে আৰু কৃষকে ধান চপোৱাৰ কাম আৰম্ভহে কৰিছে। এনে অৱস্থাত বনৰীয়া হাতীৰ আগমনে কৃষকসকলৰ যথেষ্ট ক্ষতি কৰাৰ আশংকাও বৃদ্ধি পাইছে।

# নিউ তিনিচুকীয়া ষ্টেছনত ইঞ্জিনত অগ্নিকাণ্ড ঃ অগ্নিদুগ্ধ কিশোৰ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১১ নৱেম্বৰ ঃ** যোৱা নিশা ন বজাত নিউ তিনিচুকীয়া ষ্টেছনত এটা ৰেলৰ ইঞ্জিনত অগ্নিকাণ্ড সংঘটিত হয়। স্থানীয় ৰেলৱে কৰ্মচাৰীৰ তৎপৰতাত তিনিচুকীয়াৰ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে যদিও অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বে ৰেলৱে কৰ্মচাৰীয়ে ষ্টেছনত মজুত থকা অগ্নিনিৰ্বাপক সঁজুলিৰে জুই নিৰ্বাপিত কৰে। ফলত নিউ তিনিচুকীয়া ৰেলৱে ষ্টেছন ভয়ানক অগ্নিকাণ্ডৰ পৰা ৰক্ষা পৰে। পাছত ষ্টেছনত হিজুগুৰি আৰক্ষী চকীৰ এটা দল উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰে। তদন্তৰ সময়তে হিজুগুৰি আৰক্ষী চকীত প্ৰাণৰক্ষাৰ বাবে উপস্থিত হয় এটা অৰ্ধ অগ্নিদগ্ধ কিশোৰ। আৰক্ষীয়ে উক্ত কিশোৰজনক ততাতৈয়াকৈ চিকিৎসাৰ কাৰণে তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে উক্ত ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

# মহাভৈৰৱৰ মৌজাৰ মৌজাদাৰক নিলম্বন

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১১ নৱেম্বৰ ঃ** তেজপুৰৰ মহাভৈৰৱৰ মৌজাৰ মৌজাদাৰ আদিত্য প্ৰকাশ শৰ্মাক আজি নিলম্বন কৰা হৈছে। উল্লেখ্য যে আজি শোণিতপুৰৰ উপায়ুক্তই মৌজাদাৰজনক তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ নিলম্বনৰ নিৰ্দেশ জাৰি কৰে। উল্লেখ্য যে মৌজাদাৰ শৰ্মাই চৰকাৰী ৰাজহ সংগ্ৰহৰ তথ্য সঠিকভাৱে দাখিল নকৰাৰ লগতে বিত্তীয় খেলিমেলি সংঘটিত কৰিছে। তদুপৰি বহু সময়ত ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ আদেশ অৱমাননা কৰাৰ অভিযোগত আজি উপায়ুক্তই এই নিলম্বনৰ নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে মৌজাদাৰজনক তেওঁৰ কৰ্তব্যত গাফিলতি কৰাৰ বাবে বিভাগীয়ভাৱে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছিল যদিও তেওঁ ইয়াৰ সঠিক তথা গ্ৰহণযোগ্য কাৰণ প্ৰদৰ্শন কৰিব নোৱাৰিলে। ইতিমধ্যে তেজপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াক মহাভৈৰৱৰ মৌজাৰ সকলো দায়িত্ব প্ৰদান কৰাৰ লগতে চিএফআৰ বুক আদিও চমজি ল'বলৈ নিৰ্দেশ জাৰি কৰিছে। চক্ৰ বিষয়াজনে মৌজাদাৰৰ পৰা সকলো যাৱতীয় নথি হস্তগত কৰাত ব্যৰ্থ হ'লে সাক্ষীৰ উপস্থিতিত একপক্ষীয়ভাৱে এনে নথিসমূহ অধিগ্ৰহণ কৰিবলৈও নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

# জামুগুৰিত ধৰ্মপ্ৰাণা মহিলাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১১ নৱেম্বৰ ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত জামুগুৰি পঞ্চায়তৰ দুই নম্বৰ জামুগুৰিৰ ৰাইদাং গাঁৱৰ ধৰ্মপ্ৰাণা মহিলা পুতলী হাজৰিকা (৫০)ৰ যোৱা নিশা ১২.১০ বজাত যকৃতৰ কৰ্কটত মৃত্যু হয়। দুমাহ পূৰ্বে মহিলাগৰাকী পিত্তজনিত ৰোগত ভুগি ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত যকৃতৰ শল্য চিকিৎসা কৰাৰ পাছতে স্বাস্থ্যৰ অৱনতি ঘটি মৃত্যুমুখত পৰে। তেওঁৰ মৃত্যুত লক্ষীবাৰী শাখা সাহিত্য সভা, জামুগুৰি পঞ্চায়ত কাৰ্যালয়, পুৱেৰুণ বয়জ ক্লাব, লক্ষীবাৰী আঞ্চলিক ক্ৰীড়া সংস্থা আদি দল-সংগঠনে শোক প্ৰকাশ কৰিছে। তেওঁ মৃত্যুৰ সময়ত স্বামী, পুত্ৰ-কন্যা এৰি যায়।

# মানকাচৰত ভুৱা প্ৰমাণপত্ৰৰে সাক্ষাৎকাৰ দিয়া যুৱক গ্ৰেপ্তাৰ



**মানকাচৰ, ১১ নৱেম্বৰ ঃ** মানকাচৰৰ চোমৰাশালীত ভুৱা প্ৰমাণপত্ৰৰে আৰক্ষীৰ ইণ্টাৰভিউ দিবলৈ গৈ আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হ'ল এজন যুৱক। দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ সুখচৰ থানাৰ অন্তৰ্গত ভূটীয়াডাংগা গাঁৱৰ ছুৰত জামান শ্বেখৰ পুতেক নাছিৰ উদ্দিন শ্বেখ (২৭) বুলি চিনাক্তকৰণ কৰা হয়। ভুৱা প্ৰমাণপত্ৰৰে কনিষ্টবলৰ সাক্ষাতৰ বাবে মানকাচৰৰ চোমৰাশালীত ২৬ বি এন আই আৰ বি এন কেম্পত সাক্ষাৎকাৰ দিয়াৰ সময়ত গ্ৰেপ্তাৰ হয় যুৱকজন। তেওঁ ইষ্টাৰ্ণ ৰিজনেলি ইনষ্টিটিউট অব্ চাইন্স এণ্ড টেকনল'জি (আই টি আই) নামৰ প্ৰতিষ্ঠানটোত কোনো ভৰ্তি নোহোৱাকৈ ধনৰ বিনিময়ত কম্পিউটাৰ ডিপ্ল'মাৰ প্ৰমাণপত্ৰ লৈ চাকৰিৰ বাবে আবেদন কৰিছিল। নাছিৰুদ্দিনে উক্ত প্ৰতিষ্ঠানৰ পৰা সংগ্ৰহ কৰা মাৰ্কশ্বিট আৰু চাৰ্টিফিকেট জব্দ কৰে আৰক্ষীয়ে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে নিজাববীয়াকৈ এক গোচৰ ৰুজু কৰিছে।

# মূল্যবৃদ্ধি ৰোধৰ বাবে চৰকাৰৰ কৰণীয় আছে ঃ আইমী



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১১ নৱেম্বৰ ঃ** 'ক'ভিডৰ বাবে যোৱা দুই বছৰত সৰ্বসাধাৰণে যথেষ্ট কষ্ট অনুভৱ কৰিছে আৰু সেয়ে বৰ্তমান পৰিৱেশত এয়া দূৰ হ'ব লাগে। চৰকাৰে মূল্য বৃদ্ধি ৰোধৰ বাবে কিছু কৰিবলগীয়া আছে।' তেজপুৰত আজি এইদৰে মন্তব্য কৰে অভিনেত্ৰী আইমী বৰুৱাই। তেজপুৰত এক গহনা বিপণী মুকলি কৰি অভিনেত্ৰীগৰাকীয়ে পুনৰ কয় যে গৃহিণীসকলৰ সকলোৰে মাহেকীয়া এখন বাজেট থাকে। গৃহিণী হিচাপে তেওঁ মূল্যবৃদ্ধিৰ বিষয়টো উপলব্ধি কৰিব পাৰে। তেওঁ লগতে কয় যে বৰ্তমান পেট্ৰ'ল-ডিজেল বা মিঠাতেল বুলিয়েই নহয়, সকলো সামগ্ৰীৰে মূল্য বৃদ্ধি হৈছে। তেওঁ পুনৰ কয় যে এই ক্ষেত্ৰত চৰকাৰৰ অকণমান কৰণীয় আছে। চৰকাৰে যেনেদৰে বহু ভাল কাম কৰিছে তেনেদৰে মূল্যবৃদ্ধি ৰোধৰ ক্ষেত্ৰত কিছু কৰিব লাগে। তেওঁ কয় যে যোৱা দুই বছৰত কৃষকসকল যথেষ্ট কষ্টৰ সন্মুখীন হৈছে। বৰ্তমান মিঠাতেলৰ মূল্য বৃদ্ধিৰ বাবে তাৰ কিছু লাভ কোম্পানী নতুবা কৃষকে পোৱা বুলি উল্লেখ কৰি তেওঁ অৱশ্যে কয় যে প্ৰকৃততে কৃষকসকল লাভান্বিত হোৱাটো প্ৰয়োজন। অৱশ্যে সকলো মানুহেই উপকৃত হোৱাকৈ মূল্য বৃদ্ধি ৰোধ কৰি সামগ্ৰীৰ মূল্য হ্ৰাস কৰিবলৈ চৰকাৰ সক্ষম হ'ব বুলি আশা ব্যক্ত কৰা অভিনেত্ৰী গৰাকীয়ে আৰু কয় যে শেহতীয়াকৈ চৰকাৰে পেট্ৰ'ল-ডিজেলৰ মূল্য যেনেদৰে হ্ৰাস কৰিছে তাৰ বাবে চৰকাৰ ধন্যবাদৰ পাত্ৰ আৰু একেদৰেই চৰকাৰে আন সকলো সামগ্ৰীৰে মূল্য হ্ৰাস কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

# ভাৰত-ভূটান সীমান্তৰ পাটকীজুলিত সেনাৰ পদক্ষেপ চাইকেল বিতৰণ



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১১ নৱেম্বৰ ঃ** ভাৰতীয় সেনাবাহিনীৰ ৰেড হৰ্ণ ডিভিজনৰ উদ্যোগত অপাৰেছনৰ সদ্ভাৱনা আঁচনিৰ অধীনত আজি তামুলপুৰ মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ পাটকীজুলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰে। পুৱা ১১ বজাত পাটকীজুলি হাইস্কুল প্ৰাংগণত চাইকেল বিতৰণ অনুষ্ঠান মুকলি কৰে ভাৰতীয় ৰেড হৰ্ণ ডিভিজনৰ দৰংগামেলাস্থিত ছাউনীৰ মেজৰ অংকিত সিং বানিয়ে। ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কৰি মেজিৰ বানিয়ে কয়, 'ভাৰতীয় সেনাবাহিনী আৰু সীমান্তত বসবাস কৰা জনসাধাৰণৰ মাজত এটা সুসম্পৰ্ক স্থাপনৰ উদ্দেশ্যে ১৯৯৮ৰে পৰা ভাৰতীয় সেনাবাহিনীয়ে অপাৰেছন সদ্ভাৱনা আঁচনিৰ অধীনত সীমান্ত অঞ্চলৰ পিছপৰা ৰাইজৰ উন্নয়নৰ স্বাৰ্থত বিভিন্ন উন্নয়নমূলক কাম কৰি আহিছে। বিশেষকৈ সীমান্তত বসবাস কৰা দুখীয়া পৰিয়ালৰ লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে মহিলাসকলক বিভিন্ন কাৰিকৰী শিক্ষাৰ প্ৰশিক্ষণ দিয়া, চিকিৎসা সেৱা আগবঢ়োৱা, ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণত সহায় কৰা আদি বিভিন্ন জনকল্যাণমূলক কাম কৰা। তাৰ অংশ হিচাপে আজি ভূটান সীমান্তৰ পাটকীজুলি অঞ্চলৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চাইকেল বিতৰণ কাৰ্যসূচী হাতত লোৱা হৈছে। যাতে সীমান্ত অঞ্চলৰ দূৰদূৰণিৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত সঠিক সময়ত উপস্থিত হৈ ভালদৰে শিক্ষা গ্ৰহণ কৰিব পাৰে। উক্ত অনুষ্ঠানত দৰংগামেলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গোপাল দলে, সমাজকৰ্মী দকচিম হেম্ব্ৰম, পাটকীজুলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মিছাইল মোছাহাৰী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি উপস্থিত থাকে।

# হাস্পতালত ১৪ নৱেম্বৰৰ পৰা

১২ *পৃষ্ঠাৰ পৰা* পৰা ৯ নৱেম্বৰলৈকে মুঠ ৫০টা শিশুৰ অস্ত্ৰোপচাৰ কৰিব। এই শিবিৰত অসমৰ শিশুৰ ক্ষেত্ৰত অধিক প্ৰাধান্য দিয়া হ'ব বুলিও তেওঁলোকে জানিবলৈ দিয়ে। বিশেষকৈ যিসকল শিশু উপযুক্ত চিকিৎসাৰ অভাৱত ফটা ওঁঠ আৰু ফটা তালুৰবাবে অসুবিধাৰ সন্মুখীন হৈ আছে এইসকল শিশু ক্ৰেনিঅ' ফেচিয়েল অস্ত্ৰোপচাৰৰ দ্বাৰা পুনৰ সুস্থ হৈ পৰিব বুলি প্ৰকাশ কৰা হৈছে।

# উন্মোচন হ'ব কৃতী শিক্ষকৰ

১২ *পৃষ্ঠাৰ পৰা* ভাগৱতীয়ে। সাংবাদিক শ্বাহ আলম আহমেদ আৰু উৎপল ডেকাই সম্পাদনা কৰা সোৱৰণী গ্ৰন্থ 'সৰ্বাজ্যোতি' উন্মোচন কৰিব নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব এম এন চি বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কৃষ্ণ চন্দ্ৰ গৌড়ে। ইপিনে, বিশিষ্ট অতিথি হিচাপে থাকিব অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক দেৱজিৎ বৰা, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতা, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতা। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব বনভাগ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতা আৰু ভাৰতীয় জীৱন বীমা নিগমৰ ৰঙিয়া শাখাৰ প্ৰশাসনিক বিষয়া ড° ধনেশ্বৰ বৰুৱা।

# নলবাৰীৰ নদীসমূহত চলি থকা

১২ *পৃষ্ঠাৰ পৰা* বিস্তৰ ক্ষতি সাধন কৰিছে। তদুপৰি সম্পূৰ্ণ উন্মুক্তভাৱে চলাচল কৰা ট্ৰেক্টৰ, ডাম্পাৰে বায়ু প্ৰদূষণ কৰি জনস্বাস্থ্যৰ প্ৰতিও প্ৰচণ্ড ভাবুকি কঢ়িয়াই আনিছে। তৎসত্বেও নলবাৰী জিলা প্ৰসাসনৰ নিৰ্লিপ্ত ভূমিকাই বিষয়টো ৰহস্যময় কৰি তুলিছে বুলি সংগঠনটোৱে অসন্তুষ্টি ব্যক্ত কৰে। অতিশীঘ্ৰে অবৈধ বালি খনন বন্ধ নকৰিলে ইয়াৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰিব বুলি যুৱ-ছাত্ৰ পৰিষদ নলবাৰী জিলা সমিতি বাধ্য থাকিব বুলি সকীয়াই দিয়ে। বিষয়টো এক উচ্চস্তৰীয় তদন্তৰো দাবী জনায় সংগঠনটোৱে।

# দুৰ্বিষহ জীৱন কটাইছে ভ্ৰাতৃ

১২ *পৃষ্ঠাৰ পৰা* পেহী। অতিকৈ পিছপৰা মলানডুবি গাঁৱৰ প্ৰতিমাৰ দুবছৰ পূৰ্বে অকালতে মৃত্যু হৈছিল পিতৃ-মাতৃৰ।নাই গৃহ, শৌচালয় আৰু খোৱাপানীৰ ব্যৱস্থা। পৰিয়ালটো চৰকাৰী আঁচনিৰ পৰাও বঞ্চিত। উল্লেখ্য যে আনৰ ঘৰত দিন হাজিৰা কৰি পৰিয়াল চলোৱাৰ লগতে প্ৰতিমাই একাদশ শ্ৰেণীত অধ্যয়ন কৰি আছে। কিন্তু আৰ্থিক সংকটৰ বাবে ভ্ৰাতৃ প্ৰসেনজিতে আধাতে পঢ়া এৰি আনৰ ঘৰত দিন হাজিৰা কৰি পৰিয়ালক চলোৱাত ব্যস্ত। এই দুগৰাকী ভ্ৰাতৃ-ভগ্নীয়ে চৰকাৰক সহায়ৰ বাবে আহ্বান জনাইছে।

# সংৰক্ষিত বনাঞ্চলৰ পাহাৰৰ মাটিৰে নিৰ্মাণ পথ

## সংবাদ সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকক অভব্য ব্যৱহাৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১১ নৱেম্বৰ ঃ** মৰিয়নিৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত অৱস্থিত দিছৈ ভেলী সংৰক্ষিত বনাঞ্চলৰ পাহাৰৰ মাটি অবৈধভাৱে খন্দাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনহাতে, ইয়াৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা মৰিয়নিৰ বৈদ্যুতিক সংবাদ মাধ্যমৰ সাংবাদিকক একাংশ যুৱকে অভব্য আচৰণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে নিউ সোণোৱাল খণ্ড বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত দিছৈ ভেলী সংৰক্ষিত বনাঞ্চলৰ বালিজান পাহাৰৰ সমীপৰ পাহাৰৰ পৰা মাটি খান্দি সেই মাটিৰে নিৰ্মাণ কাৰ্য চলি থকা এটা পথত পেলাইছে। উল্লেখ্য যে বিগত ১৪ ছেপ্টেম্বৰত অসম চৰকাৰৰ এছঅ'পিডি )জি)ৰ শিতানত গটঙা সোণাপুৰৰ পৰা নিউ



সোণোৱাল-খেৰমীয়া সংযোগী পথৰ পুনৰ্নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হৈছিল। কে'বাজনো মন্ত্ৰী-সাংসদৰ উপস্থিতিত এই পথটোৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই। উল্লেখ্য যে পথটোৰ নিৰ্মাণৰ দায়িত্ব লাভ কৰা জনৈক সুভাশীষ দাস নামৰ ঠিকাদাৰ এজনৰ তত্ত্বাৱধানত কাষৰে দিছৈ ভেলী সংৰক্ষিত বনাঞ্চলৰ পাহাৰৰ মাটি অবৈধভাৱে কাটি সেই মাটিৰে পথটোৰ নিৰ্মাণত ব্যৱহাৰ কৰি আহিছে। কিন্তু এই ক্ষেত্ৰত বন বিভাগৰ পৰা কোনো যাৱতীয় অনুমতি নোলোৱাকৈয়ে সংৰক্ষিত বনাঞ্চলৰ মাটিত এ'ভেটৰ ব্যৱহাৰ কৰি ট্ৰেক্টৰৰ সহায়ত সেই মাটিৰে পথ নিৰ্মাণ কাৰ্য চলাই আহিছে। বন বিভাগৰ সূত্ৰ মতে, সংৰক্ষিত বনাঞ্চলৰ মাটি খন্দাৰ বাবে ঠিকাদাৰে কোনো যাৱতীয় অনুমতি লোৱা নাছিল। তৎসত্ত্বেও সংৰক্ষিত বনাঞ্চলৰ পাহাৰ খহাই শ শ ট্ৰেক্টৰ মাটি পথ নিৰ্মাণৰ কামত ব্যৱহাৰ কৰা হ'ল। আনকি লোকচক্ষুৰ পৰা আঁতৰাই ৰাখিবলৈ অতি কৌশলেৰে পাহাৰৰ ভিতৰ অংশৰ পৰা মাটি কাটি অনা হৈছিল। উল্লেখ্য যে যোৱা তিনি নৱেম্বৰৰ পৰা উক্ত স্থানত অবৈধভাৱে মাটি খন্দা কামৰ আৰম্ভ হৈছিল। বন বিভাগে সমগ্ৰ বিষয়টোত অজ্ঞতা প্ৰকাশ কৰে যদিও স্থানীয় ৰাইজে জানিব পাৰি বন বিভাগক অৱগত কৰে আৰু বন বিভাগে দুদিনমানৰ পাছত এই কাম বন্ধ কৰি দিয়ে। উক্ত পথত মাটি পেলোৱাৰ দায়িত্ব লৈছে স্থানীয় দুজনমান যুৱকে। বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ ঘনিষ্ঠ বুলি সততে জাহিৰ কৰি ফুৰা দুজনমান যুৱকে এই মাটি পেলোৱাৰ কামৰ দায়িত্বও বিধায়ক কুৰ্মীৰ বাবেই পোৱা বুলি চৰ্চা হৈছে। আনকি বিধায়ক কুৰ্মীৰ অনুমতি মতেই হেনো সংৰক্ষিত বনাঞ্চলৰ পৰা মাটি খান্দি আনি পথ নিৰ্মাণৰ কামত ব্যৱহাৰ কৰিছে। ফলত মৰিয়নিৰ বিধায়ক কুৰ্মীও বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে। আনহাতে, এই বিষয়ে জানিব পাৰি মৰিয়নিৰ একাংশ সংবাদকৰ্মী ঘটনাস্থলীলৈ বাতৰি সংগ্ৰহ কৰিবলৈ যায়। বাতৰি সংগ্ৰহ কৰি উভতি আহোতে অবৈধভাৱে মাটি খন্দা কামত জড়িত বুলি নিজকে চিনাকি দিয়া দুজনমান যুৱকে ফোনযোগে সংবাদকৰ্মীকেইজনক অভব্য আচৰণ কৰাৰ উপৰি অপমানজনক কথাৰে অপদস্থ কৰে। পাছত এই ঘটনাৰ সম্পৰ্কে মৰিয়নি আৰক্ষী থানাত মৰিয়নিৰ জ্যেষ্ঠ সংবাদকৰ্মী প্ৰাঞ্জল পাওগামে এখন এজাহাৰ দাখিল কৰে। তদুপৰি মৰিয়নিৰ বনাঞ্চলিক বিষয়াক সমগ্ৰ ঘটনা লিখিতভাৱে জনোৱাৰ লগতে যোৰহাট সংমণ্ডলৰ সাংমণ্ডলিক বন প্ৰাধিকাৰীকো অৱগত কৰে। আনহাতে, বিভিন্ন দল-সংগঠনৰ লগতে মৰিয়নি প্ৰেছ ক্লাবেও সংবাদকৰ্মীক কৰা ব্যৱহাৰৰ গৰিহণা দিয়ে। অৱশ্যে পাছত এই ঘটনাৰ স'তে জড়িত ধ্ৰুৱজিৎ বৰা নামৰ যুৱকজনে মৰিয়নিৰ সংবাদকৰ্মীক কৰা ব্যৱহাৰৰ বাবে লিখিতভাৱে ক্ষমা খোজাত সমগ্ৰ বিষয়টো শাম কাটে।

■ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআউনীআটী সত্ৰত পাঁচদিনীয়া পালনাম মহোৎসৱ আৰম্ভ ■ সত্ৰলৈ বৈছে ভক্তৰ সোঁত ■ নৱনিৰ্মিত কৰাপাট উন্মোচন উপায়ুক্তৰ

# হৰিনাম ধ্বনিৰে মুখৰিত মাজুলীৰ আকাশ-বতাহ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১১ নৱেম্বৰ ঃ** ক'ভিডৰ ভয়াৰহতাৰ মাজতে আজিৰে পৰা পাঁচ দিনীয়াকৈ মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰত আৰম্ভ হৈছে পালনাম মহোৎসৱ। এই মহোৎসৱত ৰাজ্যৰ বিভিন্ন ঠাইৰ ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে। জিলা প্ৰশাসনে ভক্তসকলৰ বাবে বান্ধি দিছে ক'ভিডৰ নীতি-নিয়ম। এই মহোৎসৱত মাজুলীৰ লগতে সত্ৰখনৰ বিভিন্ন প্ৰান্তত থকা শিষ্য তথা ভক্তসকলে গোবিন্দৰ চৰণত এগছি বন্তি, দণ্ড, খৰছা, লোণ আগবঢ়াই মনোকামনা পূৰণৰ বাবে সত্ৰখনত ভিৰ কৰেহি। ৩৭৭ বছৰত ভৰি দিয়া পালনামৰ হৰিনামৰ ধ্বনিৰে দ্বিতীয় বৈকুণ্ঠলৈ পৰিণত হৈছে আউনীআটী সত্ৰ। উল্লেখ্য যে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে হাতী ৰখিব নোৱাৰি ৰাজ ৰোষত পৰিছিল। মহাপুৰুষ শংকৰদেৱ নিৰাপদ হৈছিল যদিও হৰিজোঁৱাইক প্ৰাণদণ্ড দিছিল। মাধৱপুৰুষ নিৰাপদে ঘূৰি অহাৰ বাবে ভকতসকলে পালপাতি নামকীৰ্তন কৰিছিল। অসমত সেয়াই আছিল পালনামৰ আৰম্ভণি। আহোম ৰজা গদাধৰ সিংহৰ বৈষ্ণৱ নিৰ্যাতনৰ সময়ত আউনীআটীয় দ্বিতীয়জন সত্ৰাধিকাৰ প্ৰয়াত কুশদেৱ গোস্বামী সত্ৰ এৰি শদিয়াত আত্মগোপন কৰিবলগীয়া হৈছিল। সেই সময়ত সত্ৰাধিকাৰজনে নিৰাপদে সত্ৰলৈ ঘূৰি আহিবৰ বাবে পাল পাতি নাম কীৰ্তন কৰিছিল। পৰৱৰ্তী সত্ৰাধিকাৰ হৰিদেৱ গোস্বামীৰ দিনৰ পৰাই বছৰেকীয়া উৎসৱত পৰিণত হ'ল। প্ৰথম অৱস্থাত পালনাম মাহেকীয়াকৈ উদ্‌যাপন কৰিছিল যদিও পাছলৈ পাঁচ দিনত সীমিত হয়। এই পালনাম মহোৎসৱত নামৰ নৌকা প্ৰতিষ্ঠা কৰি চাহিহাটীৰ বৈষ্ণৱসকলে পাল পাতি নাম-প্ৰসংগ কৰে। আজিৰ পৰা আৰম্ভ হোৱা এই মহোৎসৱ অহা ২৯ কাতিৰ দিনা অহৰ্নিশে নাম চলাৰ পাছত ৩০ কাতিৰ দিনা পুৱা সমাপ্ত হ'ব। আনহাতে, কাতি বিহুৰ দিনাখনৰ সত্ৰৰ চৌহদত একৈশ জোৰা আকাশ বন্তি সমগ্ৰ কাতি মাহটো প্ৰজ্বলন কৰাৰ পাছত পালনামৰ সামৰণিৰ দিনটোত অৱনমিত কৰিব। আজি সত্ৰৰ বহিঃকৰাপাট তথা নৱনিৰ্মিত তোৰণখন উন্মোচন কৰে মাজুলী জিলা উপায়ুক্ত পুলক মহন্তই। মহন্তই পুণ্যভূমি মাজুলীত এনে মহৎ কৰ্ম কৰিবলৈ পাই ধন্য হোৱা বুলি মন্তব্য কৰি তোৰণ নিৰ্মাতা শিল্পীগৰাকীৰ শলাগ লয়। সত্ৰ পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰা জাপিৰ আৰ্হিত কৰাপাট ভাগি সুন্দৰকৈ নিৰ্মাণ কৰি উলিয়াইছে মাজুলী কমলাবাৰীৰ বিশিষ্ট শিল্পী কৃষ্ণ বৰুৱাই। আউনীআটী সত্ৰত পাঁচদিনীয়া পালনাম মহোৎসৱক কেন্দ্ৰ কৰি অস্থায়ীভাৱে অনুষ্ঠিত হোৱা মেলাখনে পালনাম মহোৎসৱটিক অধিক আকৰ্ষিত কৰি আহিছে। কিন্তু প্ৰশাসনৰ ফালৰ পৰা সীমিত কৰি মেলাৰহে অনুমতি দিয়া হৈছে। উল্লেখ্য যে আজিৰ পৰাই আউনীআটী সত্ৰলৈ ভক্তৰ সোঁত বৱলৈ আৰম্ভ কৰিছে। সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে পালনাম লৈ আগমন ঘটা ভক্তসকললৈ শুভাশীষ জ্ঞাপন কৰি পালনামৰ মহিমাৰে ক'ভিড পৰিস্থিতিৰ নিৰাময় কৰিবলৈ ইষ্টজনক প্ৰণিপাত জনায় তথা ৰাইজক চৰকাৰে বান্ধি দিয়া নীতি-নিৰ্দেশনা মানি চলিবলৈ ৰাইজলৈ গোহাৰি জনায়।



## আদিবাসীৰ জনজাতিকৰণ, ভূমি পট্টাৰ দাবীত পদযাত্ৰা



**অগ্ৰদূত বাৰ্তা**

**দোতমা/গোসাঁইগাঁও, ১১ নৱেম্বৰ ঃ** অসমত বসবাস কৰা আদিবাসী জনগোষ্ঠীৰ জনজাতিকৰণ, ভূমি পট্টাৰ লগতে আন জ্বলন্ত সমস্যা সমাধানৰ দাবীত প্ৰধানমন্ত্ৰীক লিখিতভাৱে অৱগত কৰি দাবীসমূহ পূৰণ কৰিবলৈ যোৱা ২৭ অক্টোবৰৰ পৰা পদযাত্ৰা আৰম্ভ কৰিছে ৰাজেশ মহানন নামৰ এজন লোকে। আজি গোসাঁইগাঁৱত আহি উপস্থিত হোৱাৰ পাছত আদিবাসী সংগঠন আছাই তেওঁক আদৰণি জনায়। গোসাঁইগাঁৱত উপস্থিত হৈ মহাননে কয় যে অসমৰ আদিবাসী জনগোষ্ঠীৰ জনজাতিকৰণ, ভূমিৰ পট্টা প্ৰদান আৰু বিভিন্ন জ্বলন্ত সমস্যা সমাধানৰ বাবে প্ৰধানমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কৰিব। লগতে ৰাজেশ মহাননে আৰু কয় যে আঢ়ৈ-তিনিমাহ সময়ৰ ভিতৰত উক্ত পদযাত্ৰা কৰি তেওঁ দিল্লীত উপস্থিত হ'ব।

## নগৰবেৰাত শিশু শ্ৰমিক উদ্ধাৰ

**আলোপতি, ১১ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা বজাৰত আজি আৰক্ষী আৰু শ্ৰম বিভাগৰ সহযোগত বকো চাইল্ড লাইনে এক অভিযান চলায়। কামৰূপ জিলা শিশু শ্ৰমিক বিষয়া ভাৰশ্বতী কলিতাৰ নেতৃত্বত নগৰবেৰাৰ তালুকদাৰ কেবিন আৰু নিউ ব্ৰহ্মপুত্ৰ ৰেস্তোৰাঁত অভিযান চলাই তালুকদাৰ কেবিনৰ পৰা দুজন শিশু শ্ৰমিক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বকো চাইল্ড লাইনৰ প্ৰকল্প সমন্বয়ক জিতুমণি কুমাৰী, মহেন্দ্ৰ ৰাভা, পূৰ্ণিমা নাথ কৃষ্ণমণি কলিতাৰ সহযোগত নগৰবেৰাত আজি চলোৱা অভিযানৰ খবৰ পাই কে'বাখন চাহ দোকান, ৰেস্তোৰাঁত কাম কৰা শিশু শ্ৰমিক মালিকৰ সহযোগত পলাই যাবলৈ সক্ষম হয়। শিশুক শ্ৰমিক হিচাপে ৰখা মালিকৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হ'ব বুলি ব্যক্ত কৰিছে শিশু শ্ৰম বিষয়াই।

## দেৰগাঁৱত পথ দুৰ্ঘটনাত নিহত এক

**দেৰগাঁও, ১১ নৱেম্বৰ ঃ** দেৰগাঁৰৰ সেউজপুৰত সংঘটিত এক দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। এ এছ ০৫ চি ৯৬৪৫ নম্বৰৰ এখন ব'লেৰ পিক আপ বাহন আৰু এ এছ ০৫ জি ০২৪২ নম্বৰৰ এখন মটৰ চাইকেলৰ মাজত মুখামুখি সংঘৰ্ষ হয়। উক্ত দুৰ্ঘটনাত মটৰ চাইকেল আৰোহীজনৰ ঘটনাস্থলীতে মৃত্যু হয়। নিহত লোকজনৰ নাম ভৰত কাকতি আৰু তেওঁৰ ঘৰ গণকপুখুৰী হাবিয়াল যুগমীয়া গাঁৱত।

## ৰজাবাৰীত সামৰ্থ প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ১১ নৱেম্বৰ ঃ** বোকাখাতৰ ৰজাবাৰীৰ ত্ৰিবেণী গ্ৰামীণ বিকাশ সমিতিৰ ভৱনত কালি ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ অধীনৰ সামৰ্থ প্ৰশিক্ষণৰ প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। এই উপলক্ষে জ্যেষ্ঠ সাংবাদিক ভৱানন্দ কলিতাৰ সভাপতিত্বত হোৱা সভাত ত্ৰিবেণী গ্ৰামীণ বিকাশ সমিতিৰ সভাপতি ৰামেশ্বৰ দাসে বিতংকৈ ব্যাখ্যা কৰাৰ লগতে আঁত ধৰে। গোলাঘাট জিলাৰ একমাত্ৰ কেন্দ্ৰটো ৰেচম সমল কেন্দ্ৰ হিচাপে চলি আছে। সভাত কেন্দ্ৰীয় চিল্ক ব'ৰ্ডৰ সঞ্চালক ডঃ কে এম, বিজয়াকুমাৰী, অভিযন্তা মঞ্জু নাথ, আৰচেটিৰ সঞ্চালক চিন্ময় গোহাঁই, বোকাখাত মহকুমা সাংবাদিক সন্থাৰ সভাপতি বুবুল দত্ত, সম্পাদক নিলু আচাৰ্য আদি উপস্থিত থাকে। কেন্দ্ৰীয় চৰকাৰৰ পৰা কেন্দ্ৰলৈ কে'বাটাও বিদ্যুৎ চালিত সুতা কটা আৰু বয়ন যন্ত্ৰ সঞ্চালকগৰাকীয়ে প্ৰদান কৰে। ত্ৰিবেণী গ্ৰামীণ বিকাশ সমিতিৰ সভাপতি ৰামেশ্বৰ দাসে জনোৱা মতে, কেন্দ্ৰৰ যোগেদি বহুসংখ্যক মহিলা উপকৃত হৈ আহিছে।

## জালুকবাৰীৰ একাধিক পথৰ দুৰৱস্থা



### ■লেতেৰা পানীৰে ভৰি পৰিছে পথ

**অগ্ৰদুতবাৰ্তা**

**শুৱালকুছি, ১১ নৱেম্বৰ ঃ** বিশ্ব বন্দিত শুৱালকুছিৰ একাধিক পথৰ দুৰৱস্থাই ৰাইজক জ্বলাকলা খুৱাই আহিছে। শুৱালকুছিৰ অতি ব্যস্ততাপূৰ্ণ ন-পাৰা অঞ্চলত পথৰ ওপৰত বছৰৰ সৰহ সংখ্যক মাহেই পানী জমা হৈ থকাত জীয়াতু ভুগিছে সৰ্বসাধাৰণ জনতাই। আনহাতে বামুণপাৰাৰ পৰা বাছষ্টেণ্ড ন-পাৰা সংযোগী পথটোৰ দুয়োকাষৰ পকী নৰ্দমা বন্ধ হৈ পৰাত ঠায়ে ঠায়ে কৃত্ৰিম বানৰ সৃষ্টি হয়। বিশেষকৈ স্বৰ্ণপুৰৰ পৰা মাটি পৰ্বত অঞ্চল আৰু আদাবৈ গণেশ মন্দিৰৰ পৰা ন-পাৰাৰ পথৰ দুয়োকাষে দাঁতিকাষৰীয়া লোকৰ শৌচাগাৰ আৰু বাথৰুমৰ গাধোৱা লেতেৰা পানীয়ে পৰিৱেশ দূষিত কৰিছে। বৰষুণ দূৰৰ কথা খৰাং বতৰটো ৰাইজে জীয়াতু ভোগ কৰি আছে। মন কৰিব লগা এই যে উক্ত পথটো প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ দ্বিতীয় কাৰ্যকালৰ সময়ত পুনৰ নিৰ্মাণ কৰিছিল। সেই সময়তে দুয়োকাষৰ পকী নৰ্দমা মেৰামতি কৰিছিল। সম্প্ৰতি পথৰ দুয়োটা নৰ্দমা মাটি আৰু আৱৰ্জনাই পুটি পেলোৱাত পানীৰ যাতায়ত বন্ধ হৈছে। বৃহত্তৰ পূব শুৱালকুছি গাঁও পঞ্চায়ত অঞ্চললৈ অহা-যোৱা কৰা একমাত্ৰ গড়কাপ্তানি পথ তথা অতি ব্যস্ততা আৰু গুৰুত্বপূৰ্ণ ন-পাৰা বামুণ পাৰা পথটো লোক নিৰ্মাণ বিভাগে পুনৰ নিৰ্মাণৰ অতি আৱশ্যক হৈ পৰিছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিনিধিত্ব কৰা জালুকবাৰী সমষ্টিৰ শুৱালকুছিৰ উক্ত পথটো লোক নিৰ্মাণ বিভাগে আৰ চি চি নৰ্দমাৰে উন্নতমানৰ কৰি টোলাৰ দাবী স্থানীয় ৰাইজৰ। উল্লেখ্য যে অসম সাহিত্য সভাৰ হৈ যোৱা শুৱালকুছি অধিৱেশনৰ আগেয়ে বস্ত্ৰনগৰী শুৱালকুছিৰ বাকী পথবোৰ আৰ চি চি নৰ্দমাৰে পুনৰ নিৰ্মাণ কৰে। কিন্তু উক্ত পথটো তেতিয়া দূৰৰ কথা এতিয়া ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ দায়িত্বত থকা লোকনিৰ্মাণ বিভাগে পুনৰ নিৰ্মাণ নকৰা সাঁথৰে ৰাইজক বিবুধিত পেলাইছে।

### ■দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ সকীয়নি

## মেৰাপানী-গোলাঘাটৰ যাত্ৰীৰ গাড়ী ভাড়া বৃদ্ধিৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১১ নৱেম্বৰ ঃ** ৰাজ্যত এতিয়া খাদ্য সামগ্ৰীৰ লগতে গাড়ী ভাড়ায়ো অস্বাভাৱিকভাৱে বৃদ্ধি হোৱাত সাধাৰণ ৰাইজ আৰ্থিকভাৱে জুৰুলা হৈ পৰিছে। পেট্ৰ'ল-ডিজেলৰ মূল্য কিছু হ্ৰাস কৰিলেও ৰন্ধন গেছকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাক কোঙা কৰিছে। তদুপৰি গাড়ী ভাড়াৰ দুগুণ বৃদ্ধিয়ে সাধাৰণ ৰাইজে আৰ্থিকভাৱে দুৰ্বল কৰি পেলাইছে। পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধিৰ ফলত যাত্ৰীবাহী গাড়ীৰ ভাড়া বৃদ্ধি কৰিছিল বাছ মালিক সন্থা তথা ট্ৰেকাৰ, উইংগাৰ মালিকসকলে। কিছুদিনৰ পূৰ্বে মেৰাপানী গোলাঘাটৰ গাড়ী ভাড়া আছিল ৪০ টকা। কিন্তু তেলৰ মূল্যবৃদ্ধিৰ অজুহাতত গাড়ী মালিকসকলে এতিয়া ৭০ টকাৰ পৰা ১০০ পৰ্যন্ত ভাড়া লৈ আহিছে। এই ভাড়া বৃদ্ধিৰ সন্দৰ্ভত যাত্ৰীসকলে প্ৰতিবাদ কৰি আহিছে যদিও ট্ৰেকাৰ, উইংগাৰ তথা বাছৰ মালিক পক্ষই কোনো গুৰুত্ব দিয়া নাই। আজি মেৰাপানীৰ কেইজনমান যাত্ৰীয়ে এই অভিযোগ দিয়া মতে, তেওঁলোকে বিচৰা মতে ভাড়া নিদিলে জুৰ-জুলুম কৰি গাড়ীৰ কৰ্মচাৰীয়ে ভাড়া আদায় লৈ আহিছে। ভাড়া নিদিলে আদবাটত গাড়ীৰ পৰা নমাই দিয়াৰ ভাবুকি দিয়ে গাড়ীৰ চালকে। এই সন্দৰ্ভত দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নিত্যা হাজৰিকা আৰু সম্পাদক অৰুণ বৰাই এক বিবৃতিত কয় যে জিলা প্ৰশাসনে তথা অসম চৰকাৰে যদি অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিৰ লগতে গাড়ী ভাড়াৰ মূল্য ৰোধ নকৰে তেতিয়া সাধাৰণ জনতা আৰ্থিকভাৱে বহু পিছ পৰি যাব। সেয়ে গোলাঘাট জিলা প্ৰশাসনক গাড়ী ভাড়া মূল্যৰ লগতে জিলাখনত অস্বাভাৱিকভাৱে বৃদ্ধি হোৱা খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰি সাধাৰণ জনতাক সকাহ দিবলৈ দাবী জনাইছে।

## বিশ্বনাথত আছুৰ কেন্দ্ৰীয় নেতাৰ বিশ্বনাথ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১১ নৱেম্বৰ ঃ** উত্তৰ অসমৰ এক ঐতিহাসিক মহাবিদ্যালয়। বিশ্বনাথ মহাবিদ্যালয়। এই মহাবিদ্যালয়ে ইতিমধ্যে ৭৫ টা বছৰ গৰকিলে, কিন্তু আজি পৰ্যন্ত বিশ্ববিদ্যালয়লৈ উন্নত কৰা নহ'ল। যাৰ বাবে বিশ্বনাথৰ বিভিন্ন জাতীয় দল-সংগঠনৰ লগতে সদৌ অসম ছাত্ৰ সন্থায়ো এই মহাবিদ্যালয়খনি বিশ্ববিদ্যালয়লৈ উন্নত কৰাৰ বাবে দাবী জনাই আহিছে। কিন্তু ভাৰত চৰকাৰ অথবা ৰাজ্য চৰকাৰে আজি পৰ্যন্ত এই দাবীৰ প্ৰতি সঁহাৰি জনোৱা নাই। যাৰ বাবে আজি বিশ্বনাথ নগৰত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰূপম দাসে উত্তৰ অসমৰ এই আগশাৰীৰ মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ উন্নত কৰাৰ বাবে দাবী জনায়। তেওঁ কয় এই মহাবিদ্যালয়ত বিশ্বনাথৰ আশে-পাশে থকা বিভিন্ন জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আহিছে আৰু বৰ্তমানো বহু জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। চৰকাৰে যদি এই মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ উন্নত কৰে। তেনেহ'লে ভৱিষ্যতৰ দিনত উত্তৰ পাৰৰ বহু ছাত্ৰ-ছাত্ৰী অধ্যয়নৰ বাবে বাহিৰত যাবলগীয়া পৰিৱেশৰ সৃষ্টি হ'ব।

## অসম লেখিকা সংস্থাৰ মৰিগাঁও শাখাৰ অধিৱেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১১ নৱেম্বৰ ঃ** অসম লেখিকা সংস্থাৰ মৰিগাঁও শাখাৰ অধিৱেশনখন কালি মৰিগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰে শাখাৰ সভানেত্ৰী শেৱালি শৰ্মা বৰকটকীয়ে। ইয়াৰ পাছত শাখাৰ সভানেত্ৰী শেৱালি শৰ্মা বৰকটকীৰ সভাপতিত্ব অনুষ্ঠিত হয় সাধাৰণ সভা। উক্ত সভাত লাৱণ্য ভট্টাচাৰ্যৰ মংগলাচৰণেৰে কাৰ্যসূচী মুকলি কৰাৰ পাছত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে ৰেণু ডেকা বৰাই। সম্পাদিকা ৰীতা মিশ্ৰই আঁতধৰা সভাখনত মহিলাসকলৰ সাহিত্য চৰ্চা আৰু বৰ্তমান সময়ত মহিলাসকলৰ কৰণীয় আৰু দায়িত্ব সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। উক্ত সভাতে পৰৱৰ্তী কাৰ্যকালৰ বাবে পুনৰবাৰ শেৱালি শৰ্মা বৰকটকীক সভানেত্ৰী আৰু ৰীতা মিশ্ৰক সম্পাদিকাৰূপে লৈ এখন ১০জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। অনাগত সময়ত সাহিত্য সম্পৰ্কীয় গ্ৰন্থ প্ৰকাশ, সদস্য বৃদ্ধি আৰু সাহিত্য সম্পৰ্কীয় আলোচনাচক্ৰ, কৰ্মশালা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰে।

## ৰাষ্ট্ৰপতিৰ পুৰস্কাৰপ্ৰাপ্ত স্বাস্থ্যকৰ্মী ৰূপজান বেগমৰ মৃত্যু



**ছয়গাঁও, ১১ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ হালীগাঁও নিবাসী অৱসৰপ্ৰাপ্ত স্বাস্থ্যকৰ্মী ৰূপজান বেগমৰ যোৱা ১০ নৱেম্বৰত হৃদযন্ত্ৰৰ ক্ৰীড়া বন্ধ হৈ নিজ বাসগৃহত মৃত্যু হোৱাৰ বাতৰিয়ে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। দীৰ্ঘদিন ধৰি উপৰহালী স্বাস্থ্য কেন্দ্ৰত সেৱা আগবঢ়োৱা ৰূপজান বেগমে এজন সফল স্বাস্থ্যকৰ্মী হিচাপে স্বীকৃতি লাভ কৰি ১৯৮৯ত ৰাষ্ট্ৰপতিৰ পৰা বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰকে অগণন গুণমুগ্ধ লোক তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। প্ৰায় ৬৮ বছৰ বয়সত মৃত্যু হোৱা ৰূপজান বেগমে মৃত্যুৰ সময়ত স্বামী, পুত্ৰ-বোৱাৰী, জী-জোঁৱাই আৰু দুগৰাকী নাতিক ইহ সংসাৰত এৰি থৈ যায়। তেওঁৰ মৃতদেহ হালীগাঁও ৰাইজ গয়ৰহৰ কবৰস্থানত বহু আত্মীয়-কুটুম্বৰ উপস্থিতিত জানাজা সম্পন্ন কৰা হয়।

### ■ ভিন্ন পক্ষীৰ জলকেলিৰ নয়নাভিৰাম দৃশ্য আৰু দেখিবলৈ নাপায় প্ৰকৃতিপ্ৰেমীয়ে ■ পিটনিলৈ পৰ্যবসিত প্ৰস্তাৱিত এভিয়ান পাৰ্ক

## ডেৰ দশকৰ পাছতো ঘোষণাতে থাকিল প্ৰস্তাৱিত পক্ষী উদ্যান



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১১ নৱেম্বৰ ঃ** শীত নমাৰ লগে লগেই পূৰ্বৰ ঠিকনা বিচাৰি যোৰহাটৰ চিনামৰাৰ এটা বিশেষ স্থানত প্ৰতিবছৰে আহি উপস্থিত হয়হি বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ পৰিভ্ৰমী পক্ষীৰ জাক। পক্ষীৰ জলকেলিৰ নয়নাভিৰাম দৃশ্য আৰু কিচিৰ মিচিৰ কোলাহলত মুখৰিত কৰি তোলা পৰিৱেশ চাই আপ্লুত নোহোৱা লোক হয়তো নোলাব; কিন্তু আৰু বেছিদিনলৈ যোৰহটীয়া প্ৰকৃতিপ্ৰেমীয়ে এই মায়াময় দৃশ্য উপভোগ কৰিবলৈ নাপাব; উল্লেখনীয় যে গড়আলিৰ কাষতে চিনামৰাস্থিত তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ অধীনস্থ ৭২ কঠা মাটি সামৰি থকা এটা বৃহৎ জলাশয়টোলৈ বহু বছৰ ধৰি পৃথিৱীৰ ভিন্ন প্ৰান্তৰৰ পৰা পৰিভ্ৰমী পক্ষীৰ আগমন ঘটি আহিছে। ইয়াৰ মাজতে ২০০৫ত তদানীন্তন ৰাজ্যপাল অজয় সিং আৰু তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈয়েও সেই স্থানত উপস্থিত হৈ নৈসৰ্গিক দৃশ্য উপভোগ কৰি আপ্লুতহৈ লগে লগেই জলাশয়টো সংৰক্ষণ কৰি তাত এখন পক্ষী উদ্যান স্থাপন কৰাৰ কথা ঘোষণা কৰিছিল। পাছতো বিভিন্ন প্ৰকৃতিপ্ৰেমী সংগঠনে এই দাবী কৰাত ২০০৮-০৯ত জিলা প্ৰশাসন, বন বিভাগ আৰু অ' এন জিচিৰ বিষয়াৰ উপস্থিতিত জিলা উপায়ুক্তৰ কাৰ্যালয়ত বিষয়টোক কেন্দ্ৰ কৰি অনুষ্ঠিত হোৱা সভাত জলাশয়টোক এভিয়ান পাৰ্ক নামে নামকৰণ কৰাৰ লগতে আয়োগৰ সম্পূৰ্ণ সহযোগিতাত জলাশয়টো সংৰক্ষণ কৰি এখন অভিলাষী আঁচনিৰ দ্বাৰা তাত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ পক্ষী সংৰক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ঘোষণাৰ প্ৰায় ডেৰ দশক হ'বৰ হ'লহি, কিন্তু এই ক্ষেত্ৰত কোনো এটা বিভাগেই পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। জলাশয়টো পুনৰুদ্ধাৰ কৰিবলৈ ইয়াৰ মাজতে বিগত বৰ্ষৰ ১৫ আগষ্টত স্থানীয় একাংশ প্ৰকৃতিপ্ৰেমী একত্ৰি হৈ এখন সমিতি গঠন কৰি তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ কাৰ্যালয়ত জলাশয়টো উদ্ধাৰ কৰিবলৈ দাবী উত্থাপন কৰে। সমিতিৰ প্ৰতিনিধি দলটোকো আয়োগৰ তৰফৰ পৰা জলাশয়টো উদ্ধাৰৰ শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰা আশ্বাসহে দিয়ে। ইফালে, স্থানীয় একাংশ লোকৰ লগতে নগৰৰ দুষ্ট ব্যৱসায়ীয়ে জলাশয়টোক ডাষ্টবিন হিচাপে ব্যৱহাৰ কৰিবলৈ লোৱাৰ লগতে ক্ৰমে বোকাৰে পোত যোৱা জলাশয়টোত গজি উঠা ঘাঁহ-বনে চানি ধৰি পিটনিলৈ পৰ্যবসিত কৰি পেলালে। ইয়াৰে সুবিধালৈ কিছুলোকে পোহনীয়া গৰু-ম'হৰ চৰণীয়া হিচাপেও জলাশয়টোক ব্যৱহাৰ কৰিবলৈ নেৰিলে। মনকৰিবলগীয়া যে এইবাৰো পূৰ্বৰ দৰেই সহস্ৰাধিক পক্ষী আহি জলাশয়টোত উপস্থিত হৈছেহি যদিও নামমাত্ৰ পানীহে থকাত তৰাং জলাশয়ত পূৰ্বৰ উল্লাসৰ বিপৰীতে বিষণ্ণতাৰে ভৰা এখন ছবিহে দেখিবলৈ গোৱা গৈছে। আৰু ইয়ে প্ৰকৃতিপ্ৰেমীসকলক বাৰুকৈয়ে হতাশ কৰিছে।

## হাতীৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবলৈ নিশা টঙীঘৰতে কটায় কৃষকে

### ছয়গাঁৰৰ জনজাতীয় বসতিপ্ৰধান বৰবাকাৰা, সৈন্যাসী অঞ্চলত ফচল ভাল হোৱাৰ পাছতো কৃষকৰ হুমুনিয়াহ



**ছয়গাঁও, ১১ নৱেম্বৰ ঃ** জেঠ-আহাৰ মহীয়া প্ৰখৰ ৰ'দ-বৰষুণকো নেওচি হাৰভগা পৰিশ্ৰম কৰা কৃষকসকল বৰ্তমান ব্যস্ত হৈ পৰিছে পথাৰৰ সোণগুটি চপোৱাত। দীৰ্ঘদিনীয়া শ্ৰমৰ ফলশ্ৰুতিত এতিয়া কৃষকৰ মুখত হাঁহি বিৰিঙিছে। পিছে এই হাঁহিৰ মাজতে দক্ষিণ কামৰূপৰ ছয়গাঁও অঞ্চলৰ জনজাতীয় অঞ্চলৰ কৃষকৰ মুখত বিষাদৰ ছাঁ। পথাৰৰ সোণগুটি ভঁৰালত সোমোৱাৰ সময়তে উজাগৰে দিন কটাবলগীয়া হৈছে ছয়গাঁও সমষ্টিৰ জনজাতীয় বসতিপ্ৰধান বৰবাকাৰা, জালুকবাৰী, উকিয়াম, সৈন্যাসী আদি অঞ্চলৰ কৃষক ৰাইজে। তেওঁলোকে খেতি পথাৰসমূহৰ চৌদিশে সৰু সৰু টঙী ঘৰ সাজি পহৰা দিছে হাতী খেদিবলৈ। এই অঞ্চলত হাতী-মানুহৰ সংঘাত নতুন কথা নহয়। দীৰ্ঘদিনীয়া হাতীৰ আক্ৰমণত বহু লোকে প্ৰাণ হেৰুওৱাৰ লগতে নিশা নামি অহা হাতীৰ জাকে এই অঞ্চলৰ ৰাইজৰ খেতি-বাতি নষ্ট কৰাৰ লগতে ভাঙি লণ্ড-ভণ্ড কৰে ঘৰ-দুৱাৰ। তথাপিও কিন্তু আজিলৈকে বন বিভাগে বিশেষ পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই। সন্ধিয়া হোৱাৰ লগে লগে কৃষকসকলে টঙী ঘৰৰ চৌদিশে জুইৰ ব্যৱস্থা কৰে। হাতীয়ে যিহেতু জুইক ভয় কৰে তাৰ বাবে প্ৰতিটো টঙী ঘৰত সাজু কৰি ৰাখে কেৰাচিন, পেট্ৰ'ল, ফটকা আদি। কাৰোবাৰ টঙী ঘৰত আকৌ নিজক বজাবলৈ দা-জোং-লাঠি। বনাঞ্চলৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ উপদ্ৰৱৰ বাবে নিশা উজাগৰে কটায়। খাদ্যৰ বাবে পাহাৰৰপ পৰা নামি অহা ২০-৩০ জনীয়া হাতীৰ জাকে নিমিষতে তহিলং কৰে হেজাৰ হেজাৰ বিঘা শালি-ধান খেতি। যাৰ ফলত হেঁপাহৰ ধাননি ডৰা ভালকৈ পূৰ্ঠ নোহোৱাকৈ কৃষকে ঘৰলৈ কাটি নিবলগীয়া হৈছে। এই ক্ষেত্ৰত কৃষকসকলে চৰকাৰ তথা বন বিভাগৰ হস্তক্ষেপ বিচাৰিছে।

### কলাইগাঁও আছুৰ প্ৰতিবাদী কাৰ্যসূচী

## কলাইগাঁও মহাবিদ্যালয় ভূমি বেদখলৰ মুক্ত কৰাৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**কলাইগাঁও, ১১ নৱেম্বৰ ঃ** কলাইগাঁও মহাবিদ্যালয়ৰ ভূমি বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰিবলৈ আজি কলাইগাঁও আছু আৰু কলাইগাঁও কনিষ্ঠ মহাবিদ্যালয় পৰিচালনা সমিতিয়ে এক প্ৰতিবাদী সমদল উলিয়ায়। ১৯৮৪ত প্ৰতিষ্ঠা হোৱা কলাইগাঁও মহাবিদ্যালয়খনক ১৯৮৭ত তদানীন্তন ৰাজ্যপালৰ অনুমোদন সাপেক্ষে কলাইগাঁও গেৰুৱা গাঁওত (কাম্পাহোলাত) ৭৮ বিঘা চাৰি লেচা ভূমি আবণ্টন দিয়া হৈছিল যদিও উক্ত ভূমি বৰ্তমান সম্পূৰ্ণৰূপে বেদখলকাৰীৰ কবলত। সেয়ে মহাবিদ্যালয়ৰ ভূমি বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰিবলৈ কলাইগাঁও মহাবিদ্যালয়ৰ পৰা চহৰৰ মাজেৰে আজি আছু আৰু পৰিচালনা সমিতিয়ে এক প্ৰতিবাদী সমদল উলিয়ায়। প্ৰতিবাদকাৰীসকলে মহাবিদ্যালয়ৰ 'ভূমি বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰক', 'অসম চৰকাৰৰ কাম নাই', আদি শ্ল'গান দিছে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত কলাইগাঁও কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ৰেজিয়া বেগম, পৰিচালনা সমিতিৰ সভাপতি ধনেশ্বৰ মেধিৰ লগতে সুৰেন্দ্ৰ নাথ ডেকা, হিৰেণ নাথ, প্ৰমুখ্যে কলাইগাঁও আছুৰ উপদেষ্টা বনজিৎ নাথ, সভাপতি মাধুৰ্য্য শৰ্মা, সাধাৰণ সম্পাদক ৰাতুল বৰুৱাৰ নেতৃত্বত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আনহাতে, প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত আছুৰ এটি প্ৰতিনিধিৰ দলে কলাইগাঁও ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে এখন স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

# আজি সামৰণি পৰিব চচলৰ আই টি এফ ছিনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা



**গুৱাহাটী, ১১ নৱেম্বৰ ঃ** অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত চলি থকা আই টি এফ ছিনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ কাইলৈ সামৰণি পৰিব। উল্লেখ্য যে প্ৰতিযোগিতাৰ আজি নিশালৈ সকলো ছেমিফাইনেল অনুষ্ঠিত হোৱাৰ পাছত কাইলৈ অনুষ্ঠিত হ'ব ফাইনেল। পুৰুষৰ একক শাখাৰ 45 বছৰ উৰ্ধৰ ছেমিফাইনেলত চতুৰ্থ বাছনিৰ অমিত শৰ্মাই 6-2, 6-2 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে দ্বিতীয় বাছনিৰ যোগেশ কোহলিক। এই শাখাৰ আনখন ছেমিফাইনেলত শীৰ্ষ বাছনিৰ তুলেশ্বৰ সিঙে 6-0, 6-1ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ৰাজেশ বালুক। ইফালে, পুৰুষৰ একক শাখাৰ 55 বছৰ উৰ্ধৰ ছেমিফাইনেলত দ্বিতীয় বাছনিৰ অজিত ভৰদ্বাজে 6-4, 6-3ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে চতুৰ্থ বাছনিৰ দিলীপ সিঙক। আনখন ছেমিফাইনেলত শীৰ্ষ বাছনিৰ পৱন জৈন 2-6, 7-5, 2-6ৰ ব্যৱধানত পৰাস্ত হয় আশীষ সেনৰ বিৰুদ্ধে। ইফালে, পুৰুষৰ ডাবলছ শাখাৰ 45 বছৰ উৰ্ধৰ কোৱাৰ্টাৰ ফাইনেলত জয়ী হৈ ছেমিফাইনেল প্ৰৱেশ কৰিছে যোগেশ কোহলি আৰু সঞ্জয় কুমাৰ যুটী, অজিত ভৰদ্বাজ আৰু নৰেশ ভিজ যুটি, পৱন জৈন আৰু ছাহনাৱাজ জফল যুটি তথা জীতেন্দ্ৰ প্ৰধান আৰু তুলেশ্বৰ সিং যুটি। কাইলৈ বিয়লি দুই বজাত বঁটা বিতৰণ অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি জনাইছে অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই।

## একক-ৰ লগতে ডাবলছতো খিতাপ লাভ

## মহিলা শাখাত দ্বিমুকুট অৰ্জন ভাৰতৰ ছিমি বেগম শৰ্মাৰ



**গুৱাহাটী, ১১ নৱেম্বৰ ঃ** শীৰ্ষ বাছনিৰ ভাৰতৰ ছিমি বেগম শৰ্মাই চলিত আই টি এফ ছিনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত একক আৰু ডাবলছ শাখাত খিতাপ দখল কৰি দ্বিমুকুট অৰ্জন কৰিছে। উল্লেখ্য যে অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত চলি থকা প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা মহিলাৰ 35 বছৰ উৰ্ধৰ একক শাখাৰ ফাইনেলত ছিমিয়ে 6-4, 6-4ৰ পোনপটীয়া ব্যৱধানত দেশৰে দ্বিতীয় বাছনিপ্ৰাপ্ত নাজনীন ৰহমানক পৰাস্ত কৰে। আনহাতে, ছিমিয়ে নাজনীনৰ লগত যুটী বান্ধি মহিলাৰ 35 বছৰ উৰ্ধৰ ডাবলছ শাখাৰ ফাইনেলতো জয়লাভ কৰি দ্বিমুকুট লাভ কৰিবলৈ সক্ষম হয়। খিতাপৰ যুঁজত তেওঁলোকে 6-1, 6-4ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে সোনুমনি বৰকটকী আৰু ব'নিতা বৰুৱা দত্তৰ যুটিক। উল্লেখ্য যে আন্তৰ্জাতিক টেনিছ ফেডাৰেছনে দুখনকৈ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা গুৱাহাটীত আয়োজন কৰাৰ দায়িত্ব অৰ্পন কৰিছে অসম টেনিছ সন্থাক। সেই অনুসৰি যোৱা আঠৰ পৰা 12 নৱেম্বৰলৈ অনুষ্ঠিত হৈছে আই টি এফ ছিনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা। আনহাতে, অহা 15-20 নৱেম্বৰলৈ একে স্থানতে অনুষ্ঠিত হ'ব আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ মুঠ প্ৰাইজমানি তিনি লাখ চাৰি হেজাৰ টকা। জুনিয়ৰ প্ৰতিযোগিতাত 14 বছৰ অনূৰ্ধ ল'ৰা-ছোৱালীয়ে অংশ ল'ব।



টি-২০ বিশ্বকাপৰ দ্বিতীয় ছেমিফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাকিস্তানৰ দুই অপেনাৰ ৰিজৱান-বাবৰ

## উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণ কাপ ফুটবল প্ৰতিযোগিতা

## ছেমিত চিৰাংদুৱাৰ ইউনাইটেড এফ চি

বিশেষ সংবাদদাতা

**ওদালগুৰি, ১১ নৱেম্বৰ ঃ** চলিত উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণ কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে চিৰাংদুৱাৰ ইউনাইটেড এফ চি। আজি অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলত চিৰাংদুৱাৰ ইউনাইটেড এফ চি মুখামুখি হয় কাৰ্বি আংলঙৰ লাংহিন এফ চিৰ। একপক্ষীয় মেচত অনছুলা ব্ৰহ্মৰ হেট্ৰিকসহ চিৰাংদুৱাৰ ইউনাইটেড এফ চিয়ে 7-2 গ'লত পৰাস্ত কৰে কাৰ্বি আংলঙৰ লাংহিন এফ চিক। উল্লেখ্য যে গোহাইগাঁৱৰ গ্লোৰেল স্পৰ্টছ একাডেমী দলে ইতিমধ্যে উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণ কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমটো দল ৰূপে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ওদালগুৰি ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা 27 সংখ্যক সৰ্বভাৰতীয় উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণ কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত গ্লোৰেল স্পৰ্টছ একাডেমী দল মুখামুখি হয় ওদালগুৰিৰ নিউ মডেল স্পৰ্টছ ক্লাবৰ। মেচখনত গ্লোৰেল স্পৰ্টছ একাডেমীয়ে 2-1 গ'লত পৰাস্ত কৰে নিউ মডেল স্পৰ্টছ ক্লাবক। উল্লেখ্য যে এইবাৰৰ উপেন্দ্ৰ নাথ ব্ৰহ্ম স্বৰ্ণ কাপ ফুটবল প্ৰতিযোগিতাত মুঠ 12 টা দলে অংশ লৈছে।

## ৩৫ বছৰ উৰ্ধৰ একক-ডাবলছ শাখাৰ ফাইনেললৈ যোগ্যতা

## দ্বিমুকুটৰ সুযোগ চন্দ্ৰ শেখৰ মোহান্তীৰ



**গুৱাহাটী, ১১ নৱেম্বৰ ঃ** অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত চলি থকা আই টি এফ ছিনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ 35 বছৰ উৰ্ধৰ একক আৰু ডাবলছ শাখাৰ ফাইনেলত প্ৰৱেশ কৰি দ্বিমুকুট অৰ্জনৰ সুযোগ লাভ কৰিছে চন্দ্ৰ শেখৰ মোহান্তীয়ে। আজি হোৱা একক শাখাৰ ছেমিফাইনেলত মোহান্তীয়ে 6-3, 6-0ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ৰাজেশ বৰুৱাক। ইফালে, এই শাখাৰ আনখন ছেমিফাইনেলত ইন্দ্ৰকুমাৰ সিঙে 4-6, 6-0, 6-3ৰ ব্যৱধানত পৰাস্ত কৰে অমিত পীটাৰ কুণ্ডুক। পুৰুষৰ 35 বছৰ উৰ্ধৰ ডাবলছ শাখাৰ ছেমিফাইনেলত চন্দ্ৰ শেখৰ মোহান্তী আৰু দিলীপ মোহান্তী যুটিয়ে 6-2, 6-3ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ইন্দ্ৰকুমাৰ সিং আৰু তুলেশ্বৰ সিং যুটিক। আনহাতে, দ্বিতীয়খন ছেমিফাইনেলত ৰাজেশ বৰুৱা আৰু শিৱ কুমাৰ প্ৰজাপতি যুটিয়ে 6-3, 6-2ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে পৰাগ আট্ৰে আৰু শচীন পাটিল যুটিক। উল্লেখ্য যে অসম টেনিছ সন্থাক এই প্ৰতিযোগিতা আয়োজন কৰাত সহায় কৰিছে এন আৰ এল, ষ্টাৰ চিমেণ্ট, প্ৰিয়া কমিনিকেছন, ষ্টাৰলাইট পাৱাৰ, ইন্দ্ৰধনুশ গেছ এণ্ড গ্ৰিড লিমিটেড, ক'ৰ্টেক ইণ্টাৰনেছনেল প্ৰাইভেট লিমিটেড, এ চি ই পাইপলাইন কনক্ৰেকছ প্ৰাইভেট লিমিটেড, আৰিয়ান ইষ্টেট ডেভ'ল'পাৰ্ছ, নৱৰূপ ইঞ্জিনিয়াৰিং, পৰাগ চুতীয়া, মাধুয্য দত্ত আদি শুভাকাংক্ষীয়ে।



## প্ৰতিশোধ পূৰ্ণ কৰি প্ৰথমবাৰলৈ টি-২০ ৰ ফাইনেলত নিউজিলেণ্ড

**আবুঢাবি, ১১ নৱেম্বৰ ঃ** পূৰ্বৰ দুবাৰৰ ব্যৰ্থতাৰ পাছত নিউজিলেণ্ডে তৃতীয় চেষ্টাত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে যোৱানিশা আবুঢাবিত হোৱা প্ৰথম ছেমিফাইনেলত নিউজিলেণ্ডে পাঁচ উইকেটত পৰাস্ত কৰে ইংলণ্ডক। ইয়াৰপূৰ্বে নিউজিলেণ্ডে 2007 আৰু 2016 ৰ আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল যদিও ফাইনেলত প্ৰৱেশত ব্যৰ্থ হৈছিল। এইবাৰো দল শেলথেকত পৰে যদিও অপেনাৰ ডাৰিল মিচেলে অপৰাজিত 72 ৰাণ কৰি নিউজিলেণ্ডক প্ৰথমবাৰৰ বাবে আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰোৱায়। উল্লেখ্য যে 167 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি নিউজিলেণ্ডে দুই অভিজ্ঞ বেটছমেন অপেনাৰ মাৰ্টিন গুপটিল (4 ৰাণ) আৰু অধিনায়ক কেন উইলিয়ামছনক (5 ৰাণ) আৰম্ভণিতে হেৰুৱাই যদিও আনজন অপেনাৰ ডাৰিল মিচেলে 47 বলত চাৰিটা ছি'ৰ আৰু সমসংখ্যক বাউণ্ডেৰী মাৰি অপৰাজিত 72 ৰাণৰ ইনিংছৰে নিউজিলেণ্ডৰ সপোন পূৰ্ণ কৰে। এক অভাৰক বাকী থাকোতেই 167-5 ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয় নিউজিলেণ্ড। কিৱিৰ হৈ ক'নৱে 46 আৰু নীছামে 27 ৰাণ কৰে। ইংলণ্ডৰ হৈ ৱাকছ আৰু লিভিংষ্টনে দুটাকৈ উইকেট পায়। ইয়াৰপূৰ্বে ইংলণ্ডে বেটিং কৰি মঈন আলীৰ 51, মালানৰ 41 আৰু বাটলাৰৰ 29 ৰাণৰ সহায়ত চাৰি উইকেটত 166 ৰাণ কৰে। নিউজিলেণ্ডৰ হৈ ছাউথীয়ে চাৰি অভাৰত 24 ৰাণ খৰছ কৰি এটা উইকেট পায়। উল্লেখ্য যে যোৱা 50 অভাৰৰ বিশ্বকাপৰ ফাইনেলত ইংলণ্ডে বিতৰ্কৰে নিউজিলেণ্ডক পৰাস্ত কৰি চেম্পিয়ন হৈছিল। এইবাৰ নিউজিলেণ্ডে প্ৰতিশোধ ল'লে।



## ৰাজ্যিক কাবাদী প্ৰতিযোগিতাৰ সূচী প্ৰকাশ সন্থাৰ

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১১ নৱেম্বৰ ঃ** অসম কাবাদী সন্থাই ৰাজ্যিক প্ৰতিযোগিতাৰ সূচী প্ৰকাশ কৰিছে। সেই অনুসৰি জুনিয়ৰ ল'ৰা-ছোৱালীৰ আন্তঃজিলা প্ৰতিযোগিতাখন দুধনৈত অনুষ্ঠিত হ'ব অহা ডিচেম্বৰত। ইফালে, অহা ফেব্ৰুৱাৰীত ধুবুৰীত অনুষ্ঠিত হ'ব পুৰুষ-মহিলাৰ ছিনিয়ৰ আন্তঃজিলা প্ৰতিযোগিতা। ইফালে ছাব-জুনিয়ৰ আন্তঃজিলা কাবাদী প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব ধেমাজীত।

## নিউজিলেণ্ডৰ সাফল্যত ভাৰতৰ অবদান



**আবুঢাবি, ১১ নৱেম্বৰ ঃ** বিগত তিনিখন আই চি চিৰ প্ৰতিযোগিতাত নিউজিলেণ্ডৰ গৌৰৱময় যাত্ৰা অব্যাহত আছে। উল্লেখ্য যে ক্ৰমাগত তিনিখন বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰাৰ সফলতা লাভ কৰিছে নিউজিলেণ্ড ক্ৰিকেট দলে। কিন্তু বিশ্লেষণ কৰিলে দেখা যায় যে উক্ত তিনিওখন আই চি চিৰ প্ৰতিযোগিতাত নিউজিলেণ্ডৰ গৌৰৱময় সফলতাত আছে ভাৰতীয় দলৰ অবদান। অৰ্থাৎ ভাৰতক হৰুৱাই সপোনৰ লক্ষ্যত উপনীত হৈছে কিবি বাহিনী। উল্লেখ্য যে 2019 ত ইংলণ্ডত হোৱা 50 অভাৰৰ বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছিল নিউজিলেণ্ড। ছেমিফাইনেলত প্ৰতিযোগিতাৰ অপৰাজেয় দল ভাৰতক অপ্ৰত্যাসিতভাৱে পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল নিউজিলেণ্ড। কিন্তু লৰ্ডছত হোৱা চিৰস্মৰণীয় বিশ্বকাপৰ ফাইনেলত ইংলণ্ডে বিতৰ্কৰে নিউজিলেণ্ডক পৰাস্ত কৰি চেম্পিয়ন হৈছিল। তাৰপাছতে চলিত বৰ্ষত প্ৰথম আই চি চি টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয় নিউজিলেণ্ড ক্ৰিকেট দলে। ইংলণ্ডত হোৱা টেষ্ট বিশ্বকাপৰ ফাইনেলত নিউজিলেণ্ডে ভাৰতক পৰাস্ত কৰি চেম্পিয়ন হয়। অথচ ক্ৰিকেট বিশেষজ্ঞই ভাৰত চেম্পিয়নৰ দাবীদাৰ বুলি একেমুখে ব্যক্ত কৰিছিল। আনহাতে, চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে নিউজিলেণ্ড। উল্লেখ্য যে যোৱানিশা আবুঢাবিত হোৱা প্ৰথম ছেমিফাইনেলত নিউজিলেণ্ডে পাঁচ উইকেটত পৰাস্ত কৰে ইংলণ্ডক। এইবাৰো নিউজিলেণ্ডৰ উত্তৰণত আছে ভাৰতৰ অবদান। উল্লেখ্য যে একে গ্ৰুপতে আছিল ভাৰত আৰু নিউজিলেণ্ড। আনহাতে, প্ৰথম মেচত উভয় দল পৰাস্ত হৈছিল পাকিস্তানৰ বিৰুদ্ধে। কাৰ্যতঃ ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ গ্ৰুপ মেচখন কোৱাৰ্টাৰ ফাইনেল সদৃস হয় আৰু টীম ইণ্ডিয়াক পৰাস্ত কৰে কিবি বাহিনীয়ে। উল্লেখ্য যে পূৰ্বৰ দুবাৰৰ ব্যৰ্থতাৰ পাছত নিউজিলেণ্ডে তৃতীয় চেষ্টাত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। ইয়াৰপূৰ্বে নিউজিলেণ্ডে 2007 আৰু 2016 ৰ আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল যদিও ফাইনেলত প্ৰৱেশত ব্যৰ্থ হৈছিল।

## আই চি চিৰ প্ৰতিযোগিতাত নিউজিলেণ্ডৰ গৌৰৱময় সফলতা

## ক্ৰমাগত তিনিখন বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ



**আবুঢাবি, ১১ নৱেম্বৰ ঃ** আই চি চিৰ প্ৰতিযোগিতাত নিউজিলেণ্ডৰ গৌৰৱময় যাত্ৰা অব্যাহত আছে। উল্লেখ্য যে ক্ৰমাগত তিনিখন বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰাৰ সফলতা লাভ কৰিছে নিউজিলেণ্ড ক্ৰিকেট দলে। 2019 ত ইংলণ্ডত হোৱা 50 অভাৰৰ বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছিল নিউজিলেণ্ড। কিন্তু লৰ্ডছত হোৱা চিৰস্মৰণীয় বিশ্বকাপৰ ফাইনেলত ইংলণ্ডে বিতৰ্কৰে নিউজিলেণ্ডক পৰাস্ত কৰি চেম্পিয়ন হৈছিল। তাৰপাছতে এইবাৰ প্ৰথম আই চি চি টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয় নিউজিলেণ্ড ক্ৰিকেট দলে। ইংলণ্ডত হোৱা টেষ্ট বিশ্বকাপৰ ফাইনেলত নিউজিলেণ্ডে ভাৰতক পৰাস্ত কৰি চেম্পিয়ন হয়। আনহাতে, চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে নিউজিলেণ্ড। উল্লেখ্য যে যোৱানিশা আবুঢাবিত হোৱা প্ৰথম ছেমিফাইনেলত নিউজিলেণ্ডে পাঁচ উইকেটত পৰাস্ত কৰে ইংলণ্ডক। ইয়াৰপূৰ্বে নিউজিলেণ্ডে 2007 আৰু 2016 ৰ আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল যদিও ফাইনেলত প্ৰৱেশত ব্যৰ্থ হৈছিল। মেচত ইংলণ্ডে পোনতে বেটিং কৰি মঈন আলীৰ 51, মালানৰ 41 আৰু বাটলাৰৰ 29 ৰাণৰ সহায়ত চাৰি উইকেটত 166 ৰাণ কৰে। নিউজিলেণ্ডৰ হৈ ছাউথীয়ে চাৰি অভাৰত 24 ৰাণ খৰছ কৰি এটা উইকেট পায়। প্ৰত্যুত্তৰত, 167 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি নিউজিলেণ্ডে দুই অভিজ্ঞ বেটছমেন অপেনাৰ মাৰ্টিন গুপটিল (4 ৰাণ) আৰু অধিনায়ক কেন উইলিয়ামছনক (5 ৰাণ) আৰম্ভণিতে হেৰুৱাই যদিও আনজন অপেনাৰ ডাৰিল মিচেলে 47 বলত চাৰিটা ছি'ৰ আৰু সমসংখ্যক বাউণ্ডেৰী মাৰি অপৰাজিত 72 ৰাণৰ ইনিংছৰে নিউজিলেণ্ডৰ সপোন পূৰ্ণ কৰে। এক অভাৰক বাকী থাকোতেই 167-5 ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয় নিউজিলেণ্ড। কিৱিৰ হৈ ক'নৱে 46 আৰু নীছামে 27 ৰাণ কৰে। ইংলণ্ডৰ হৈ ৱাকছ আৰু লিভিংষ্টনে দুটাকৈ উইকেট

## টি-২০ বিশ্বকাপত পুনৰ দূৰ্ভাগ্য ইংলণ্ডৰ



**আবুঢাবি, ১১ নৱেম্বৰ ঃ** 2016 ৰ আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলকাতাৰ ইডেন গাৰ্ডেনত হোৱা ফাইনেলত ইংলণ্ডে খেলিছিল ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে। অন্তিম অভাৰত ৱেষ্ট ইণ্ডিজক জয়ৰ বাবে প্ৰয়োজন হৈছিল 24 ৰাণ। সকলোৱে ভাবিছিল ইংলণ্ড চেম্পিয়ন। কিন্তু হ'ল ওলোটা। অন্তিম অভাৰৰ প্ৰথম চাৰিটা বলতে কেৰিবিয়ান অলৰাইণ্ডাক ব্ৰেথৱেইটে চাৰিটা ক্ৰমাগত ছি'ৰ মাৰি ৱেষ্ট ইণ্ডিজক স্মৰণীয় বিজয় দিয়ে লগতে ইংলণ্ডৰ মুখৰ পৰা কাঢ়ি আনে আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন ট্ৰফী। চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত ইংলণ্ডক একেই শিক্ষা দিলে নিউজিলেণ্ডে। অন্তিম চাৰি অভাৰত ইংলণ্ডৰ হাতত থকা মেচ উলিয়াই নিলে নিউজিলেণ্ডৰ অপেনাৰ ডাৰিল মিচেলে অপৰাজিত 72 ৰাণ কৰি। উল্লেখ্য যে যোৱানিশা আবুঢাবিত হোৱা প্ৰথম ছেমিফাইনেলত নিউজিলেণ্ডে পাঁচ উইকেটত পৰাস্ত কৰে ইংলণ্ডক। নিউজিলেণ্ড শেলথেকত আছিল যদিও অপেনাৰ ডাৰিল মিচেলে অপৰাজিত 72 ৰাণ কৰি নিউজিলেণ্ডক প্ৰথমবাৰৰ বাবে আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰোৱায়। উল্লেখ্য যে 167 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি নিউজিলেণ্ডে দুই অভিজ্ঞ বেটছমেন অপেনাৰ মাৰ্টিন গুপটিল (4 ৰাণ) আৰু অধিনায়ক কেন উইলিয়ামছনক (5 ৰাণ) আৰম্ভণিতে হেৰুৱাই যদিও আনজন অপেনাৰ ডাৰিল মিচেলে 47 বলত চাৰিটা ছি'ৰ আৰু সমসংখ্যক বাউণ্ডেৰী মাৰি অপৰাজিত 72 ৰাণৰ ইনিংছৰে নিউজিলেণ্ডৰ সপোন পূৰ্ণ কৰে। এক অভাৰক বাকী থাকোতেই 167-5 ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয় নিউজিলেণ্ড। কিৱিৰ হৈ ক'নৱে 46 আৰু নীছামে 27 ৰাণ কৰে। ইংলণ্ডৰ হৈ ৱাকছ আৰু লিভিংষ্টনে দুটাকৈ উইকেট পায়। ইয়াৰপূৰ্বে ইংলণ্ডে বেটিং কৰি মঈন আলীৰ 51, মালানৰ 41 আৰু বাটলাৰৰ 29 ৰাণৰ সহায়ত চাৰি উইকেটত 166 ৰাণ কৰে। নিউজিলেণ্ডৰ হৈ ছাউথীয়ে চাৰি অভাৰত 24 ৰাণ খৰছ কৰি এটা উইকেট পায়। উল্লেখ্য যে মেচৰ প্ৰথম 36 অভাৰ ইংলণ্ডৰ আয়ত্বত থকাৰ পাছতো দলে অন্তিম চাৰি অভাৰত চাপৰ সন্মুখীন হৈ পৰাজয়ৰ স্বীকাৰ কৰে।

## বিলাসনন্দন চ'ৰা



# ডাষ্টবিন পাৰ্টি নেকি?

**কোনটো** আচল কোনটো নকলী, সেয়া ধৰিব পৰাটো আজিৰ দিনত বৰ টান। যেনেকৈ আপুনি একো ধৰিব নোৱাৰে কোনটো মাছ লোকেল, কোনটো মাছ চালানী। চালানী মানে বেলেগ ষ্টেটৰ পৰা অনা। বহুতে বাই-ভোটৰ পাছত কোৰা-কুই কৰিছে যে এনেকৈ চালানী লিডাৰবোৰ আনি আনি ভোট পাতি থাকিলে কাৰ কি হ'ব? লোকেলবোৰকো অলপ হাৰা দিব লাগে। এতিয়া দেখোন সেই লোকেলবোৰক কোনেও লগেই নোপোৱা হ'ল। দেখাও নোপোৱা হ'ল। দিল্লীৰ বাদশ্বাহে আহিয়ে বছৰ বছৰ ধৰি গেৰুৱা হৈ পদুম ফুলাবলৈ ট্ৰাই মাৰি থকাসকলক মাৰ্গদৰ্শক কৰি বহুৱাই থৈ দিছে। আমাৰ ষ্টেটৰ লোকেলবোৰক কিহৰ দৰ্শক কৰি বহুৱাই থৈছে সেয়া কোনেও নাজানে। দুই-একে কয়—সিহঁতক ট্ৰেজেডী কিং দিলীপ কুমাৰৰ চিনেমাৰ দৰ্শক কৰি বহুৱাই থোৱা হৈছে। আন কিছুমানে কয় যে সিহঁতক নাম-কীৰ্তনৰ দৰ্শক কৰি বহুৱাই থৈছে। বহুতে কয় যে সিহঁতক দৰ্শক নহয়, শ্ৰোতাহে পতা হৈছে গীতা-ভাগৱতৰ। এই লোকেলবোৰক নিৰুদ্দেশ কৰি এটাৰ পাছত এটাকৈ চালানী অনা হৈছে আৰু বাই-ভোট নামৰ অত্যাধুনিক মেচিনটোত সুমুৱাই দি সেই চালানীবোৰক লোকেল বনাই পেলোৱা হৈছে। চালানীবোৰে লোকেললৈ প্ৰমোছন পোৱাৰ ফলত আচল লোকেলবোৰৰ বহিবলৈ জাগা নোহোৱা হৈছে। এই এল এফ এছ (লোকেল ফ্ৰম চালানী) পোষ্টত এপইণ্টমেণ্ট পোৱাবোৰৰ উৎপাতত পুৰণা লোকেলবোৰৰে নিজকে কিবা চালানী চালানী লাগি গৈছে। বজাৰত বেপাৰীবোৰে চালানী মাছবোৰক লোকেল বুলি বেচি থকাৰ সময়ত কাষতে দীঘল দি পৰি থকা লোকেল মাছকেইটাৰ যেনে দশা হয়, সিহঁতৰো একেই দশা হৈছে। বাকীতো বাদেই, পদুম ফুলটোত হেনো বাহিৰৰ পৰা চালান দি অনাৰ কথা চিন্তা-চৰ্চা কৰা হৈছে। চাইনাৰ এগ্ৰেছনৰ ওপৰত



এগ্ৰেচিভ হৈ থকা দিল্লীৰ বাদশ্বাহেও হেনো এটা পজিটিভ মুড লৈ পদুম ফুলটো চাইনীজ প্লাষ্টিকেৰে চাইনাৰ পৰা বনাই অনাৰ চেন্সিটিভ্ প্লেনিং কৰিছে। তেতিয়া অন্ততঃ পদুম ফুলিব নে নুফুলে, তাকে লৈ ইলেকছনৰ টাইমত নিগেটিভ ইছ্যু খাড়া কৰিব পৰা নাযাব। দিনে-ৰাতিয়ে ফুলিয়ে থাকিব।

যি সময়ত পদুমকে চালানী কৰি পেলাব বিচৰা হৈছে, লিডাৰবোৰ চালানী হ'লেনো কাৰ কি আহে যায়! পদুমটোক প্লাষ্টিকেৰে বনাব খোজাৰ কাৰণটো অৱশ্যে বৰ মামুলী কাৰণ নহয়। পদুমত বহি থাকে বিষ্ণু। বিষ্ণুৱে ১০ টা অৱতাৰ লৈছে। অহা ইলেকছনৰ টাইমত এঘাৰ নম্বৰ অৱতাৰটো হৈ বাদশ্বাহে পদুমটোত বহাৰ পাং পাতিছে। তাৰ বাবে পদুমটো মজবুত হ'ব লাগিব। সেইকাৰণে চাইনাৰ পৰা স্পেচিয়েলী বনাই অনাৰ কথা ভবা হৈছে। এনেহেন কিছুমান অৱতাৰী ধামাকা দিব নোৱাৰিলে যে এইবাৰ ফ্লপ মাৰিব লাগিব, সেই অনুমান বাদশ্বাহে আগৰ পৰাই কৰি থৈছে। সেইকাৰণে পদুমো হ'ব পাৰে চালানী।

আমাৰ মহাৰাজক আকৌ চালানী গোটোৱাৰ ভূতে লম্ভা বুলিও বহুতে ক'ব খোজে। আকৌ বোলে চালানী আনিব, আকৌ বাই-ভোটৰ মেচিনটোৰে সিহঁতক লোকেল বনোৱা হ'ব, পাছৰবাৰ ভোটত সেই চালানীবোৰকে লোকেল বুলি বেচি প্ৰমাণ কৰি দেখুৱাব যে মেনেজাৰ কাক কয় আৰু মেনেজ মাষ্টৰ কাক কয়। চালানীবোৰ অনাৰ সময়ত মেনেজ মাষ্টৰ হ'ব লাগে আৰু চালানীবোৰক লোকেল কৰিবলৈ এজন মেনেজাৰৰ ভূমিকা পালন কৰিব লাগে। দুয়োটা ভূমিকাতে মহাৰাজ ওস্তাদ। অৱশ্যে নিজেও চালানী যেতিয়া এইবোৰ অংক নজনাৰ প্ৰশ্নই নুঠে।

বহুতে হেনো মহাৰাজক এডভাইচ দিছে—'মহাৰাজ, এটা কাম নকৰে কিয়?'

ঃ কি?

ঃ এনেকৈ এটা এটাকৈ চালানী ধৰি আনিব লাগে কিয়?

ঃ তেনেহ'লে কি কৰিব লাগে?

ঃ আটাইকেইটাক একে দিনাই একে সময়তে লৈ আহক। আপুনি মাতিলে সৰেইতো চালানী হ'বলৈ আহিব। মহাৰাজে মূৰ জোঁকাৰিলে—'নাই নাই, আটাইকে আনি ভৰাব নোৱাৰি।'

ঃ কিয় নোৱাৰি মহাৰাজ?

ঃ কিয় নোৱাৰি মানে? আমাৰ পাৰ্টিটো ডাষ্টবিন পাৰ্টি নহয়তো!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# সুন্দৰ ভৱিষ্যতৰ বাবেই কঠোৰ সংগ্ৰাম সুভাষ সৰকাৰৰ

**৩০** বছৰ পূৰ্বে পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ পাৰডুবী গাঁৱৰ পৰা অসমলৈ কামৰ সন্ধানত আহিছিল এজন ১৪ বছৰীয়া কিশোৰ। সুভাষ সৰকাৰ নামৰ কিশোৰজনে পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ বাবে অসমলৈ কামৰ সন্ধানত আহি বিগত তিনিটা দশক ৰাজ্যখনৰ বিভিন্ন ঠাইত কাম কৰি জীৱন সংগ্ৰাম অব্যাহত ৰাখিছে। সুভাষে কৈশোৰ অৱস্থাৰ পৰাই জীৱন সংগ্ৰাম অব্যাহত ৰাখিছে ভৱিষ্যতৰ সুখৰ সন্ধানত। পত্নীৰ উপৰি এজন পুত্ৰ আৰু দুগৰাকী কন্যা সন্তানৰ স'তে জীৱন নিৰ্বাহ কৰা সুভাষে প্ৰথমতে নলবাৰীৰ বৰনৰ্দ্দী চ'কতো এজন লোকৰ স'তে ঘৰুৱা আচবাব প্ৰস্তুত কৰা কামত আত্মনিয়োগ কৰে। প্ৰথম ছমাহ তেওঁ এই কামৰ বিনিময়ত এটকাও লাভ কৰা নাছিল। যিজন লোকৰ স'তে তেওঁ কাম কৰিছিল লোকজনে কেৱল খোৱা আৰু থকাৰ ব্যৱস্থা কৰি দিছিল। প্ৰথমতে সুভাষে কাম শিকাৰ বাবে টকাৰ প্ৰয়োজন অনুভৱ কৰা নাছিল। তেওঁ কয় যে এই পৃথিৱীত কাম নাজানিলে কোনেও বিনাপইচাত নুখুৱায়। প্ৰথমতে কাম শিকি লৈ পাছত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে এখন ক্ষেত্ৰ লাভ কৰিব পাৰি বুলি সুভাষে কয়। সেয়েহে তেওঁ প্ৰথমতে ধন লাভতকৈ আচবাব আদি প্ৰস্তুত কৰাৰ কৌশল আয়ত্ত কৰাতহে গুৰুত্ব আৰোপ কৰিছিল। তাৰ ফল এতিয়া তেওঁ লাভ কৰা বুলি কয়। কাম শিকাৰ ছমাহমান পাছত তেওঁ মাহিলি এশ টকাকৈ দৰমহা লাভ কৰা বুলিও উল্লেখ কৰি কয়, 'সেই এশ টকাৰে মই ইয়াত খাই-বৈ কিছু টকা ঘৰলৈ দিছিলো। এতিয়া সেইবোৰ কথা ভাবিলে সাধুকথাৰ দৰে লাগে। অৱশ্যে মই সামান্য ধন নিদিলেও আমাৰ দুখীয়া পৰিয়ালটো চলাটো অসম্ভৱ আছিল। মোৰ এজন ভাই আৰু দুগৰাকী ভনী থকা বাবেই সামান্য পৰিমাণৰ ধন হ'লেও ঘৰলৈ পঠিয়াবলৈ বাধ্য হৈছিলো।'

নলবাৰীৰ বৰনৰ্দ্দীত চাৰি-পাঁচবছৰমান কাম কৰাৰ পাছত তেওঁ এদিন এজন চিনাকি মানুহৰ স'তে গুৱাহাটীলৈ আহে। ২৫ বছৰ পূৰ্বে তেওঁ গুৱাহাটীত খোজ পেলোৱাৰ সময়তো হাজিৰা কৰিয়েই জীৱন-নিৰ্বাহ কৰিছিল। সেই সময়ত তেওঁ ৮০ টকাত দিন হাজিৰা কৰিছিল। লাহে লাহে মহানগৰীৰ দুই-চাৰি লোকৰ স'তে চিনাকি হোৱাৰ পাছত ঘৰৰ আচবাবৰ কাম কৰিবলৈ লয়। তেওঁৰ হাতৰ নিখুঁত আচবাববোৰ দেখি লাহে লাহে বিভিন্নজনে তেওঁৰ স'তে যোগাযোগ কৰিবলৈ ধৰে। এনেদৰে দীৰ্ঘদিনীয়া সংগ্ৰামৰ বাবে এখন ক্ষেত্ৰ লাভ কৰে। অৱশ্যে তেওঁ কেতিয়াও কাৰো পৰা এটকাও অতিৰিক্তভাৱে লোৱা নাই বুলি উল্লেখ কৰি কয়, 'আজিকালি বহুতে সামান্য কাম কৰিয়েই বৃহৎ পৰিমাণৰ ধন দাবী কৰে; অথবা বিভিন্ন কৌশলেৰে সৰকায়। এনে কৰাটো অনুচিত। কাৰণ যিমানেই ফাকি মাৰিব সিমানেই ওপৰৱালাই নিজৰ খাটাত হিচাপ-নিকাচ কৰিব।' অৱশ্যে তেওঁ কয় যে এতিয়া সৎ পথত থাকিলে জীয়াই থকাৰ বাবে বহু সংগ্ৰাম কৰিবলগীয়া হয়। বিগত ৩০ বছৰে কাম কৰিও নিজৰ বাবে এটা ঘৰ সাজিব পৰা নাই। তেওঁৰ পত্নী আৰু তিনি সন্তান কোচবিহাৰতেই থাকে আৰু তেওঁ মাহিলি যি উপাৰ্জন কৰে সেয়া পঠিয়াই দিয়ে। মাজে মাজে তেওঁ ঘৰলৈ যায় যদিও অসমতেই থাকি বেছি ভাল পায় বুলি কয়। তেওঁ কয় যে ইয়াৰ লোকসকল বৰ মৰমিয়াল। পশ্চিমবংগৰ পৰা অহাৰ পৰা তেওঁ যি মৰম-চেনেহ পাইছে তাৰ বাবেই তেওঁৰ পুনৰ কোচবিহাৰলৈ উভতি যাবলৈ মন নাযায়। মাহিলি ১৪-১৫ হেজাৰ টকা লাভ হয় বুলি উল্লেখ কৰি সুভাষে কয়, 'লাভ কৰো বুলি ইচ্ছা কৰিলে বহুত কৰিব পাৰো; কিন্তু দুখীয়া হ'লেও মনটোৱে চোন আনক ঠগি খাবলৈ নামানে।' কষ্ট কৰি হ'লেও ইয়াতেই যিমানদিনলৈকে কাম কৰি থাকিব পাৰে সিমানদিনলৈ থাকিব বুলি সুভাষে কয়। তেওঁ বিগত ডেৰ বছৰত তলাবন্ধৰ বাবে সমস্যাৰ সন্মুখীন হোৱা বুলি উল্লেখ কৰি কয় যে এই সময়ছোৱাত তেওঁ কোচবিহাৰলৈ গৈ খেতি কৰিছিল। তেওঁৰ অলপ খেতিৰ মাটি আছে আৰু সময় পালে তাত খেতি কৰে বুলিও সুভাষে কয়।

■ **নয়ন কুমাৰ শৰ্মা**








# ক'ভিড প্ৰতিষেধক লৈ লাভ কৰিলে সাত কোটি ৪০ লাখ


## লটাৰীত ধন পাই আত্মহাৰা অষ্ট্ৰেলিয়ান মহিলা

**নিউজ ব্যুৰ'**

**কেনবেৰা, ১১ নৱেম্বৰ ঃ** ক'ভিডৰ প্ৰতিষেধক লোৱাৰ বাবেই এগৰাকী মহিলাই লাভ কৰিলে প্ৰায় চাৰে সাত কোটি টকা। এই বাতৰিয়ে সম্প্ৰতি অষ্ট্ৰেলিয়াত এতিয়াও ক'ভিড প্ৰতিষেধক ল'বলৈ বাকী থকা মানুহৰ মাজত উথপথপ লগাইছে। সকলোৱেই আগবাঢ়ি আহিছে ক'ভিড প্ৰতিষেধক লোৱাৰ বাবে। বিশ্বৰ সৰ্বত্ৰে ক'ভিড প্ৰতিষেধক মানুহক দি থকা হৈছে। তৎসত্ত্বেও এতিয়াও বিশ্বৰ বিভিন্ন মানুহৰ মাজত প্ৰতিষেধকক কেন্দ্ৰ কৰি সংশয় আৰু ভয় থকা দেখা গৈছে। সেই সংশয় আৰু ভয়ৰ কাৰণেই বহুতে ক'ভিড প্ৰতিষেধক ল'বলৈ অস্বীকাৰ কৰিছে। বিভিন্ন দেশৰ চৰকাৰে প্ৰতিষেধকক কেন্দ্ৰ কৰি নানা সচেতনতামূলক উদ্যোগ গ্ৰহণ কৰিলেও বহু লোকে সেই উদ্যোগৰ প্ৰতি সঁহাৰি জনোৱা নাই। সেই বাবেই বাধ্য হৈ জনগণক প্ৰতিষেধকৰ বাবে উৎসাহিত কৰিবলৈ কোনো কোনো ঠাইত চৰকাৰী বা বেচৰকাৰী উদ্যোগত পুৰস্কাৰো ঘোষণা কৰিছে। শেহতীয়াকৈ এনে এক উদ্যোগেই লৈছিল অষ্ট্ৰেলিয়াৰ চৰকাৰে। এক প্ৰতিবেদন অনুসৰি, ক'ভিড প্ৰতিষেধক ল'বলৈ দেশবাসীক উৎসাহিত কৰাৰ বাবে অষ্ট্ৰেলিয়া চৰকাৰে কে'বা কোটি টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। আয়োজন কৰা হয় 'দ্য মিলিয়ন ডলাৰ ভেক্স এলায়েন্স' নামৰ এক বিশেষ লটাৰী প্ৰতিযোগিতাৰ। উক্ত প্ৰতিবেদন অনুসৰি, প্ৰতিষেধক গ্ৰহণ কৰাৰ পাছত প্ৰায় ৩০ লাখ লোকে সেই লটাৰী খেলত অংশ লৈছিল। সেই লটাৰীতেই অংশ লৈছিল জুন ঝু নামৰ এগৰাকী মহিলাই। মহিলাগৰাকীয়ে কয় যে প্ৰতিষেধক গ্ৰহণ কৰি তেওঁ ঘৰলৈ উভতি আহিছিল। খেলত অংশ লৈছিল যদিও সেই বিষয়ত তেওঁ বিশেষ একো ভবা নাছিল। প্ৰতিষেধক লোৱাৰ পাছদিনাই তেওঁ এটা ফোনকল পায় ।জুনক কোৱা হয় যে তেওঁ লটাৰীত কোটি টকা জিকিছে। এই সন্দৰ্ভত মহিলাগৰাকীয়ে কয়, 'প্ৰথমে নিজৰ কাণকে বিশ্বাস কৰিব পৰা নাছিলো। কিন্তু ইটোৰ পাছত সিটোকৈ সংবাদ মাধ্যমৰ পৰা ফোন আহিবলৈ আৰম্ভ কৰাত হতবাক হৈ পৰো।' উল্লেখ্য যে জুনে উক্ত লটাৰীত লাভ কৰে ১০ লক্ষ মাৰ্কিন ডলাৰ। ভাৰতীয় মুদ্ৰাত তাৰ পৰিমাণ সাত কোটি ৪০ লাখ টকা। মহিলাগৰাকীয়ে জনায় যে সেই টকাৰে তেওঁ পৰিয়ালৰ বাবে উপহাৰ ক্ৰয় কৰিব আৰু ভৱিষ্যতৰ বাবে সঞ্চয় কৰিব। তেওঁ লগতে জনায় যে সীমান্ত খুলি দিয়ে চীনৰ নৱবৰ্ষত সেই দেশলৈ যাব।









**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com